
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



হেৰ, জড়তা-পিষ্ট চিন্তা
বুদ্ধি-তত বিবেচনাহীন,
দুৰ্ভাগা, অদূৰদৰ্শী অসমীয়া
তোৰ জন্মভূমিত তোৰ সঁচ
মৰি শ্মশানখন যে গজিব
ধৰিছে, তাৰ হুঁচ কিয়
নাইকিয়া ?

অম্বিকাগিৰী ৰায় চৌধুৰী
*অসম কেশৰী*

www.dainikagradoot.in

৭ ইউৰোপত তৃতীয় বিশ্বযুদ্ধৰ শংকা
১৫ চেম্পিয়নছ ট্ৰফী হকীত পাকিস্তানক হৰুৱালে ভাৰতে
৪ শোকসংবাদে সৃষ্টি কৰা তিনিটা জাতীয় বিপৰ্যয়

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৭২তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২ পুহ ১৪২৮ ভাস্কৰাব্দ ১৮ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 18 December 2021 মূল্য ঃ ৯.০০ টকা

■ সংসদত উন্মোচিত ভয়াৱহ ছবি ■ ২০২০-২১ বৰ্ষত মুদ্ৰা ঋণৰ অনুৎপাদন সম্পদৰ পৰিমাণ বৃদ্ধি ৩৪ হেজাৰ কোটিলৈ ■ লোকচান ভুগি ক'ভিড বৰ্ষত ১১,৭১৬ জন ব্যৱসায়ীৰ আত্মহত্যা

# তলা ওলমিল ৫৭ লাখ উদ্যোগত




নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ লগতে ভাৰতকো ক'ভিডে ভয়াৱহতাৰ মাজলৈ লৈ গৈছে। উদ্যোগ-বাণিজ্য খণ্ডক মাধমাৰ শোধোৱা অতিমাৰীৰ ফলত মানসিকভাৱেও বিপৰ্যস্ত হৈছে বৃহৎসংখ্যক লোক। ক'ভিডে উদ্যোগ খণ্ডত প্ৰচণ্ড আঘাত শোধোৱাই কেৱল নহয়, ইয়াৰ মাৰাত্মক আক্ৰমণত মানসিকভাৱে দুৰ্বল হৈ পৰা ব্যৱসায়ীৰ আত্মহত্যাৰ ঘটনাও বৃদ্ধি পাইছে। এই ভয়াৱহ ছবি উন্মোচিত হয় চলিত সংসদৰ শীতকালীন অধিবেশনত।

ক'ভিডৰ ভয়াৱহতাত দেশজুৰি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ মৃত্যু হ'বলৈ ধৰিছে। সংসদৰ চলিত অধিবেশনতে এই সম্পৰ্কীয় অত্যন্ত উদ্বেগজনক ছবি উন্মোচিত হৈছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু তৃণমূলৰ অভিষেক বন্দ্যোপাধ্যায়ৰ প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰণালয়ে দেশক প্ৰত্যাহ্বানৰ সন্মুখীন কৰা এই পৰিস্থিতিৰ বিষয়ে প্ৰকাশ কৰে। বিৰোধীয়ে সমস্বৰে দাবী কৰে যে *১০ পৃষ্ঠাত চাওক*

## আৰক্ষীৰ গুলিত নিহত নৱগঠিত সশস্ত্ৰ সংগঠনৰ সেনাধ্যক্ষ

পিষ্টল-গুলি উদ্ধাৰ





অগ্ৰদূত বাৰ্তা
**বোকাজান/ কলিয়াবৰ, ১৭ ডিচেম্বৰ ঃ** কাৰ্বি আংলঙৰ আটাইকেইটা সশস্ত্ৰ সংগঠন মূলসুঁতিলৈ ঘূৰি অহাৰ পাছত সম্পাদিত শান্তি চুক্তিৰ জৰিয়তে জিলাখনলৈ স্বাভাৱিক অৱস্থা ঘূৰি অহা বুলি ধাৰণা কৰা হৈছিল যদিও আজি পুনৰ আৰক্ষী *১০ পৃষ্ঠাত চাওক*



আফস্পা প্ৰত্যাহাৰৰ দাবীত বৃহৎ সমদল ■ গৃহমন্ত্ৰী শ্বাহৰ ক্ষমা দাবী

## ৰাজধানী কহিমালৈ সম্প্ৰসাৰিত হ'ল সেনাৰ দ্বাৰা গণহত্যাৰ প্ৰতিবাদ

নিউজ ব্যুৰ'
**কহিমা, ১৭ ডিচেম্বৰ ঃ** নগালেণ্ডৰ মন জিলাৰ অটিং বস্তিত সেনাৰ গুলিত ১৪ জন নিৰীহ লোক নিহত হোৱা ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনত উত্তেজনা অব্যাহত আছে। ক্ৰমাৎ পৰিস্থিতি অধিক উত্তপ্ত হ'বলৈ ধৰিছে। মন জিলাৰ পৰা ৰাজ্যজুৰি বিয়পি পৰিছে প্ৰতিবাদৰ ঢৌ। আজি নগালেণ্ডৰ ৰাজধানী কহিমাত ৰাজ্যখনৰ প্ৰভাৱশালী ছাত্ৰ সংগঠনে সেনাবাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ মুকলি ক্ষমা প্ৰাৰ্থনাৰ দাবীত বৃহৎ প্ৰতিবাদী সমদল উলিয়ায়। যোৱা চাৰি নৱেম্বৰত নগালেণ্ডৰ মন জিলাত উগ্ৰপন্থীৰ সন্দেহত অভিযানকাৰী সেনাই এখন ট্ৰাকলৈ গুলিচালনা কৰা ঘটনাত প্ৰথমতে কমেও সাতজনৰ মৃত্যু হয়। এই ঘটনাত ক্ষুব্ধ প্ৰতিবাদকাৰী গাঁওবাসীৰ স'তে হোৱা সংঘৰ্ষত পৰৱৰ্তী পৰ্যায়ত মৃত্যু ঘটা *১০ পৃষ্ঠাত চাওক*

## 'চলন্ত তথ্যকোষ' বিশিষ্ট শিক্ষাবিদ মহেশ চন্দ্ৰ ভূঞাৰ দেহাৱসান



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** চলন্ত 'এনচাইক্লোপেডিয়া' (তথ্যকোষ) ৰূপে খ্যাত বিশিষ্ট শিক্ষাবিদ তথা বিজ্ঞানী মহেশ চন্দ্ৰ ভূঞাৰ আজি পুৱতি নিশা মহানগৰীৰ *১০ পৃষ্ঠাত চাওক*

কংগ্ৰেছে নতুন প্ৰভাতৰ সলনি পুৰণি প্ৰভাতৰ কথাহে চিন্তা কৰক ঃ শৰ্মা

## মঙলদৈত জ্যেষ্ঠ দলীয় নেতাৰ চৰণ পখালি আশীৰ্বাদ ল'লে মুখ্যমন্ত্ৰীয়ে



বিশেষ সংবাদদাতা
**মঙলদৈ, ১৭ ডিচেম্বৰ ঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজে বিজেপিক আঁকোৱালি লৈছে। অৰুণাচল আৰু অসমত দ্বিতীয়বাৰৰ বাবে বিজেপিৰ চৰকাৰ গঠন হৈছে। মণিপুৰতো বিজেপি শক্তিশালী হৈ উঠাটোৱে উপৰোক্ত কথাষাৰক প্ৰমাণ কৰিছে। সম্প্ৰতি ৪৫ লাখ কৰ্মকৰ্তাৰে ভাৰতীয় জনতা পাৰ্টি এটা শক্তিশালী দল হৈ উঠিছে আৰু মধ্যপ্ৰদেশ-গুজৰাটৰ দৰে আমাৰ ৰাজ্যতো বিজেপি সংগঠিত প্ৰতিযোগিতাত *১০ পৃষ্ঠাত চাওক*

## কং বিধায়ক শ্বেৰমান আলীৰ ইউডিএফলৈ প্ৰত্যাৱৰ্তনৰ সম্ভাৱনা

পুনৰ উপ-নিৰ্বাচনৰ ইংগিত মুখ্যমন্ত্ৰী শৰ্মাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** কংগ্ৰেছৰ আৰু একাধিক বিধায়কে দল সলনিৰ বাবে গোপনে তৎপৰ হৈছে। 'আকৌ নতুন প্ৰভাত হ'ব' শ্ল'গানেৰে অসমত কংগ্ৰেছক শক্তিশালীকৰণৰ উদ্দেশ্যে তিনিদিনীয়া *১০ পৃষ্ঠাত চাওক*

■ দক্ষিণ শালমাৰাত উৎকোচৰ বিনিময়ত মুকলি বজাৰ ঃ পুনৰ ন্যায়িক জিম্মালৈ ছইবৰ

## একেটা পৰিয়ালৰ তিনিজনলৈ ভূমি আবণ্টন

ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা
**গুৱাহাটী/মানকাচৰ ঃ** ২০১৮-২০ বৰ্ষত দক্ষিণ শালমাৰা-মানকাচৰ জিলাত সংঘটিত বৃহৎ ভূমি আৱণ্টন কেলেংকাৰিৰ গোচৰত অভিযুক্ত নিলম্বিত এচিএছ বিষয়া ছইবৰ ৰহমানক পুনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে আদালতে। জিলাখনৰ তদানীন্তন উপায়ুক্ত আতিকা চুলতানাৰ কাৰ্যকালত সংঘটিত ভয়াৱহ ভূমি আৱণ্টন কেলেংকাৰিৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে ৭/২০২১ নম্বৰৰ গোচৰত যোৱা ১৩ ডিচেম্বৰত ধৃত ছইবৰক গ্ৰেপ্তাৰ কৰি পুনৰ জিম্মাত লৈছিল। উল্লেখ্য যে এই জেৰাৰ সময়ত জিলাখনত সংঘটিত কৰা ভূমি আৱণ্টন কেলেংকাৰিৰ বহু গুৰুত্বপূৰ্ণ তথ্য তদন্তকাৰী বিষয়াৰ আগত ধৃত ছইবৰে স্বীকাৰ কৰিছে। বিশেষকৈ হাটশিঙিমাৰী ছুপাৰ মাৰ্কেটৰ ভূমি পাঁচৰ পৰা ২০ লাখ টকা পৰ্যন্ত উৎকোচ লৈ আৱণ্টন দিছিল ছইবৰ *১০ পৃষ্ঠাত চাওক*

পশুধন সংৰক্ষণ আইনৰ সংশোধন ■ আন্তঃজিলা সৰবৰাহত শিথিলতা

## ৰাজ্যিক আয়োগৰ দ্বাৰা পৰিচালিত হ'ব নিযুক্তি প্ৰক্ৰিয়া

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ আজি অনুষ্ঠিত কেবিনেট বৈঠকে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ১,৩৯১ টা পদৰ নিযুক্তিত অনুমোদন জনায়। ইয়াৰে ১,০০৪ টা পদ তৃতীয় বৰ্গৰ আৰু ৩৭৭ টা পদ চতুৰ্থ বৰ্গৰ। তদুপৰি গাড়ী চালকৰ ১০ টা খালী পদো আছে। লগতে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত নিযুক্তিৰ *১০ পৃষ্ঠাত চাওক*



## অসম ক্ৰিকেট সন্থাৰ বিত্তীয় কেলেংকাৰি প্ৰাক্তন সম্পাদক ধৃত বুঢ়াগোহাঁইক প্ৰেৰণ আৰক্ষী জিম্মালৈ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাৰ সম্পাদকৰ দৰে গুৰু দায়িত্ব বহন কৰি খেলুৱৈ সৃষ্টিৰ পৰিৱৰ্তে কোটি *১০ পৃষ্ঠাত চাওক*

■ সামৰণি পৰিল প্ৰদেশ কংগ্ৰেছৰ তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী

## ভাৰতত সাম্প্ৰদায়িক ৰাজনীতি সফল নহয় কেতিয়াও ঃ ক'লে ৰাহুলে




ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** যোৱা ১৫ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে প্ৰদেশ কংগ্ৰেছৰ উদ্যোগত মহানগৰীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত দলীয় প্ৰশিক্ষণ শিবিৰৰ আজি সামৰণি পৰে। আজিৰ সামৰণি অনুষ্ঠানত ভিডিঅ' কনফাৰেঞ্চৰ জৰিয়তে দলীয় প্ৰশিক্ষাৰ্থীসকলক উৎসাহ যোগোৱাৰ উদ্দেশ্যে দিয়া *১০ পৃষ্ঠাত চাওক*

## বিশ্বনাথত দুখনকৈ কণ্টেইনাৰত জব্দ ৫৯টা গৰু

ৰাজ্যত সক্ৰিয় মাফিয়া

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ১৭ ডিচেম্বৰ ঃ** ৰাজ্যত গো সুৰক্ষা আইন বলৱৎৰ পাছতো ৰাজ্যত সক্ৰিয় হৈ আছে গো-মাফিয়া। চৰকাৰৰ চকুত ধূলি দিবলৈ মাফিয়াসকলে অৱলম্বন কৰিছে দৈনিক ন ন কৌশল। এতিয়া ট্ৰাকৰ পৰিৱৰ্তে কণ্টেইনাৰত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ১৩° |
| ডিব্ৰুগড় | ২৫° | ১১° |
| দিল্লী | ১৮° | ০৭° |
| কলকাতা | ২৪° | ১৫° |
| মুম্বাই | ২৯° | ২২° |
| চেন্নাই | ২৯° | ২৩° |
| বাংগালুৰু | ২৮° | ১৬° |
| শ্বিলং | ১৬° | ০৭° |

*১৭ ডিচেম্বৰ, ২০২১*

■ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ দুদিনীয়া ৰাজহুৱা শুনানি সমাপ্ত

## উচ্ছেদিতৰ পুনৰ সংস্থাপনত কিমান সময় লাগিব নিশ্চিত নহয় ঃ অধ্যক্ষ



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** 'সম্প্ৰতি গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমত চলি থকা উচ্ছেদ অভিযানৰ বিৰুদ্ধে এক অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ জাৰি কৰিছে। দৰং জিলাৰ গৰুখুঁটিত চলোৱা উচ্ছেদ অভিযান সন্দৰ্ভতো কে'বাখনো ৰাজহুৱা স্বাৰ্থজড়িত আবেদন বিচাৰাধীন হৈ আছে। তাৰ মাজতে আমি কালি গৰুখুঁটি উচ্ছেদ অভিযান সম্পৰ্কত সংশ্লিষ্ট কৰ্তৃপক্ষৰ 'ষ্টেটমেণ্ট ৰেকৰ্ড' কৰিছো। এই মুহূৰ্তত গোটেই বিষয়টো আদালতৰ বিচাৰাধীন হোৱা হেতুকে বেছি বহলাই আলোচনা কৰিব *১০ পৃষ্ঠাত চাওক*

## সীমা সমস্যাক কেন্দ্ৰ কৰি বকোৰ সীমান্তত পুনৰ উত্তেজনা

অসমৰ জৰীপ কৰিবলৈ যোৱা দলক খেদিলে

অগ্ৰদূত বাৰ্তা
**বকো, ১৭ ডিচেম্বৰ ঃ** সীমা সমস্যাক কেন্দ্ৰ কৰিবকোৰ অসম-মেঘালয়ৰ সীমান্তত অব্যাহত আছে উত্তেজনা। ইয়াৰ মাজতে আজি ৰাজ্য চৰকাৰৰ *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*এই মৃতকৰ মূৰ্তিয়েও যে কেতিয়াবা ক্ষমতাৰ পথ মুকলি কৰিব কেতিয়ানো ভাবিছিলো!*

■ চৰকাৰী জাননী লাভৰ পাছতো আতৰি যোৱা নাই ঃ চালি তৰি বাস কৰিছে একাংশই

## খেতিৰ মোহতে চৰ এৰা নাই ৯০ শতাংশই

বিশেষ সংবাদদাতা
**নগাঁও, ১৭ ডিচেম্বৰ ঃ** যোৱা ২৯ অক্টোবৰত শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই ডিআৰচি-১৩/২০১৭-১৮ নম্বৰৰ জাননীমৰ্মে ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন চৰত বেদখল কৰি বসবাস কৰি থকা আৱাসীসকলক চৰমুক্ত কৰাৰ জাননী জাৰি কৰা আৰু যোৱা ন ডিচেম্বৰত নগাঁও বন্যপ্ৰাণী সংমণ্ডল তথা ব্যাঘ্ৰ প্ৰকল্প, কাতিমাৰীৰ অন্তৰ্গত কোচমৰা সংৰক্ষিত বনাঞ্চলৰ বিভিন্ন চৰৰ বেদখলকাৰীক চৰৰ ভূমি খালী কৰি দিবলৈ চিঠি নম্বৰ ডব্লিউ এল এন/বি/এভিকচন/২০২১মৰ্মে অনুৰূপ জাননী জাৰি কৰাৰ পাছৰে পৰা বিনীদ্ৰ ৰজনী কটাইছে তিনতিকীয়া, গৰুখুটি, ৰাণীটাপু, কোচমৰা, কুট্টামাৰী, পংৰে, বিচ্ছে, বিন্দ্ৰে, ৰামদাস চৰ, ভকতেপানী খোৱা ঘাট, গোলোক চৰ, ডোৰৱামাৰী, খাবেদ চৰ, চৰ্দাৰটাপু, লহৰীয়া, মুছলিম চৰ, বিশবালি, গাইটাপু, কালাচৰ, আবেদৰ চৰ, কুখৰে, কুট্টামাৰী, বুটমাৰী, মাইছবালি প্ৰমুখ্যে বিভিন্ন চৰৰ হেজাৰ হেজাৰ আৱাসী। শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু নগাঁৱৰ বন বিভাগৰ পৰা জাননী লাভ কৰাৰ পাছত বিভিন্ন চৰ-চাপৰিত ঘৰ সাজি বসবাস *১০ পৃষ্ঠাত চাওক*

Al-Israa Tours & Travels Pvt. Ltd.
2, Zakaria Street, (Opp. Nakhuda Masjid), Kolkata - 700 073
E-mail : alisraatourstravels@yahoo.in, alisraa.tours.travels@gmail.com, Website : alisraatourstravels.com
+91 9007791516 / +91 9831719258 / +91 7980778044 / +91 8584079339
UMRAH TOUR PACKAGE
JANUARY & FEBRUARY 2022
UMRAH FROM INDIA
RS.1,25,000 AZKA AL SAFA or Similer(MAKKAH) SWITCH INTERNATIONAL Or Similer (MADINA)
RS.1,10,000 HOTEL SEQAYTA AL KHALIL Or Similer (MAKKAH) TAJ WARD HOTEL Or Similer (MADINA)
RS.1,00,000 LAND PREMIUM Or Similer (MAKKAH) TAJ WARD HOTEL Or Similer (MADINA)
7 days Makkah • 7 days Madina
All 3 Star & 4 Star Hotel Packages
INCLUDES
• Saudi Umrah Visa + Insurance. • Breakfast, Lunch & dinner
• Laundry Services. • Ziyarat in Makkah & Madina.
• Zamzam (5 ltrs Can). • 1 PCR Test in Saudi.
• Transfer by Sharing Bus. • Flight Tickets.
EXCLUDES
• PCR Test in India. • 5% GST • Room Service
NOTE
• Minmum 24+ Pax Travelling togather.
• Stay will be in sharing Room.
• If Pax Cancels for any Reason,100% Amount is Non Refundable.
• Age Limit : Below 18 Years Not Allowed.
• Docs Required : Original Passport, 2 Photos, Covishield 2 Dose, Pan Card.
• PCR Test before Going to Saudi 48 Hours and when Returning to India Required.
• Minimum 14 Days Should be Over after taking second dose COVISHIELD only.
• No Quarantine Required for Covishield/Pfizer vaccinated Pax for Umrah.
• Laundry, Zamzam & ziyarat Service are Subject of Government Approval.
ALL GUEST MUST DOWNLOAD AND REGISTER ON TAWAKKALNA APP WITH IN (8) HOURS OF ARRIVAL TO KINGDOM
INCASE OF COVAXIN THERE WILL BE A QUARANTINE OF 3 DAYS WITH ADDITIONAL COST.

দৈনিক অগ্ৰদূত
গুৱাহাটী,১৮ ডিচেম্বৰ, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

## যেতিয়ালৈকে নামঘোষা, কীৰ্তন থাকিব তেতিয়ালৈ অসমীয়া ভাষা জীয়াই থাকিব

**মৰিগাঁও ৰসৰাজ যুৱক সংঘ পুথিভঁৰালৰ উদ্যোগত বিশেষ অভিনন্দন অনুষ্ঠান**

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৭ ডিচেম্বৰ ঃ** 'যেতিয়ালৈকে অসমত নামঘোষা আৰু কীৰ্তন পুথি থাকিব, যেতিয়ালৈকে নামঘৰ, পূজা বাৰী থাকিব তেতিয়ালৈকে অসমীয়া ভাষা জীয়াই থাকিব' অসমত অসমীয়া ভাষাৰ সংকটৰ দিশে গতি কৰা বুলি চৰ্চা অব্যাহত থকাৰ সময়তে *ছয় পৃষ্ঠাত চাওক*




# অভিনেত্ৰী- কণ্ঠশিল্পী কল্পনা কলিতাক 'মৃত্যুঞ্জয়ী শিল্পী আইদেউ সন্দিকৈ শিল্পী বঁটা' প্ৰদান



**তিতাবৰ, ১৭ ডিচেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আৰু তিতাবৰ শাখা সমিতিৰ সহযোগত আজি তিতাবৰত মৃত্যুঞ্জয়ী শিল্পী আইদেউ সন্দিকৈ সোঁৱৰণী শিল্পী বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। অসমৰ প্ৰথম মহিলা অভিনেত্ৰী আইদেউ সন্দিকৈৰ অষ্টাদশ বাৰ্ষিক স্মৃতি দিৱসৰ স'তে সংগতি ৰাখি আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠান তিতাবৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত অসমীয়া অপেছাদাৰী নাট্যজগতৰ অভিনেত্ৰী তথা কণ্ঠশিল্পী কল্পনা কলিতাক এই বৰ্ষৰ আইদেউ সন্দিকৈ বঁটা প্ৰদান কৰা হয়। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা ড° থুনু কলিতাই আঁতধৰা বঁটা প্ৰদান অনুষ্ঠানত বঁটা গ্ৰহণ কৰি ৭০ উৰ্ধ্বৰ শিল্পীগৰাকীয়ে নটসূৰ্য ফণী শৰ্মা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্যত কেনেদৰে নাট্যাভিয়নৰ জগতখনত খোজ পেলালে সেই বিষয়ে বক্তব্য আগবঢ়ায়। পাঁচ বছৰ বয়সৰ পৰাই অভিনয় জগতত খোজ পেলোৱাৰ লগতে এটা সংস্কৃতিবান পৰিয়ালত জন্মগ্ৰহণ কৰি অভিনয়ৰ সমান্তৰালকৈ অসমীয়া থলুৱা লোকগীত, বনগীত আদিতো কণ্ঠদান কৰি সেইসমূহৰ প্ৰচাৰ, প্ৰসাৰ আৰু সংবৰ্ধনৰ কামত আজিও নিয়োজিত হৈ থকাৰ বিষয়ে অৱগত কৰে। বৰ্তমান আধুনিক প্ৰযুক্তিৰ দ্ৰুত সম্প্ৰসাৰণৰ লগে লগে অভিনয় জগতখনলৈও *ছয় পৃষ্ঠাত চাওক*

## আজিৰে পৰা নিখিল ৰাভা সাহিত্য সভাৰ ৩৫ সংখ্যক বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ১৭ ডিচেম্বৰ ঃ** ঢেকিয়াজুলি নগৰৰ ত্ৰিমূৰ্তি প্ৰেক্ষাগৃহত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে নিখিল ৰাভা সাহিত্য সভাৰ ৩৫ সংখ্যক বাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব। ডাঃ বিপিন চন্দ্ৰ ৰাভাক সভাপতি, দ্বিবন কুমাৰ ৰাভাক কাৰ্যকৰী সভাপতি আৰু সুবল চন্দ্ৰ ৰাভাক সম্পাদক হিচাপে লৈ গঠিত আদৰণি সমিতিয়ে এই অধিবেশনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি *ছয় পৃষ্ঠাত চাওক*

## কৃষি যান্ত্ৰিকীকৰণে উৎপাদন বৃদ্ধিত বিশেষ অৰিহণা যোগাব পাৰিব ঃ বৰা

**মিচিআটিত কৃষকক প্ৰদান কৰিলে অত্যাধুনিক ৰেপাৰ যন্ত্ৰ-চীড ড্ৰিল**



**খুমটাই, ১৭ ডিচেম্বৰ ঃ** কালি বোকাখাত সমষ্টিৰ মিচিআটিত দুসুঁতিমুখ গাঁও পঞ্চায়তৰ সভাপতি পুষ্পনাথ পাটগিৰিৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত এপাৰ্ট প্ৰকল্পৰ জৰিয়তে সমষ্টিটোৰ মিচিআটি গাঁৱত ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই ২০১৭ত গঠিত ব্ৰহ্মপুত্ৰ ভেলী ফৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডক এখন অত্যাধুনিক ৰেপাৰ যন্ত্ৰ আৰু চীড ড্ৰিল প্ৰদান কৰে। উল্লেখ যে বানবিধ্বস্ত মিচিআটি অঞ্চলৰ প্ৰায় ৫০০জন কৃষকে ব্ৰহ্মপুত্ৰ ভেলী ফৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডত অংশীদাৰী হৈ বৃহত্তৰ অঞ্চলটোত বিভিন্ন খেতি কৰি আহিছে। এই কৃষকসকলে কম খৰচ, কম সময় আৰু অত্যধিক শ্ৰম লাঘৱ কৰি কৃষি পথাৰত ৰেপাৰ যন্ত্ৰৰ সহায়ত কম মূলধনত শস্য চপাব আৰু ড্ৰাম চিদাৰৰ জৰিয়তে শস্য সিঁচিব পাৰে তাৰ বাবে কৃষক ৰাইজক আৰ্থিক সকাহ *ছয় পৃষ্ঠাত চাওক*

## নগাঁও চহৰৰ ধিং ৰোডৰ তীব্ৰ যান-জঁট ঃ জীয়াতু ভূগিছে ৰাইজে

**ট্ৰেভেল এজেন্সীৰ বিৰুদ্ধে ৰাজ্যিক পৰিবহণ বিভাগক অভিযোগ ৰাইজৰ**

বিশেষ সংবাদদাতা

**নগাঁও, ১৭ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ উত্তৰ-পশ্চিমাঞ্চলৰ ৰাইজৰ নগাঁও চহৰলৈ আহ-যাহৰ বাবে মুল দুৱাৰমুখ ধিং ৰোডৰ তীব্ৰ যান-জঁটে সৰ্বসাধাৰণ ৰাইজক দীৰ্ঘদিন ধৰি জ্বলা-কলা খুৱাই আহিছে। মুলতঃ ধিং গেটৰ উৰণীয়া সেতুৰ পশ্চিম দিশত অথবা শনি মন্দিৰৰ কাষত এখন অবৈধ গাড়ীৰ আস্থান থকাৰ বাবেই দিনৰ দিনটো তীব্ৰ যান-জঁটৰ সৃষ্টি হৈ আহিছে। কিয়নো ৰাস্তাৰ মূল পথৰ একপ্ৰকাৰ মাজত থকা উক্ত অবৈধ আস্থানটোত য'তে ত'তে গাড়ী ৰখাই যাত্ৰী উঠা-নমা কৰাৰ বাবেই সৰ্বসাধাৰণ ৰাইজ যান-জঁটৰ দৰে চৰম সমস্যাৰ সন্মুখীন হৈছে।



উল্লেখ্য যে ধিং ৰোডৰ কিছু নিলগত খ্ৰীষ্টজ্যোতি স্কুল, কলং ভেলী স্কুল, ডিউ কেয়াৰ *ছয় পৃষ্ঠাত চাওক*

## নিৰ্মাণ কামত ঠিকাদাৰ উপস্থিত থাকিব লাগিব ঃ মন্ত্ৰী হাজৰিকা

**ৰহমৰীয়া গৰাখহনীয়া ৰোধৰ কোটিটকীয়া তিনি আঁচনিৰ আধাৰশিলা**

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ১৭ ডিচেম্বৰ ঃ** লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত চাবুৱা ৰাজহ চক্ৰৰ বিশাল ভূমি বহ্মপুত্ৰই যুগে যুগে খহাই জন জীৱনৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা সমস্যাটো সমাধানৰ বাবে তিনিখন কোটিটকীয়া আঁচনিৰ কাম আৰম্ভ কৰিবলৈ আজি আধাৰশিলা স্থাপন কৰে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই। আধাৰশিলা অনুষ্ঠানত ভাষণ প্ৰদান কৰি হাজৰিকাই কয়, 'ঠিকাদাৰ কাম কৰিবলৈ আহিবই লাগিব। গুৱাহাটীত , ডিব্ৰুগড়ত বহি কোনো উপ-ঠিকাদাৰক দি কাম চলাব নোৱাৰিব।' ৰহমৰীয়া অঞ্চলৰ বৰতি লিটিং গাঁও, ৰহমৰীয়া গাঁও আৰু লকচনি গাঁৱৰ ক্ৰমে 07.00, 642.00 আৰু 07.20 কোটি টকাৰ আঁচনিৰ *ছয় পৃষ্ঠাত চাওক*

## মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাইৰ চেক প্ৰদানৰ নামত হাৰাশাস্তি গ্ৰাহকক

■ চেক নোপোৱাকৈয়ে খালী হাতে উভতিল অধিকাংশ গ্ৰাহক



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৭ ডিচেম্বৰ ঃ** বিগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি মহিলাসকললৈ মাইক্ৰ' ফাইনেন্সৰ ঋণ মাফৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। এই ঋণ মাফৰ নামত চৰকাৰে একাধিক আঁচনি ইতিমধ্যে হাতত লৈছে; কিন্তু চৰকাৰৰ এনে আঁচনিৰ অন্তৰ্গত প্ৰদান কৰা চেক প্ৰদানৰ নামত চৰকাৰ, প্ৰশাসন আনকি মাইক্ৰ' ফাইনেন্সসমূহে গ্ৰহণ কৰা নীতিয়ে এতিয়া জ্বলা-কলা খুৱাইছে মহিলাসকলক। আজি মৰিয়নি আৰু চেলেংহাট উন্নয়ন খণ্ডত সৃষ্টি হয় অবাঞ্চিত পৰিস্থিতিৰ। কোনো পৰিকল্পনা নোহোৱাৰ বাবেই আজি দুই সহস্ৰাধিক মহিলা হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ উপৰি অধিকাংশ মহিলাই চেক নোপোৱাকৈয়ে উভতি আহিবলগীয়া পৰিস্থিতিৰো উদ্ভৱ হয়। এই সন্দৰ্ভত একাংশ ভুক্তভোগী মহিলাই উল্লেখ কৰা মতে, বন্ধন বেংকৰ লগতে একাংশ মাইক্ৰ' ফাইনেন্সৰ হিতাধিকাৰীক আজি চেক প্ৰদান কৰিব বুলি জনাই তেওঁলোকক মাইক্ৰ' ফাইনেন্সৰ কাৰ্যালয়লৈ মাতে। *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ২ পুহ ১৪২৮ ভাস্কৰাব্দ ১৮ ডিচেম্বৰ ২০২১

# ভোটাৰক প্ৰলোভন?

অহা বছৰত দেশৰ সাতখন ৰাজ্যত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ইতিমধ্যে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া উত্তৰ প্ৰদেশ, পঞ্জাৱ, গুজৰাট, গোৱা, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ আৰু মণিপুৰত ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা আৰম্ভ কৰিছে। ৰাজনৈতিক দিশৰ পৰা এই নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ বিবেচিত হৈছে; কিয়নো উত্তৰ প্ৰদেশ, গুজৰাট, পঞ্জাৱৰ দৰে দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিকভাৱে প্ৰভাৱশালী ৰাজ্যত নিৰ্বাচন অনুষ্ঠিত হ'ব। শাসক-বিৰোধী উভয়ে সাত ৰাজ্যৰ নিৰ্বাচনক লৈ কঁকালত টঙালি বান্ধি সাজু হৈছে। বিজেপি, কংগ্ৰেছ, আঞ্চলিক দলসমূহৰ লগতে এইবাৰ সংশ্লিষ্ট ৰাজ্যকেইখনৰ নিৰ্বাচনক লৈ মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছ আৰু অৰবিন্দ কেজৰিৱালৰ আম আদমী পাৰ্টি (আপ)য়েও বিশেষ তৎপৰতা প্ৰদৰ্শন কৰিছে। গোৱা আৰু মণিপুৰত তৃণমূল কংগ্ৰেছে দলৰ ভেটি সবল কৰিবলৈ উঠি-পৰি লগাটো প্ৰত্যক্ষ হৈছে। একেদৰে আপেও পঞ্জাৱ, গোৱা, উত্তৰাখণ্ড আৰু গুজৰাটত সক্ৰিয় হৈ উঠিছে; কিন্তু সবাতোকৈ মন কৰিবলগীয়া কথাটো হৈছে, এই আটাইকেইখন ৰাজ্যতে আসন্ন বিধানসভাৰ নিৰ্বাচনত ভোটদাতা ৰাইজক আকৰ্ষিত কৰিবলৈ আটাইকেইটা শাসক-বিৰোধী দলে একে কৌশল অৱলম্বন কৰিছে। ভোটাৰৰ মন জয় কৰিবলৈ ৰাজনৈতিক দলে প্ৰয়োগ কৰা কৌশলটো হৈছে লোভনীয় উপহাৰ আঁচনি গ্ৰহণ আৰু ৰাজসাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি। উদাহৰণ স্বৰূপে তৃণমূল কংগ্ৰেছে চৰকাৰ গঠন কৰিলে সংশ্লিষ্ট ৰাজ্যত বিনামূলীয়া বিদ্যুৎ যোগান, মহিলাক মাহে ধন প্ৰদান, ৰেছন যোগান ইত্যাদিৰ প্ৰতিশ্ৰুতি দিছে। একেদৰে আপেও ইতিমধ্যে পঞ্জাৱ, গোৱা, উত্তৰাখণ্ড আদিত ঘোষণা কৰিছে যে দলটোৱে ক্ষমতা লাভ কৰিলে বিনামূলীয়া বিদ্যুৎ, ৰেছন, মহিলাক মাহে ধনৰ যোগান ধৰিব। ইফালে, কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধীয়েও উত্তৰ প্ৰদেশত দলে জয়লাভ কৰিলে মহিলাক মাহে ধন যোগান, চৰকাৰী চাকৰিত ৪০ শতাংশ পদ মহিলাৰ বাবে সংৰক্ষণ, বিনামূলীয়া ৰন্ধন গেছ, ৰেছন যোগান ইত্যাদিৰ প্ৰতিশ্ৰুতি দিছে। একেই ধৰণৰ প্ৰতিশ্ৰুতি ভোটাৰক সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱ, বহুজন সমাজ পাৰ্টিৰ মায়াৱতীয়েও দিয়াটো প্ৰত্যক্ষ হৈছে। বিৰোধী দলসমূহে এইদৰে নিৰ্বাচনত ধন, সামগ্ৰী আৰু সেৱা বিনামূল্যে প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়াৰ বিপৰীতে এই আটাইকেইখন ৰাজ্যতে শাসকীয় পক্ষই অন্তিম মুহূৰ্তত বিভিন্ন জনকল্যাণমূলক আঁচনি ৰূপায়ণত মনোনিৱেশ কৰিছে। কে'বাখনো ৰাজ্যত শাসক পক্ষই এতিয়া বিনামূলীয়া স্কুটী, স্মাৰ্টফোন, লেপটপ, ৰন্ধন গেছ ইত্যাদি বিতৰণত ব্যস্ত হৈছে।

এক কথাত ক'বলৈ হ'লে এতিয়া আমাৰ দেশত নিৰ্বাচন প্ৰকৃততে এক প্ৰলোভনত পৰিণত হৈছে। প্ৰতিটো ৰাজনৈতিক দলেই ৰাইজক আৰ্থ-সামাজিক বিকাশৰ পৰিৱৰ্তে কেৱল হিতাধিকাৰী সজাই বিভিন্ন জনকল্যাণকাৰী আঁচনি গ্ৰহণ, অযুক্তিকৰ ৰাজসাহায্য প্ৰদান, সমাগ্ৰী-ধন উপহাৰ প্ৰদানত অগ্ৰাধিকাৰ দিবলৈ ধৰিছে। ৰাইজেও অভাৱত পৰি এনেবোৰ সেৱা আৰু সামগ্ৰী বিনামূল্যে লাভৰ আশাত ৰাজনৈতিক দলক ভোটদান কৰিবলৈ বাধ্য হৈছে। আন্তঃগাঁথনিৰ বিকাশৰ পৰিৱৰ্তে এইদৰে জধে-মধে আঁচনি ৰূপায়ণ কৰাৰ পৰিণতিত দেশত প্ৰকৃত উন্নয়ন ব্যাহত হৈছে আৰু নাগৰিকসকল ক্ৰমে মানৱ সম্পদৰ পৰিৱৰ্তে সাধাৰণ হিতাধিকাৰীত পৰিণত হৈছে। সবাতোকৈ উদ্বেগজনক কথাটো হৈছে চৰকাৰে যিসমূহ জনকল্যাণমূলক বিনামূলীয়া আঁচনি গ্ৰহণ কৰিছে, এনে আঁচনিৰ সুবিধা প্ৰকৃত দৰিদ্ৰ নাগৰিকে ভোগ কৰিব পৰা নাই। অতি দৰিদ্ৰ কমেও ৩০ শতাংশ দেশৰ নাগৰিক আজিও চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। ফলত চৰকাৰে মাহে নগদ ধন, ৰন্ধন গেছ, বিদ্যুৎ আদি প্ৰদান কৰিলেও সৰহ সংখ্যক দৰিদ্ৰ লোক উপকৃত হোৱা নাই; কিন্তু চৰকাৰৰ ৰাজকোষৰ এক বৃহৎ অংশ এনেবোৰ দৰিদ্ৰ কল্যাণকাৰী আঁচনি ৰূপায়ণত ব্যয় কৰা হৈছে। দৰাচলতে ৰাজনৈতিক দল আৰু চৰকাৰৰ এনে অদূৰদৰ্শী কাৰ্যকলাপৰ ফলতে ভাৰত আদিও দৰিদ্ৰৰ ৰাষ্ট্ৰ হৈ থাকিব লগা হৈছে।

গণতান্ত্ৰিক ব্যৱস্থাত জনকল্যাণকাৰী আঁচনিৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি; কিন্তু এনেবোৰ আঁচনি বিজ্ঞানসন্মত আৰু ফলপ্ৰসূ হ'ব লাগিব। আঁচনি গ্ৰহণৰ লক্ষ্য হিতাধিকাৰী সৃষ্টি হোৱা অনুচিত, কিয়নো এনে হ'লে ই দেশৰ অৰ্থনীতিৰে সৰ্বাধিক ক্ষতি কৰিব। জধে-মধে ৰাজনৈতিক দলে বিনামূলীয়া সেৱা-সামগ্ৰী যোগানৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাত নিৰ্বাচনত ৰাজ্য বা দেশৰ মূল সমস্যাসমূহ গৌণ হৈ পৰিছে আৰু কোনো ৰাজনৈতিক দলে কেৱল প্ৰতিশ্ৰুতিৰে ক্ষমতা দখলৰ সুবিধা ভোগ কৰিছে। পৰিসংখ্যা অনুসৰি ভাৰতত বিগত সাত দশকত চৰকাৰে মুঠ ঘৰুৱা উৎপাদন (জিডিপি)ৰ মাত্ৰ পাঁচ শতাংশহে স্বাস্থ্য আৰু শিক্ষা খণ্ডত ব্যয় কৰি আহিছে। আন্তগাঁথনিৰ উন্নয়নত যদি চৰকাৰে গুৰুত্ব নিদিয়ে, তেন্তে দেশৰ আৰ্থ-সামাজিক বিকাশ সাধন হ'ব কেনেকৈ? ভোটাৰক প্ৰলোভিত কৰাৰ ৰাজনীতিৰ পৰিৱৰ্তে দেশৰ ৰাজনৈতিক দলসমূহে আন্তঃগাঁথনিৰ উন্নয়নৰে সকলো ৰাজ্যৰ প্ৰকৃত আৰু সম-বিকাশক অগ্ৰাধিকাৰ দিয়া উচিত।

## খোলা মঞ্চ

# অসমীয়াৰ বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি?



**কিৰণ চন্দ্ৰ দাস,** *লেখক*

**সম্প্ৰতি** বিজ্ঞান প্ৰযুক্তিৰ ধামখুমীয়াত পৰিৱেশ-পৰিস্থিতিয়ে অতীজৰে পৰা বিৰাজমান চলন-ফুৰণ, পিন্ধন-উৰণ, লাহ-বিলাহ জনগণৰ কৰ্মপদ্ধতি, জীৱন নিৰ্বাহ শৈলী সাংঘাতিকভাৱে সলনি হোৱা নাই বুলি মতামত সদৰী কৰিলে নিশ্চয় সমীচীন নহ'ব। তদানীন্তন সময়ত জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত কপাহৰ পৰা সূতা তৈয়াৰ কৰি গাঁৱে-ভূঞে শিপিনীসকলে তাঁতশালত কাপোৰ বই অসমৰ ৰাইজক স্বকীয় সাজপাৰ পিন্ধোৱা সেই সময় আৰু এতিয়া নাই। পূৰ্বে প্ৰতি গাঁৱৰ প্ৰত্যেক পৰিয়ালৰ তাঁতশালত সূতাৰ দীঘ-বাণিৰে অসমীয়া সৌন্দৰ্য অক্ষুণ্ণ ৰাখি কাপোৰ বোৱা শিপিনীসকল আজি আৰু নাই। যি কম সংখ্যকে পূৰ্বপুৰুষৰ অতীজৰ কৰ্ম-কৃষ্টি-সংস্কৃতি ৰাখিছে সিয়ো পৰ্যাপ্ত নহয়। বৰ্তমান বিজ্ঞান প্ৰযুক্তিৰ পাকচক্ৰত অসমীয়া শিপিনীসকলৰ হাতৰ পৰশত ঠন ধৰি উঠা অসমীয়াৰ স্বাভিমান বজাই ৰখা অসমীয়া বস্ত্ৰৰ অভাৱ পৰিলক্ষিত হৈছে। সূতা লেটাৰ লগতে তাঁতশালত ব্যৱহাৰ্য সামগ্ৰীবোৰৰ মূল্য পৰ্যাপ্ত পৰিমাণে বৰ্ধন হৈছে। যাৰ পৰিণতিত তাঁতশালত নিৰ্ভেজালভাৱে উৎপাদন কৰা বস্ত্ৰৰ উপযুক্ত মূল্য শিপিনীসকলে নোপোৱা হৈছে। যাৰ বাবে অসমীয়াৰ তাঁতশালত হোৱা উৎপাদন হ্ৰাস হ'বলৈ ধৰিছে। ভেজাল সূতাৰে উৎপাদিত সস্তীয়া বিভিন্ন ধৰণৰ বস্ত্ৰ প্ৰতিনিয়তে অসমৰ বাহিৰ ৰাজ্যৰ পৰা আমদানি হ'বলৈ ধৰিছে। এই আমদানিকৃত বস্ত্ৰ— ফুলাম গামোচা, চাদৰ-মেখেলা ইত্যাদি ইত্যাদি। অসমীয়া শিপিনীয়ে লেটাৰ পৰা সূতা কাটি সেই সূতাৰে শিপিনীসকলে তাঁতশালত এৰী কাপোৰ বই শীত কালত মানুহে ঠাণ্ডাৰ পৰা পৰিত্ৰাণ পাবলৈ 'পছৰা' হিচাপে ব্যৱহাৰ কৰিছিল আৰু হাট-বজাৰত বিক্ৰী কৰি মুনাফা আদায় কৰি অসমীয়া শিপিনীসকলে গৌৰৱ অৰ্জন কৰিছিল। কিন্তু সম্প্ৰতি এই এৰী কাপোৰ পছৰা গ্ৰামাঞ্চল বা দোকান-বজাৰত উপলব্ধৰ ক্ষেত্ৰত দুৰ্লভ হৈ পৰিছে। আনহাতে, ছাঁতে শুকোৱা মুঠিতে লুকুৱা বিশ্বৰ বজাৰত স্থান লাভ কৰা জকমকীয়া চালে চকুৰোৱা শুৱালকুছিৰ শিপিনীৰ তাঁতশালত উৎপাদিত পাট-মুগাৰ বুটা বছা আৰু গুণা লগোৱা মেখেলা-চাদৰ, ৰিহা, গামোচাৰ ব্যৱসায় বৰ্তমান অচল অৱস্থাত উপনীত হৈছে। কাৰণ কেঁচা সামগ্ৰীৰ যি জুই-ছাই দাম, উৎপাদনকাৰীয়ে কোনোপধ্যে লাভবান হোৱাৰ পৰা বিৰত হৈ উক্ত কৰ্ম-সংস্কৃতিৰ পৰা ফালৰি গৈ অনন্য কৰ্মলৈ স্থানান্তৰ হ'বলৈ ধৰিছে। তদুপৰি যি অলপ-অচৰপ উৎপাদন হৈ আছে তাৰো সঠিক ব্যৱহাৰ অসমীয়া মানুহে কৰিবলৈ এৰিছে। কাৰণ আধুনিকতাৰ সোঁতত যেন সকলোৱেই মিলি নিজৰ নিজস্ববোধবোৰ পাহৰিব ধৰিছে। আধুনিকতাৰ চমকত খোজ মিলাই আপোন সাজ-পোছাক পৰিহাৰ কৰি বিদেশৰ পৰা আমদানি হোৱা সস্তীয়া সাজ-পোছাক পৰিধান কৰিবলৈ লৈছে। সম্প্ৰতি সমাজখনত বিচৰণ কৰা নাৰী-পুৰুষ উভয়কে দৰ্শন কৰিলে পৰিলক্ষিত হয় যে মহিলাসকলেও তেওঁসৰৰ সাজপাৰ অৰ্থাৎ মেখেলা-চাদৰ পৰিহাৰ কৰি জিন্‌চৰ পেণ্ট, চুটি পেণ্ট, চুৰিদাৰ, পুৰুষে পৰিধান কৰা স্প'ৰ্টিং আদিবোৰ ব্যৱহাৰ কৰিবলৈ লৈছে। উক্ত সাজপাৰবোৰ হেনো অতি কম সময়ৰ ভিতৰতে পৰিধান কৰি সময় ৰাহি কৰাত উজু হয়।

# শোকসংবাদে সৃষ্টি কৰা তিনিটা জাতীয় বিপৰ্যয়

## ভাৰতীয় সেনাই ম্যানমাৰত ছাৰ্জিকেল ষ্ট্ৰাইক চলাইছিল ৰাৱাটৰ নেতৃত্বতে



নগালেণ্ডৰ এখন হেলিপেডৰ পৰা লেঃ জেঃ বিপিন ৰাৱাট উঠি যোৱা 'ছিটাহ' হেলিকপ্তাৰখন ওপৰলৈ উঠাৰ খন্তেক পাছতে ভূপতিত হৈছিল। কিন্তু ৰাৱাট সম্পূৰ্ণৰূপে সুস্থ অৱস্থাত দুৰ্ঘটনাগ্ৰস্ত হেলিকপ্টাৰৰ পৰা ওলাই আহিব পাৰিছিল। পাছত এই বিষয়ে টেলিকমিউনিকেছন বিশেষজ্ঞ লেঃ জেঃ জি এম ডাটাৰে তেওঁক সোধাত ৰাৱাটে হাঁহিমুখে উত্তৰ দিছিল— এটা ইঞ্জিনযুক্ত হ'লেও 'ছিটাহ' এখন বিশ্বাসযোগ্য হেলিকপ্টাৰ; দুৰ্ঘটনাৰ কাৰণটো বতৰৰ বিসংগতিহে আছিল আৰু মোৰ ইমান সৰু-সুৰা দুৰ্ঘটনাত মৃত্যু নঘটে, সেইটোও জানিব।

সেয়া আছিল ২০১৫ ৰ ঘটনা। ২০২১ৰ আঠ ডিচেম্বৰৰ ৰাতিপুৱাতে লেঃ জেঃ (এতিয়া অৱসৰপ্ৰাপ্ত)। ডাটাৰে যেতিয়া সৰ্বাধিনায়ক বিপিন ৰাৱাট, তেওঁৰ পত্নী মধুলিকা আৰু ৰাৱাটৰ ঘনিষ্ঠ বাৰজন বিষয়াক লৈ যোৱা দুটা ইঞ্জিনযুক্ত M217v5 হেলিকপ্টাৰখন নীলগিৰি পৰ্বতৰ ঘন অৰণ্যত দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ বাতৰিটো পালে, তেতিয়া মনে মনে আশা কৰিছিল, এইবাৰো ৰাৱাটক মৃত্যুৱে কাঢ়ি নিব নোৱাৰে; কিন্তু এই বেলি সেই সৌভাগ্য নঘটিল। আটাইকেইজন আৰোহীৰে মৃত্যু হ'ল।

প্ৰতিৰক্ষা বিভাগৰ তিনিওটা বাহিনীৰ প্ৰথম গৰাকী সৰ্বধিনায়ক আছিল জেনেৰেল বিপিন ৰাৱাট। প্ৰতিৰক্ষা বিভাগৰ আধুনিকীকৰণত তেওঁৰ প্ৰভূত অৱদান আছে। ক'বলৈ গ'লে, চৰকাৰে তিনিওটা বাহিনীৰ মাজত সমন্বয় ৰক্ষা কৰি সমৰনীতি ৰচনাত শেষ সিদ্ধান্ত ল'ব পৰাকৈ সৰ্বাধিনায়ক পদটোৰ সৃষ্টি কৰিছিল আৰু দক্ষতাৰ ভিত্তিত জেনেৰেল ৰাৱাটক সেই পদত নিযুক্তি দিছিল। তাৰ পূৰ্বে ২০১৬ৰ ডিচেম্বৰত দুজন জ্যেষ্ঠ লেঃ জেঃ প্ৰবীন বাক্সী আৰু পি এম হাৰিজক চেৰাই গৈ লেঃ জেঃ ৰাৱাটক ভাৰতৰ ২৭ সংখ্যক সেনা প্ৰধানৰূপে নিযুক্তি দিয়া হৈছিল।

এনে পদোন্নতিৰ আঁৰত আছিল ৰাৱাটৰ অসীম সাহস আৰু বীৰত্ব, বিচক্ষণ সমৰ কলা, দূৰদৰ্শিতা আৰু অসাধাৰণ অন্তৰ্দৃষ্টি। প্ৰধানমন্ত্ৰী মোদীয়ে জেনেৰেল ৰাৱাটক এগৰাকী নিপুণ সৈনিক আৰু ভাৰত মাতাৰ সুযোগ্য সন্তান বুলি অভিহিত কৰিছে। তেওঁৰ অকাল বিয়োগত ৰাষ্ট্ৰৰ অপূৰণীয় ক্ষতি হ'ল। প্ৰকাৰান্তৰে আমাৰ জাতীয় জীৱনত এই মৃত্যুৱে এটা আভ্যন্তৰীণ বিপৰ্যয়ৰ সৃষ্টি নকৰাকৈ থকা নাই। সেই কথা তেওঁৰ চাৰি দশকজোৰা কৰ্মজীৱনলৈ দৃষ্টিপাত কৰিলেই বোধগম্য হয়।


১৯৫৮ৰ ১১ মাৰ্চত উত্তৰাখণ্ডৰ তৌৰি গাঁৱত বিপিন ৰাৱাটৰ জন্ম হৈছিল; সামৰিক বিভাগত সেৱা ৰাৱাট পৰিয়ালৰ পৰম্পৰা। পিতৃ লক্ষ্মণ ৰাৱাটো লেঃ জেঃ পদত অধিষ্ঠিত হৈছিল। বিপিন ৰাৱাটে ডেৰাডুন আৰু চিমলাত শিক্ষাগ্ৰহণ কৰাৰ পাছত প্ৰথমে ৱেলিংটনৰ প্ৰতিৰক্ষা সেৱা কলেজত আৰু পাছলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ Fort Leavenworth Army command Collegeত অধ্যয়ন কৰে। তাৰ পাছতে ৰাৱাট ১১ গোৰ্খা ৰেজিমেণ্টৰ বেটেলিয়নত কৰ্ণেল হিচাপে নিযুক্ত হৈছিল।

ব্ৰিগেডিয়াৰলৈ পদোন্নতি পোৱাৰ পাছত ৰাৱাটে ৰাষ্ট্ৰীয় ৰাইফল বাহিনীৰ নেতৃত্ব গ্ৰহণ কৰে। আকৌ ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষা বাহিনীত তেওঁ 'মিছন কংগো' বাহিনীত আগবঢ়োৱা সেৱা আছিল চমকপ্ৰদ। মেজৰ জেনেৰেলৰূপে তেওঁ কাশ্মীৰৰ বিভিন্ন অঞ্চলত কে'বাটাও সন্ত্ৰাস বিৰোধী অভিযানৰ নেতৃত্ব লৈছিল। আকৌ ভাৰতীয় সেনাই ম্যানমাৰত ছাৰ্জিকেল ষ্ট্ৰাইক চলাইছিল তেওঁৰ নেতৃত্বতে। মুঠতে সীমাৰ সিপাৰৰ পৰা চলোৱা সন্ত্ৰাসবাদীৰ আক্ৰমণ প্ৰতিহত কৰাত জেনেৰেল ৰাৱাটৰ বিচক্ষণতা আছিল অতুলনীয়।

সেনা প্ৰধানৰূপে ২০১৬-১৯ৰ কালছোৱাত উগ্ৰবাদ দমন কৰিবলৈ তেওঁ শূন্য সহনশীলতা নীতি গ্ৰহণ কৰাই নহয়, থলুৱা লোকসকলক বিশ্বাসত লৈ সন্ত্ৰাসবাদীৰ ঘাটিত তৎকালীন আঘাত কৰাৰ কৌশলৰ ৰূপায়ণো কৰিছিল। ভাৰতীয় সেনাই বালাকোটৰ জইছ-ই-মহম্মদৰ সন্ত্ৰাসবাদীৰ ঘাটি সফলতাৰে ধ্বংস কৰাৰ আঁৰত আছিল জেনেৰেল ৰাৱাটৰ নিখুঁত পৰিকল্পনা। জেনেৰেল ৰাৱাটৰ তৃণমূল পৰ্যায়ৰ ভৌগোলিক পৰিস্থিতি তথা ৰাজনৈতিক সংঘাত আৰু সংকটৰ সঠিক মূল্যায়ন কৰাৰ স্বাভাৱিক ক্ষমতা আছিল বাবেই উত্তৰ-পশ্চিম সীমান্তত ভাৰতীয় সেনাই প্ৰতিপক্ষক উপযুক্ত প্ৰত্যুত্তৰ দিব পাৰিছিল।

সেনা প্ৰধান হৈ থাকোতেই জেনেৰেল ৰাৱাটে তিনিওটা বাহিনীৰ মাজত সু-সমন্বয়ৰ ভেটি নিৰ্মাণ কৰিছিল। আৰু চি ডি এছ ৰূপে বিগত দুটা বছৰত সেই ভেটি মজবুত কৰিবলৈ কঠোৰ অনুশীলন চলাইছিল। প্ৰতিৰক্ষা বিভাগত সংস্কাৰ সাধন আছিল তেওঁৰ প্ৰাথমিকতা। চীনৰ আগ্ৰাসী ভূমিকাৰ বিপৰীতে ভাৰতীয় সেনাৰ মনোবল বৃদ্ধিৰ উদ্দেশ্যৰে জেনেৰেল ৰাৱাটে অপূৰ্ব সমৰ কলা প্ৰদৰ্শনৰ শিক্ষা দিছিল। সেইবাবেই জেনেৰেল বিপিন ৰাৱাটৰ অকাল বিয়োগত সমগ্ৰ দেশবাসী মৰ্মাহত হৈ পৰিছে। চুবুৰীয়া দেশৰ স'তে চলি থকা সামৰিক সংঘাতৰ পৰিপ্ৰেক্ষিতত তেওঁ দেশবাসীৰ মনত 'সুৰক্ষিত আৰু গৌৰৱান্বিত হোৱাৰ ভাবনা' জগাই তুলিব পাৰিছিল।

জেনেৰেল বিপিন ৰাৱাটৰ দেশমাতৃৰ প্ৰতি আপোচবিহীন আনুগত্য, স্পষ্টবাদিতা আৰু সময়ত কঠোৰ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰৱণতাই কোনো কোনো সময়ত তেওঁক বিতৰ্কৰ মাজলৈ ঠেলি নিদিয়াকৈও থকা নাছিল। ২০১৭ত সন্ত্ৰাসবিৰোধী অভিযানত অহৰহ শিলগুটি বৰ্ষণৰ পৰা ৰক্ষা পাবলৈ মেজৰ লিটুল গগৈয়ে এজন লোকক মানৱ ঢাল হিচাপে



**অৱলোকন**

**ড° জয়কান্ত শৰ্মা**

ব্যৱহাৰ কৰিছিল; তাকে লৈ গগৈৰ বিৰুদ্ধে মানৱাধিকাৰ উলংঘনৰ অভিযোগ উঠাত জেনেৰেল ৰাৱাটে মেজৰ লিটুল গগৈৰ আত্মৰক্ষাৰ অধিকাৰক ন্যায্য বুলি দাবী কৰাই নহয়, সেনা বিষয়াগৰাকীক পাৰদৰ্শিতাৰ বিশেষ পদকো প্ৰদান কৰিছিল।

২০১৯ত দিল্লীত কা-বিৰোধী আন্দোলনৰ ৰাষ্ট্ৰবিৰোধী চৰিত্ৰৰ বিষয়ে মন্তব্য দিয়া বাবেও বিপিন ৰাৱাট কোনো কোনো মহলৰ সমালোচনাৰ পাত্ৰ হৈছিল। আকৌ চীন প্ৰজাতন্ত্ৰৰ ইৰান আৰু তুৰ্কীৰ দৰে সাম্প্ৰদায়িক শক্তিৰ স'তে ক্ৰমবৰ্ধমান সু-সম্পৰ্কৰ বিষয়ে তেওঁ মন্তব্য দিওঁতে 'দুটা সভ্যতাৰ সংঘাত' তত্ত্বৰ উল্লেখ কৰিছিল। অৱশ্যে পিছদিনাই বিদেশমন্ত্ৰী শিৱশংকৰে স্পষ্টীকৰণ দিছিল যে ভাৰত 'দুটা সভ্যতাৰ তত্ত্ব'ত বিশ্বাসী নহয়।

সি যিয়েই নহওক, বিপিন ৰাৱাটৰ মৃত্যুত ভাৰতীয় জনগণ এনেদৰে শোকস্তব্ধ হৈ পৰিল যে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এগৰাকী বিশ্বাসযোগ্য সুৰক্ষা দাতা অভিভাৱক হেৰুওৱাৰ ভাবনা প্ৰকাশ পালে। কোনো কোনোৱে অ'ত-ত'ত বিৰূপ মন্তব্য দিলেও প্ৰতিৰক্ষা বিভাগৰ তিনিওটা বাহিনীৰ সৰ্বাধিনায়কৰূপে তেওঁ অৰ্জন কৰা আস্থা আৰু বিশ্বাস অতুলনীয় আছিল বুলিয়েই পৰিগণিত হৈ থাকিব। আনকি কাশ্মীৰৰ কোনো কোনো মছজিদত শুকুৰবাৰৰ নামাজৰ অন্তত ৰাৱাটৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি দুই মিনিট মৌনতাৰে প্ৰাৰ্থনা জনোৱাৰ দৃশ্যও সামাজিক মাধ্যমত প্ৰচাৰিত হৈছে। সাধাৰণভাৱে ক'বলৈ গ'লে, এয়া যেন শোক-সংবাদে সৃষ্টি কৰা এটা জাতীয় বিপৰ্যয়।

তেনে ভাবনাৰ সৃষ্টি হৈছিল ১৯৬৬ৰ এঘাৰ জানুৱাৰীত প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ মৃত্যুৰ বাতৰি পোৱাৰ পাছতে। উল্লেখযোগ্য যে ১৯৬৫ত পাকিস্তানে একপক্ষীয়ভাৱে ভাৰতৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাত ভাৰতবৰ্ষ এটা জটিল সন্ধিক্ষণত উপনীত হৈছিল। এফালে দেশখন সামৰিক সংঘাতৰ বাবে প্ৰস্তুত নাছিল; আনহাতে, দেশত খাদ্যৰো অনাটন আছিল। এনে পৰিস্থিতিতে পাকিস্তানে কচ্ছৰ ৰাণ অঞ্চলত আক্ৰমণ তীব্ৰ কৰি তুলিছিল; কিন্তু প্ৰধানমন্ত্ৰী শাস্ত্ৰীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ কৌশল ৰচনা কৰাত এক মুহূৰ্তও বিলম্ব নকৰিলে।

ভাৰতীয় সেনাৰ মনোবল বঢ়াবলৈ তেওঁ সুৰক্ষা বাহিনীৰ প্ৰতি আস্থা আৰু বিশ্বাসৰ ভাবনা তৃণমূল পৰ্যায়লৈ সঞ্চাৰণ ঘটালে 'জয় জোৱান' ধ্বনিৰে; কৃষি উৎপাদন বৃদ্ধি কৰাৰ লক্ষ্যেৰে কৃষকক উদগনি দিবলৈ তেওঁ আহ্বান জনালে 'জয় কিষাণ'। অতি সোনকালে শাস্ত্ৰীৰ 'জয়

> **বিপিন ৰাৱাটৰ মৃত্যুত ভাৰতীয় জনগণ এনেদৰে শোকস্তব্ধ হৈ পৰিল যে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে এগৰাকী বিশ্বাসযোগ্য সুৰক্ষা দাতা অভিভাৱক হেৰুওৱাৰ ভাবনা প্ৰকাশ পালে**

জোৱান, জয় কিষাণ' ধ্বনিয়ে ভাৰতবাসীৰ মনত নৱ জাগৰণৰ সৃষ্টি কৰিলে। তেওঁৰ আহ্বানত ভাৰতবাসীয়ে ৰাতিৰ সাঁজৰ আহাৰত ৰুটি খাবলৈ ল'লে, যাতে চাউলৰ অভাৱৰ জোৱা মাৰিব পৰা যায়। শাস্ত্ৰীয়ে স্বদেশপ্ৰেমৰ বতৰা লৈ সমগ্ৰ দেশতে ভ্ৰমণ কৰিছিল। ইয়াৰ সু-পৰিণাম আছিল তাৎক্ষণিক।

ভাৰতীয় সেনাই পাকিস্তানক যোগ্য প্ৰত্যুত্তৰ দিবলৈ সক্ষম হ'ল। আমেৰিকা যুক্তৰাষ্ট্ৰই যোগান ধৰা পাকিস্তানৰ পেটন টেংকবোৰ যুদ্ধক্ষেত্ৰত গৰুগাড়ীৰ দৰে অ'ত-ত'ত পৰি থাকিল। ভাৰতীয় সেনাৰ অগ্ৰগতি লাহোৰ চহৰৰ সমীপলৈ সম্প্ৰসাৰিত হ'ল। এনে লজ্জাজনক পৰাজয়ৰ সন্মুখীন হৈ পাকিস্তান যুদ্ধবিৰতিৰ বাবে উদগ্ৰীৱ হৈ পৰিছিল। ভাৰতেও যুদ্ধ-বিৰতিত আপত্তি কৰা নাছিল; কিন্তু অধিকৃত বিশাল ভূমিখণ্ডৰ পৰা ভাৰতীয় সেনা প্ৰত্যাহাৰ নকৰিবলৈ সিদ্ধান্ত লৈছিল প্ৰধানমন্ত্ৰী শাস্ত্ৰীয়ে। শাস্ত্ৰীৰ এনে দৃঢ় স্থিতিয়ে বাৰুকৈয়ে বিপাঙত পেলাইছিল পাকিস্তানৰ সামৰিক শাসকক। অৱশেষত মধ্যস্থতা কৰিবলৈ আগবাঢ়ি আহিছিল ছোভিয়েট ৰাছিয়া। পিছে সেয়ে কাল হ'লগৈ ভাৰতৰ বাবে।

তাছখণ্ডত ভাৰত আৰু পাকিস্তানৰ মাজত শান্তি-চুক্তি স্বাক্ষৰিত হ'ল; চুক্তি অনুসৰি যুদ্ধবিৰতি চূড়ান্ত হোৱাৰ লগতে ভাৰতীয় সেনাক পাকিস্তানৰ অধিকৃত ভূমি ত্যাগ কৰিবলৈ কোৱা হ'ল। সম্ভৱতঃ এই মৈত্ৰী চুক্তি এটা বৃহৎ ষড়যন্ত্ৰৰ অংশবিশেষ আছিল; কাৰণ সেই নিশাতে প্ৰধানমন্ত্ৰী শাস্ত্ৰীক অকলশৰীয়া অৱস্থাত কোঠাত মৃত অৱস্থাত পোৱা গ'ল। প্ৰধানমন্ত্ৰীৰ দলত তাছখণ্ডলৈ যোৱা বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰে তেওঁৰ আত্মজীৱনীত লিখি থৈ গৈছে যে শাস্ত্ৰীক বিহ দি হত্যা কৰা হৈছিল বুলি তেওঁৰ দৃঢ় বিশ্বাস।

সি যিয়েই নহওক, লালবাহাদুৰ শাস্ত্ৰীৰ মৃত্যুৰ সংবাদেও ভাৰতত এক প্ৰকাৰৰ বিপৰ্যয়ৰ সৃষ্টি কৰিছিল। সহজ-সৰল অনাড়ম্বৰ জীৱন-যাপন কৰা প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতবাসীৰ মনত যি আস্থা আৰু বিশ্বাসৰ সৃষ্টি কৰিছিল, সেয়া যেন নিমিষতে চূড়মাৰ হৈ গৈছিল। পিছে তাৰ কিছুদিন পাছতে আন এক শোক সংবাদে আকৌ এবাৰ সৃষ্টি কৰিছিল জাতীয় বিপৰ্যয়ৰ ভাবনা। সেয়া আছিল ড° হোমী জাহাংগীৰ ভাবাৰ আকস্মিক মৃত্যু।

ড° ভাবাক ভাৰতৰ পাৰমাণৱিক শক্তি প্ৰকল্পৰ পিতৃস্বৰূপ বুলি কোৱা হয়। ১৯৪৫ত হিৰোছিমাৰ পাৰমাণৱিক বোমা বৰ্ষণৰ বহুবছৰ আগেয়ে তেওঁ পাৰমাণৱিক শক্তিৰ মাহাত্ম্য উপলব্ধি কৰিব পাৰিছিল। মন কৰিবলগীয়া যে স্বাধীনতা লাভৰ মাথোন সাত বছৰ পাছতে তেওঁৰ উদ্যোগত বোম্বাইত স্থাপিত হৈছিল এছিয়াৰ ভিতৰতে প্ৰথমটো পাৰমাণৱিক শক্তিৰ গৱেষণা প্ৰকল্প; কিন্তু ১৯৬৬ৰ ২৪ জানুৱাৰীত ভিয়েনা হৈ জেনেভালৈ যাওঁতে এটা বিমান দুৰ্ঘটনাত বিজ্ঞানী গৰাকীয়ে প্ৰাণ হেৰুৱায়।

ড° ভাবা আছিল প্ৰযুক্তি প্ৰয়োগত আগৰণুৱা আৰু মৌলিক গৱেষণাৰ অগ্ৰদূত। তেওঁৰ মৃত্যুতো দেশবাসীয়ে এক প্ৰকাৰৰ অসহায়তা অনুভৱ কৰিছিল।

ক'বলৈ গ'লে তিনিটা শোক সংবাদে স্বৰাজোত্তৰ ভাৰতত তিনিটা বিপৰ্যয়ৰ সৃষ্টি কৰি থৈ গৈছে, প্ৰকৃতাৰ্থত তিনিওটাই আছিল দেশৰ বাবে অপূৰণীয় ক্ষতি। বিপিন ৰাৱাট, লালবাহাদুৰ শাস্ত্ৰী আৰু ড° হোমী জাহাংগীৰ ভাবা তিনিওগৰাকীয়েই ভাৰতবাসীৰ মনত আছিল একো একোটা মূল্যৱান ৰত্ন, দেশমাতৃৰ অমূল্য সম্পদ।

*ফোন : ৯৪৩৫৫-৫৪২০৫*

# বিকাশৰ চক্ৰবেহুত অসম

## মুক্তিৰ উপায় আমাৰ হাততে আছে

**জ্যোতিষ চন্দ্ৰ দত্ত**

**শ্ৰীমদ্ভাগৱতত** ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰা মানুহবোৰ মহাভাগ্যৱান বুলি উল্লেখ কৰিছে। তথাপি এনেকুৱা এখন দেশৰ মমতা এৰি বহুতো শিক্ষিত, মেধা, প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে বিদেশত সংস্থাপিত হ'বলৈ ঢাপলি মেলিছে। ইয়াৰ আঁতিগুৰি বিচাৰিলে দেখা যায় যে ভাৰত চৰকাৰে এইসকল মেধা প্ৰতিভা সম্পন্ন যুৱক-যুৱতীক সংস্থাপন দিব পৰা নাই নাইবা ভাৰতবৰ্ষত ভাল শিক্ষানুষ্ঠান নাই য'ত তেওঁলোকৰ মনঃপূত শিক্ষা গ্ৰহণ কৰিব পাৰে। স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো ভাৰতবৰ্ষ অন্য উন্নয়নশীল দেশসমূহৰ তুলনাত অৰ্থনৈতিকভাৱে পিছপৰা। সম্পদশীল ভাৰত ৰাষ্ট্ৰ স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো স্বাৱলম্বী নোহোৱা আৰু অনুন্নত হৈ থকাৰ মূল কাৰণসমূহ কি? পুংখানুপুংখভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে বৰ্ণবৈষম্যতা, ধৰ্মীয় অন্ধবিশ্বাস, কুসংস্কাৰ, অদক্ষ প্ৰশাসন, দুৰ্নীতি, শোষণ, অজ্ঞতা, বিভাজন মনোভাৱ, অৰ্থনৈতিক ভাৰসাম্যহীনতা, কাৰিকৰী শিক্ষাৰ অভাৱ, উদ্যোগীকৰণৰ অভাৱ, কৃষি খণ্ডত গুৰুত্ব প্ৰদান নকৰা, শ্ৰমৰ মৰ্যাদাহীনতা, ঘৰুৱা উদ্যোগক অৱহেলা কৰা, সচেতনহীনতা, যাতায়াতৰ সুব্যৱস্থা নথকা আদিয়ে মূল কাৰণ বুলি চিহ্নিত কৰিব পাৰি। ইয়াৰ বাবে ঘাইকৈ জগৰীয়া কোন?

এই বিষয়ে পৰ্যালোচনা কৰিলে দেখা যায় যে পৰোক্ষভাৱে কম-বেছি পৰিমাণে ভাৰতবৰ্ষৰ প্ৰতিজন মানুহ জগৰীয়া যদিও প্ৰত্যক্ষভাৱে জগৰীয়া নিৰ্বাচিত চৰকাৰখন যাক প্ৰশাসন যন্ত্ৰ বুলি কোৱা হয়। নীতি-নিয়ম, আইন-কানুন প্ৰস্তুত কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰে এই চৰকাৰে। সমাজৰ আগশাৰীৰ বিদ্যাধৰ ব্যক্তিসকল যাক বুদ্ধিজীৱী বুলি কোৱা হয়, সেই সকলো কম জগৰীয়া নহয়। কাৰণ যি সময়ত ভাৰতবৰ্ষ স্বাধীন হৈছিল, সেই সময়ত ৯০ শতাংশ লোক নিৰক্ষৰ আছিল, কিন্তু অজ্ঞানী নাছিল। এই নিৰক্ষৰ লোকসকল পৰিশ্ৰমী, সহজ, সৰল আৰু শান্তিপ্ৰিয় আছিল। বুদ্ধিজীৱী আৰু ৰাজনৈতিক নেতাসকলে যি বাট দেখুৱাই দিছিল, সেই বাটেৰে গমন কৰিছিল। সেই সুযোগ গ্ৰহণ কৰি কিছুমান ৰাজনৈতিক নেতা আৰু সুযোগ সন্ধানী ব্যক্তিয়ে এই সহজ-সৰল মানুহখিনিক বছৰ বছৰ ধৰি শাসন আৰু শোষণ কৰি আহিছিল। উন্নয়নৰ দোহাই দি ৰাজভঁৰালৰ অধিকাংশ ধন নিজৰ কুক্ষিগত কৰিছিল। ফলস্বৰূপে স্বাধীনতাৰ ৭৫ বছৰৰ পাছতো শিক্ষা, স্বাস্থ্য, বাণিজ্য, যাতায়াত আদিত পিছপৰি থাকিল। আনকি খোৱাপানীৰ যোগান আজি পৰ্যন্ত হৈ নুঠিল। সত্ৰ, নামঘৰ, চৰণীয়া পথাৰ, চৰকাৰী ভূমি আদিত বিদেশীৰ ঘাটি বনালে।

শুদ্ধ নীতিয়ে এখন ৰাষ্ট্ৰক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব পাৰে। শুদ্ধ মনৰ ব্যক্তিয়েহে শুদ্ধ নীতি প্ৰণয়ন কৰিব পাৰে। স্বাধীনতাৰ পাছৰ পৰা উপযুক্ত ব্যক্তিক বঞ্চনা কৰি অদক্ষ, অনুপযুক্ত, ধনৱান ব্যক্তিক প্ৰাধান্য দি দেশৰ জনসাধাৰণৰ ত্ৰাণকৰ্তাৰ ক্ষমতা প্ৰদান কৰা হৈছে। ফলত নীতি-নিৰ্ধাৰণত আঁসোৱাহ থকাটো স্বাভাৱিক। নীতি নিৰ্ধাৰণত শাসক-বিৰোধী এক হৈ জনসাধাৰণৰ হিতৰ বাবে চিন্তা কৰি, ভেদাভেদ পাহৰি ৰাষ্ট্ৰৰ কল্যাণত এক মতত উপনীত হ'ব লাগে; কিন্তু বাস্তৱ ক্ষেত্ৰত ইয়াৰ বিপৰীত প্ৰতিচ্ছবি প্ৰতিফলিত হয়। ব্যক্তি স্বাৰ্থ, দলৰ স্বাৰ্থ, সংকীৰ্ণ মনোভাৱ, অৰ্থলিপ্সু আদিয়ে মূল কাৰক হিচাপে প্ৰতিধ্বনিত হয়। ইয়াৰ মাজতো কেতিয়াবা কেতিয়াবা কিছুমান মহান ব্যক্তিৰ মহত্ত্ব প্ৰকাশ পায়। এই মহীয়ান ব্যক্তিসকলৰ নেতৃত্বত ৰাজহুৱা উদ্যোগ, ৰাজহুৱা সম্পদ গঢ়ি উঠে; কিন্তু আন কিছুমান স্বাৰ্থান্বেষী, অৰ্থলিপ্সা ব্যক্তিৰ প্ৰৰোচনাত সোমাই এই ৰাজহুৱা উদ্যোগ, ৰাজহুৱা সম্পদ এপদ-দুপদকৈ বিক্ৰী কৰিবলৈ আৰম্ভ কৰে।

কংগ্ৰেছৰ শাসনৰ অৱসান ঘটাই, বিজেপি শাসনত বহিল। প্ৰয়াত অটল বিহাৰী বাজপেয়ী ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী হ'ল। বাজপেয়ীৰ নেতৃত্বত বহুতো নতুন আঁচনি প্ৰস্তুত কৰি, দৰিদ্ৰ নিৰ্মূলকৰণ, আয় বৃদ্ধি, ব্যয় সংকোচন, উদ্যোগীকৰণ, অপ্ৰয়োজনীয় উদ্যোগসমূহৰ অৱসান ঘটাই নতুন উৎপাদনক্ষম উদ্যোগ গঢ়ি তোলা আদি পদক্ষেপ গ্ৰহণ কৰিলে। ভাৰতবৰ্ষৰ উন্নয়ন আৰু বিকাশত হেঙাৰৰূপে থিয় দিয়া পৰিবহণ ব্যৱস্থা সুচল কৰিবৰ বাবে গাঁৱে-ভূঁঞে, চহৰে-নগৰে ৰাস্তা-ঘাট নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিলে। অৰ্থনৈতিক সংস্কাৰ সাধনৰ বাবে নানা ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিলে; কিন্তু ভাৰতবৰ্ষৰ জনসাধাৰণে তেওঁক চিনি নাপালে। আকৌ কংগ্ৰেছকে শাসনভাৰ প্ৰদান কৰিলে। কংগ্ৰেছৰ আভ্যন্তৰীণ কন্দল, বংশানুক্ৰমিক আধিপত্য, দুৰ্নীতি, স্বজন-প্ৰীতিয়ে মানুহক অতিষ্ঠ কৰি তুলিলে। পুনৰ বিজেপি চৰকাৰ শাসনৰ গাদীত বহিল। নৰেন্দ্ৰ মোদী ভাৰতৰ প্ৰধানমন্ত্ৰী হ'ল। আনন্দৰ জোৱাৰ উঠিল। ৰঙীন কল্পনা নিবনুৱাই সংস্থাপন পাব, ঘৰে ঘৰে উদ্যোগ গঢ়ি উঠিব, দুৰ্নীতি ৰোধ হ'ব, মানুহৰ মাটি-ভেটি সুৰক্ষিত হ'ব, মহিলাৰ সুৰক্ষা হ'ব, প্ৰতিঘৰ মানুহ আৰ্থিকভাৱে সবল হ'ব, বিদেশত সংস্থাপিত ভাৰতীয় প্ৰতিভাসম্পন্ন ব্যক্তিসকলক ওভতাই আনি ভাৰতবৰ্ষত উদ্যোগ স্থাপন কৰিব; কিন্তু কল্পনা, কল্পনা হৈয়ে থাকিল। এবছৰ, দুবছৰ কৰি সাত বছৰ অতিক্ৰম কৰিলে, কিন্তু একো পৰিৱৰ্তন নহ'ল। চাৰিওফালে কেৱল হা-হুমুনিয়াহ। থকাখিনিও উন্নয়ন আৰু বিকাশৰ চক্ৰবেহুত প্ৰৱেশ কৰাই বণিয়া গোষ্ঠীৰ পাশাখেলত বন্দী হৈ এপদ, দুপদ কৰি ৰাজহুৱা উদ্যোগ, ৰাজহুৱা সম্পদ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰি থাকিল।

নাই প্ৰতিবাদ, নিমাত নিস্তব্ধ। মুখৰ মাত বন্ধ হ'ল। কেৱল চাৰিওফালে উন্নয়নৰ আৰু বিকাশৰ ধ্বনিৰে আকাশ-বতাহ কঁপাই তুলিলে। টিভি, বাতৰি কাকত সকলোতে বিজ্ঞাপন। এইবোৰ দেখি-শুনি এনে ভাব হয় যে মোৰ বাহিৰে ভাৰতবৰ্ষৰ মানুহৰ মনত আনন্দই আনন্দ। দুখ-বেদনা একো নাই; কিন্তু বাস্তৱত ককা-আজোককাৰ দিনৰ পৈতৃক সম্পত্তিখিনিও বহিৰাগত বণিয়া গোষ্ঠীৰ হাতলৈ গ'ল। মালিক গৈ চাকৰ হ'ল। ধনী শ্ৰেণী ধনী হৈ গৈ থাকিল। অজলা, সহজ, সৰল, দুখীয়াখিনিক নিচুকনি বঁটা হিচাপে বিনামূলীয়া চাউল, বিনামূলীয়া ঘৰ, অৰুণোদয় আঁচনি আদি অনেক আঁচনিৰে প্ৰলোভিত কৰি নিজৰ হাঁতোৰাত সুমুৱাই মুখৰ মাত বন্ধ কৰিলে। মধ্যবিত্ত শ্ৰেণীটোৱে মূল্যবৃদ্ধি দানৱটোৰ উপদ্ৰৱত চকুৰে সৰিয়হ ফুল দেখা পালে।



তথাপি চেতনা নাই। দিনে দিনে নিবনুৱা বাঢ়ি গ'ল। ৰাজহুৱা উদ্যোগ গঢ়ি নিয়োগৰ ব্যৱস্থা কৰিব পৰা অনেক সমল আছে; কিন্তু ৰাজহুৱা উদ্যোগ গঢ়ি তুলিবলৈ ভয়।

অসম ভাৰতবৰ্ষৰ পূৰ্বদিশত অৱস্থিত প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ ৰাজ্য। এই ৰাজ্যখনৰ নিৰ্দিষ্ট ভূখণ্ড আছে, বিভিন্ন জাতি-জনজাতিৰে গঠিত সমাজ ব্যৱস্থাৰে পৰিপুষ্ট জনসংখ্যা আছে, এই জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ আছে মাত্ৰ সাৰ্বভৌম ক্ষমতা ভাৰত ৰাষ্ট্ৰৰ হাতত। ভাৰত চৰকাৰৰ নীতি-নিয়ম অসম চৰকাৰে মানিবলৈ বাধ্য। অসমৰ এক বুজন পৰিমাণৰ সাংসদ ৰাজ্যসভা আৰু লোকসভাত আছে। এইসকল সাংসদে অসমৰ উন্নয়ন স্থবিৰ হ'ব পৰা বিষয় আৰু অসমৰ অখণ্ডতা ৰক্ষা কৰাৰ স্বাৰ্থত অসমৰ ভাষা-সংস্কৃতিত আঘাত হানিব পৰা বিষয়ত দলৰ মতাদৰ্শ, ভেদাভেদ পাহৰি অসমৰ মংগলৰ স্বাৰ্থত ঐক্যবদ্ধভাৱে সজোৰে দাবী উত্থাপন কৰিব লাগে; কিন্তু বাস্তৱ ক্ষেত্ৰত তেনেকুৱা কৰা পৰিলক্ষিত নহয়। ফলত দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি অসমৰ সম্পদসমূহ বহিৰাগত বণিয়া গোষ্ঠীক হস্তান্তৰ কৰিবলৈ সুবিধা কৰি লয়। সময় থাকোতে সমস্যাৰ পৰা শিক্ষা গ্ৰহণ নকৰি পুনৰাবৃত্তি কৰিলে তাৰ বিষময় ফল সকলোৱে ভোগ কৰিব লাগিব।

অসম চৰকাৰৰ অধীনৰ নিগম-নিকায়সমূহ অসম চৰকাৰে ৰাজহ আয়ৰ উৎস হিচাপে গঢ়ি তোলা পৰিলক্ষিত হোৱা নাই। কৃষি খণ্ডত নতুন কৃষি উদ্যোগৰ স্থাপনৰ ব্যৱস্থা কৰি দক্ষ আৰু কাৰিকৰী জ্ঞানসম্পন্ন ব্যক্তিক মকৰলৰ ব্যৱস্থা কৰিব লাগে। কৰ'না কালত নতুন প্ৰজন্মৰ শিক্ষিত যুৱক-যুৱতী কৃষি খণ্ডৰ প্ৰতি মন আকৃষ্ট হৈছে। ইয়াৰ সুযোগ গ্ৰহণ কৰি অসমীয়া যুৱক-যুৱতীক কৃষি খণ্ডত অধিক নিয়োগৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মৎস্য পালন, পশুপালন, কৃষিপাম আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আধুনিক পদ্ধতিৰে উৎপাদন বঢ়াবলৈ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

অসমৰ স্বাৰ্থত, অসমৰ জনগণৰ মংগলৰ বাবে জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে ভেদাভেদ পাহৰি নিজৰ কথা চিন্তা কৰি, ভৱিষ্যৎ প্ৰজন্মৰ মংগলৰ বাবে এই চৰকাৰে কৃষি খণ্ডত যিবোৰ আঁচনি ঘোষণা কৰিছে, সেই সকলোবোৰ আঁচনি সঠিক ৰূপত ৰূপায়ণ কৰিবলৈ আহ্বান জনালো। কৃষি খণ্ডৰ উন্নতিয়েই ৰাইজৰ উন্নতি। বহিৰাগত বণিয়া গোষ্ঠীক মাটি হস্তান্তৰ কৰিবলৈ সুযোগ নিদিব, গোঁজেই গজালি হ'ব।

*ফোন : ৯৮৫৪০-৪১৮১৫*

## মিছ ইণ্ডিয়াসহ ১৭ সুন্দৰী কৰ'না আক্ৰান্ত, স্থগিত মিছ ৱৰ্ল্ড প্ৰতিযোগিতা



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ** মিছ ৱৰ্ল্ড ২০২১ প্ৰতিযোগিতাৰ গ্ৰেণ্ড ফিনালে ক'ভিড সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত স্থগিত ঘোষণা কৰা হ'ল। এই প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰা মানছা বাৰানসীসহ ১৭ গৰাকী প্ৰতিযোগী ক'ভিড-১৯ত আক্ৰান্ত হোৱাত আয়োজকে মিছ ৱৰ্ল্ড ২০২১ প্ৰতিযোগিতা স্থগিত ৰাখিবলৈ বাধ্য হয়। সম্প্ৰতি আটাইকেইগৰাকী কৰ'না আক্ৰান্ত প্ৰতিযোগীক প'ৰ্ট' ৰিক'ত নিভৃতবাসত ৰখা হৈছে। দৰাচলতে প'ৰ্ট' ৰিক'ত এই প্ৰতিযোগিতা আজি ভাৰতীয় সময় অনুসৰি পুৱা ৪-৩০ বজাত অনুষ্ঠিত হোৱাৰ কথা আছিল। ১৭ প্ৰতিযোগী ক'ভিড আক্ৰান্ত হোৱাত আয়োজকে প্ৰতিযোগিতা স্থগিত ৰাখিবলৈ সিদ্ধান্ত লয় আৰু ৯০ দিনৰ ভিতৰত মিছ ৱৰ্ল্ড প'ৰ্ট' ৰিক'ত পুনৰ অনুষ্ঠিত কৰা হ'ব।

## কীমৰ নতুন নিৰ্দেশ ঃ ১১ দিনলৈকে হাঁহি বন্ধ উত্তৰ কোৰিয়াত, গান শুনাৰ অপৰাধত সাতজনক মৃত্যুদণ্ড




নিউজ ব্যুৰ', পিয়ংইয়ং, ১৭ ডিচেম্বৰ ঃ উত্তৰ কোৰিয়াৰ নাগৰিকসকলে ১১ দিনলৈকে হাঁহি, সুৰাপান কৰিব আৰু বজাৰ-সমাৰ কৰিব নোৱাৰিব। এই কঠোৰ নিৰ্দেশ জাৰি কৰিলে দেশখনৰ কমিউনিষ্ট শাসক কীম জং উনে। নিজৰ পিতৃ কীম জং-ইলৰ ১০ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে কীমে এই নিৰ্দেশনা জাৰি কৰিলে। আজিৰে পৰা অহা ১১ দিনলৈকে উত্তৰ কোৰিয়াত ৰাষ্ট্ৰীয় শোক অব্যাহত থাকিব। ইফালে, দক্ষিণ কোৰিয়াৰ জনপ্ৰিয় পপ সংগীত 'কে পপ' শুনাৰ অপৰাধত উত্তৰ কোৰিয়াৰ সাতজন লোকক প্ৰকাশ্যে মৃত্যুদণ্ড বিহাৰ অভিযোগো কীমৰ বিৰুদ্ধে উত্থাপিত হ'ল। এটা আন্তৰ্জাতিক মানৱাধিকাৰ সংগঠনে এখন প্ৰতিবেদনত দাবী কৰা অনুসৰি, 'কে পপ' শুনা আৰু আনৰ স'তে 'শ্বেয়াৰ' কৰাৰ অপৰাধত কীমে ২০১২ৰ পৰা ২০১৪ৰ ভিতৰত কমেও সাতজন লোকক মৃত্যুদণ্ড বিহিছিল। ইয়াৰে ছজন লোকক মৃত্যুদণ্ড বিহা হৈছিল হেছান প্ৰদেশত। উল্লেখ্য যে উত্তৰ কোৰিয়াত দক্ষিণ কোৰিয়াৰ সংগীত, চলচ্চিত্ৰ ইত্যাদি নিষিদ্ধ।

## মোদীলৈ ভূটানৰ সৰ্বোচ্চ অসামৰিক সন্মান



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ** ভূটান চৰকাৰে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভূটানৰ সৰ্বোচ্চ অসামৰিক সন্মান নগদগ পেল জী খোৰলে বঁটা প্ৰদানৰ কথা ঘোষণা কৰিলে। ভূটানৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, বিগত কেইবছৰত প্ৰধানমন্ত্ৰী মোদীয়ে ভূটানৰ স'তে নিঃচৰ্ত বন্ধুত্ব ৰক্ষা কৰাৰ লগতে কৰ'না অতিমাৰীৰ সময়ত দেশখনক যথেষ্ট সহায় কৰিছিল। ভাৰত আৰু ভূটানৰ মাজত গুৰুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে লোৱা ভূমিকাক স্বীকৃতি দিয়াৰ উদ্দেশ্যৰে ভূটানে দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰ প্ৰধানমন্ত্ৰীক প্ৰদানৰ সিদ্ধান্ত ল'লে।

## দিল্লীত ১০ বছৰতকৈ পুৰণি ডিজেল বাহনৰ পঞ্জীয়ন হ'ব বাতিল



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ** পহিলা জানুৱাৰী ২০২২ৰ পৰা দিল্লীত ১০ বছৰ পুৰণি সকলো ডিজেলচালিত যানবাহনৰ পঞ্জীয়ন বাতিল কৰা হ'ব। অৱশ্যে এনে বাহনৰ ক্ষেত্ৰত পৰিবহণ বিভাগে এন অ' চি জাৰি কৰিব যাতে আন ৰাজ্যত বাহনৰ পুনৰ পঞ্জীয়ন কৰাব পাৰে। দিল্লী পৰিবহণ বিভাগে এই কথা প্ৰকাশ কৰি লগতে কয় যে ১৫ বছৰ বা ততোধিক পুৰণি ডিজেলচালিত বাহনৰ ক্ষেত্ৰত কোনো এন অ' চি প্ৰদান কৰা নহ'ব। দিল্লীক প্ৰদূষণমুক্ত কৰাৰ লক্ষ্যৰে পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

### ইউক্ৰেইন সীমান্তত বাহৰ পাতি আছে ৰাছিয়াৰ এক লাখ অত্যাধুনিক যুদ্ধাস্ত্ৰধাৰী সৈনিকে ঃ যুদ্ধলৈ সাজু ইউক্ৰেইন

# ইউৰোপত তৃতীয় বিশ্বযুদ্ধৰ শংকা ঃ দায়ী পুটিনৰ ইউক্ৰেইন বিৰোধী স্থিতি



**নিউজ ব্যুৰ' ম'স্কো, ১৭ ডিচেম্বৰ ঃ** ৰাছিয়াৰ এক লাখৰো অধিক অত্যাধুনিক যুদ্ধাস্ত্ৰধাৰী সৈনিকে সম্প্ৰতি ইউক্ৰেইন সীমান্তত বাহৰ পাতি আছে। ইউক্ৰেইন আৰু ৰাছিয়াৰ মাজত যুদ্ধসদৃশ পৰিস্থিতি অব্যাহত আছে। সীমান্তত এনে উত্তেজনাময় পৰিস্থিতি বাহাল থকাৰ সময়তে ইউক্ৰেইনৰ এজন মন্ত্ৰীয়ে আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয় যে যদিহে ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰে, তেতিয়া তৃতীয় বিশ্বযুদ্ধ আৰম্ভ হ'ব পাৰে। তদুপৰি আমেৰিকাৰ চোৰাংচোৱা সংস্থাই লাভ কৰা তথ্য অনুসৰি, অহা জানুৱাৰীত ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ চলোৱাৰ গোপন পৰিকল্পনা যুগুত কৰিছে। ইউক্ৰেইন সীমান্তত ৰুছ সৈনিকৰ সংখ্যা লক্ষাধিকলৈ বৃদ্ধি কৰাৰ সন্দৰ্ভত ইউক্ৰেইনৰ লগতে আমেৰিকা আৰু ইউৰোপৰ দেশে বিৰোধিতা কৰিলেও ৰাছিয়াই ইয়াৰ উত্তৰ দি কৈছে যে নিজ দেশৰ যিকোনো অঞ্চলত সেনা নিয়োগ কৰিবলৈ ৰাছিয়া স্বতন্ত্ৰ দেশ আৰু বিশ্বৰ কোনো দেশে ইয়াৰ বিৰোধিতা কৰাৰ যুক্তি নাই। 'স্কাই নিউজ'ৰ স'তে হোৱা সাক্ষাৎকাৰত ইউক্ৰেইনৰ প্ৰাক্তন সেনা মন্ত্ৰণালয়ৰ মন্ত্ৰী যুলিয়া লাপুটিনাই কয় যে যদিহে ৰাছিয়াই আক্ৰমণ কৰে তেন্তে তেওঁৰ দেশে নিজক ৰক্ষা কৰিবলৈ সাজু আছে। লাপুটিনাই লগতে কয় যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে সামৰিক অভিযানৰ নিৰ্দেশ দিলে ইয়াৰ ভয়ংকৰ পৰিণতি উভয় দেশে ভুগিব লাগিব। 'যদি ৰাছিয়াই আমাৰ দেশক আক্ৰমণ চলায় তেন্তে আমি বলকান দেশসমূহে প্ৰত্যুত্তৰ দিবলৈ সাজু আছো। ছাৰ্বিয়াত ৰাছিয়াই কি কৰিছে? ৰাছিয়াই বলকান সমস্যাৰ প্ৰসংগত উচটনি যোগাই আহিছে। দ্বিতীয় বিশ্বযুদ্ধও এনে পৰিস্থিতিত আৰম্ভ হৈছিল আৰু সেয়েহে আমি বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি তৃতীয় বিশ্বযুদ্ধৰ বাবে সাজু থকা উচিত।' লাপুটিনাই এইদৰে কয়।

শেহতীয়াভাৱে প্ৰকাশিত এক প্ৰতিবেদনত দাবী কৰা অনুসৰি, ইউক্ৰেইন সীমান্তত বৃহৎ পৰিমাণৰ অত্যাধুনিক যুদ্ধাস্ত্ৰসহ কমেও ৯০,০০০ ৰুছ সৈনিকে সম্প্ৰতি বাহৰ পাতি আছে। 'দ্য মিৰৰ'ৰ বাতৰি অনুসৰি, অহা বছৰৰ আৰম্ভণিতে ৰাছিয়াই ইউক্ৰেইন সীমান্তত ১,৭৫,০০০ লৈ সৈনিকৰ সংখ্যা বৃদ্ধি কৰাৰ সম্ভাৱনা আছে। ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰিবলৈকে এইদৰে সীমান্তত সৈনিক নিয়োগ কৰিছে বুলি ইউক্ৰেইনে দাবী কৰি আহিছে। উল্লেখ্য যে ১৯৯১ত ছোভিয়েট ইউনিয়নৰ পতনৰ পাছত ইউক্ৰেইনে স্বাধীনতা লাভ কৰিছিল যদিও ৰাছিয়াই ইউক্ৰেইনক পুনৰ দখল কৰাৰ ভাবুকি দি আহিছে। ২০১৪ত ৰাছিয়াই ইউক্ৰেইনৰ ক্ৰিমিয়া উপদ্বীপ দখল কৰিছিল। ইয়াৰ পাছৰে পৰা ইউক্ৰেইন-ৰাছিয়াৰ সংঘাত অব্যাহত আছে। শেহতীয়াভাৱে ৰুছ ৰাষ্ট্ৰপতি পুটিনে ইউক্ৰেইনক সঘনে আক্ৰমণৰ ভাবুকি দি আহিছে। অৱশ্যে আমেৰিকাই স্পষ্টভাৱে কৈছে যে ৰাছিয়াই ইউক্ৰেইন দখলৰ উদ্দেশ্যৰে আক্ৰমণ চলালে নাটোৰ সদস্য ৰাষ্ট্ৰ হিচাপে ইউক্ৰেইনক আমেৰিকাই প্ৰয়োজনীয় সামৰিক সহযোগিতা আগবঢ়াবলৈ প্ৰস্তুত আছে।



## ই-শ্ৰম কাৰ্ডধাৰক ২.৫ কোটি শ্ৰমিকে লাভ কৰিব মাহে ৫০০ টকা

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ** যদি আপুনি অসংগঠিত খণ্ডৰ শ্ৰমিক আৰু আপোনাৰ ই-শ্ৰম কাৰ্ড আছে আৰু আপুনি উত্তৰ প্ৰদেশৰ বাসিন্দা তেন্তে আপোনাৰ বাবে সুখবৰ। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ৰাজ্যখনৰ অসংগঠিত খণ্ডৰ স'তে জড়িত প্ৰায় আঢ়ৈ কোটিৰো অধিক শ্ৰমিক আৰু ৬০ লাখ পঞ্জীকৃত শ্ৰমিকক চলিত ডিচেম্বৰৰ পৰা অহা মাৰ্চলৈকে প্ৰতি মাহে ৫০০ টকা প্ৰদানৰ সিদ্ধান্ত লৈছে। তথ্য অনুসৰি ই-শ্ৰম প'ৰ্টেলত বৰ্তমানলৈকে উত্তৰ প্ৰদেশত ২৫৬৯১০৮৪ জন শ্ৰমিকে নাম পঞ্জীয়ন কৰিছে আৰু যোগীৰ ঘোষণাৰ পাছত এইসকল শ্ৰমিকে অহা মাৰ্চলৈকে ৫০০ টকা নিজৰ বেংক একাউণ্টত জমা লাভ কৰিব।

## পেগাছাছ কাণ্ডৰ তদন্তত মমতাই গঢ়া আয়োগত স্থগিতাদেশ জাৰি ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ** বহুচৰ্চিত পেগাছাছ কেলেংকাৰিৰ কাণ্ডৰ তদন্তৰ বাবে পশ্চিমবংগ চৰকাৰে নিজাববীয়াকৈ আয়োগ গঠন কৰাৰ সিদ্ধান্তত স্থগিতাদেশ জাৰি কৰিলে উচ্চতম ন্যায়ালয়ে। যোৱা জুলাইত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ইজৰাইলী স্পাইৱেৰ পেগাছাছৰ সহায়ত ফোনৰ পৰা তথ্য আহৰণৰ অভিযোগৰ সন্দৰ্ভত তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ মদন লুকুৰ নেতৃত্বত দুজনীয়া সদস্যৰ এখন তদন্ত আয়োগ গঠন কৰিছিল। যোৱা অক্টোবৰত পেগাছাছ কাণ্ডৰ তদন্তৰ বাবে উচ্চতম ন্যায়ালয়ে বিশেষ তদন্তকাৰী দল (ছিট) গঠন কৰি দিছিল। এনে পৰিস্থিতিত পশ্চিমবংগ চৰকাৰে পৃথক তদন্ত আয়োগ পেগাছাছ প্ৰসংগত গঠন কৰাৰ প্ৰয়োজন নাই বুলি মন্তব্য কৰি আজি সৰ্বোচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাৰ বিচাৰপীঠে মমতাই গঠন কৰা আয়োগত স্থগিতাদেশ জাৰি কৰে।

## মুখ্যমন্ত্ৰী যোগীৰ জনপ্ৰিয়তা হ্ৰাস, এ বি পি নিউজ-চি ভোটাৰৰ সমীক্ষা



নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৭ ডিচেম্বৰ ঃ উত্তৰ প্ৰদেশ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ পূৰ্বে এ বি পি নিউজ-চি ভোটাৰৰ সমীক্ষাৰ তথ্য অনুসৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ জনপ্ৰিয়তা ৰাইজৰ মাজত হ্ৰাস পাইছে। সমীক্ষাত লাভ কৰা তথ্য মতে, উত্তৰ প্ৰদেশৰ ৰাইজে দ্বিতীয়বাৰৰ বাবে যোগীক মুখ্যমন্ত্ৰী হিচাপে বিচাৰিছে যদিও তেওঁৰ জনপ্ৰিয়তা পূৰ্বতকৈ অৱনমিত হৈছে। ইয়াৰ বিপৰীতে ৰাজ্যখনত বিগত এসপ্তাহত সমাজবাদী পাৰ্টিৰ মুৰব্বী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী অখিলেশ যাদৱৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। এ বি পি নিউজ-চি ভোটাৰে ১৫ ডিচেম্বৰত চলোৱা সমীক্ষাত অংশ লোৱা ৪২ শতাংশ লোকে ৰাজ্যৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে যোগীক বিচাৰে। ইয়াৰ পূৰ্বে যোৱা ছয় ডিচেম্বৰত চলোৱা আনটো সমীক্ষাত ৪৪ শতাংশ লোকে যোগীক মুখ্যমন্ত্ৰী হিচাপে বিচাৰিছিল। সমীক্ষাত ৩৪ শতাংশ লোকে অখিলেশক মুখ্যমন্ত্ৰী হিচাপে বিচাৰে। ইয়াৰ পূৰ্বৰ সমীক্ষাত ৩১ শতাংশ লোকে অখিলেশক মুখ্যমন্ত্ৰী হিচাপে বিচাৰিছিল।

## নৱেম্বৰলৈকে ইছলামিক ষ্টেটত আছিল ৬৬ ভাৰতীয় মূলৰ জেহাদী ঃ সন্ত্ৰাসবাদ সন্দৰ্ভত প্ৰতিবেদনত দাবী আমেৰিকাৰ




**নিউজ ব্যুৰ' নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ** সন্ত্ৰাসবাদ সন্দৰ্ভত এক প্ৰতিবেদনত আমেৰিকাই দাবী কৰা অনুসৰি, ইছলামিক ষ্টেট (আইছিছ)ত জড়িত হোৱা জেহাদীসকলৰ মাজত ৬৬ জন ভাৰতীয়মূলক লোক আছিল। এই প্ৰতিবেদনত আমেৰিকাই সন্ত্ৰাস বিৰোধী যুঁজত ভাৰতৰ ভূমিকাক প্ৰশংসা কৰিছে। প্ৰতিবেদনত প্ৰকাশ পোৱা মতে, যোৱা নৱেম্বৰলৈকে আইছিছত ৬৬ জন ভাৰতীয় মূলৰ জেহাদী জড়িত হৈ আছিল। একেখন প্ৰতিবেদনতে কোৱা হৈছে যে ভাৰতৰ ৰাষ্ট্ৰীয় তদন্ত সংস্থা (এন আই এ)ই আইছিছৰ স'তে জড়িত ৩৪ টা সন্ত্ৰাসবাদৰ ঘটনাৰ তদন্ত চলাইছিল আৰু ছেপ্টেম্বৰলৈকে কেৰালা আৰু পশ্চিমবংগৰ পৰা অলকায়দাৰ ১০ সদস্যসহ ১৬০ জন লোকক গ্ৰেপ্তাৰ কৰিছিল। ভাৰতে সন্ত্ৰাসবাদ বিষয়ক তদন্তৰ তথ্যপাতি আমেৰিকাক সময়ে সময়ে বিচৰা অনুসৰি যোগান ধৰি আহিছে বুলিও একেখন প্ৰতিবেদনত ৱাশ্বিংটনে উল্লেখ কৰিছে।

## ধৰ্ষণ প্ৰসংগত বিতৰ্কিত মন্তব্য কংগ্ৰেছ নেতাৰ, তীব্ৰ বিৰোধিতা স্মৃতি-জয়াৰ



**নিউজ ব্যুৰ', বাংগালুৰু, ১৭ ডিচেম্বৰ ঃ** ধৰ্ষণ সন্দৰ্ভত বিতৰ্কিত মন্তব্য প্ৰকাশ কৰি বিৰোধীৰ গৰিহণাৰ পাত্ৰ হ'ল কৰ্ণাটকৰ কংগ্ৰেছৰ বিধায়ক কে আৰ ৰমেশ কুমাৰ। কালি কৰ্ণাটক বিধানসভাত বিধায়ক কুমাৰে ধৰ্ষণৰ প্ৰসংগত মন্তব্য কৰি কৈছিল যে যেতিয়া ধৰ্ষণ প্ৰতিৰোধ কৰিব পৰা নাযায়, তেতিয়া ইয়াৰ আনন্দ লোৱা উচিত। কংগ্ৰেছ বিধায়কে নাৰী ধৰ্ষণৰ দৰে গুৰুতৰ অপৰাধৰ সন্দৰ্ভত এনে অপমানজনক মন্তব্য প্ৰকাশ কৰাত আজি বিষয়টো লোকসভাত উত্থাপন কৰিলে কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী স্মৃতি ইৰানীয়ে। ইৰানীয়ে কয় যে বিৰোধীৰ এই নেতাজনক এনে মন্তব্যৰ বাবে জবাবদিহি কৰা উচিত। কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গেও বিধায়ক ৰমেশৰ এই মন্তব্যক ভুল আখ্যা দিয়ে। ইফালে, সমাজবাদী পাৰ্টিৰ নেত্ৰী জয়া বচ্চনেও কংগ্ৰেছ বিধায়কজনৰ মন্তব্যক কঠোৰভাৱে সমালোচনা কৰে। বিতৰ্কৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছৰ বিধায়কজনে ইতিমধ্যে তেওঁৰ মন্তব্যৰ বাবে ক্ষমা বিচাৰিছে যদিও বিৰোধীয়ে তেওঁৰ বিৰুদ্ধে কংগ্ৰেছে ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি দাবী জনাইছে।

## জাপানত বিধ্বংসী অগ্নিকাণ্ডত ভস্মীভূত হ'ল ক্লিনিক, নিহত কমেও ২৭



নিউজ ব্যুৰ', ওছাকা, ১৭ ডিচেম্বৰ ঃ কাৰ্যালয়ৰ ভৱনতে বিধ্বংসী অগ্নিকাণ্ডত ভস্মীভূত হ'ল কমেও ২৭ জন লোক। এই মৰ্মান্তিক ঘটনা সংঘটিত হ'ল জাপানৰ ওছাকাত। নমহলীয়া এটা অট্টালিকাত হঠাতে সংঘটিত হোৱা এই অগ্নিকাণ্ড নিয়ন্ত্ৰণ কৰিবলৈ কমেও ৭০খন অগ্নিনিৰ্বাপক বাহন ব্যৱহাৰ কৰা হৈছে। শুকুৰবাৰে দুপৰীয়ালৈকে অট্টালিকাটোৰ পৰা অগ্নিদগ্ধ হৈ মৃত্যু হোৱা ২৭ জন লোকৰ দেহ উদ্ধাৰ কৰা হৈছে। স্থানীয় সময় অনুসৰি, পুৱা ১০ বাজি ১৮ মিনিটত ওছাকাৰ কৰ্মব্যস্ত অঞ্চল কিটাচিনচি ৰেল ষ্টেচনৰ সমীপত থকা নমহলীয়া অট্টালিকাটোত অগ্নিকাণ্ডৰ সূচনা হৈছিল। এই অট্টালিকাৰ পঞ্চম মহলাত এখন মানসিক ৰোগীৰ ক্লিনিক আছিল আৰু ইয়াতে অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটিছিল।

## অখিলেশৰ ঘোষণা, সতীৰ্থ দলক আমেথি-ৰায়ব'ৰেলি এৰি নিদিয়ে সমাজবাদীয়ে



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৭ ডিচেম্বৰ ঃ** সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে আজি ৰায়ব'ৰেলিত ঘোষণা কৰি কয় যে উত্তৰ প্ৰদেশৰ বিধানসভাৰ আসন্ন নিৰ্বাচনত দলে আমেথি আৰু ৰায়ব'ৰেলিসহ ৪০৩ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব। সমাজবাদী পাৰ্টিয়ে সহযোগী দলৰ স'তে বিধানসভাত প্ৰতিদ্বন্দ্বিতা কৰিব যদিও আমেথি আৰু ৰায়ব'ৰেলি সমষ্টি সতীৰ্থ দলক এৰি নিদিয়ে।

# মাৰ্কিন ৰাষ্ট্ৰপতিৰ সকীয়নি ঃ শীতত অ'মিক্ৰনে ল'ব গুৰুতৰ ৰূপ, বাঢ়িব মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৭ ডিচেম্বৰ ঃ** আমেৰিকাত কৰ'না আক্ৰান্তৰ সংখ্যা পুনৰ দৈনিক বৃদ্ধি পাবলৈ ধৰিছে। ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধিয়েও দেশখনত নতুন আতংক অব্যাহত ৰাখিছে। এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে দেশবাসীক সতৰ্ক কৰি কয় যে ক'ভিড প্ৰতিষেধক গ্ৰহণ নকৰা লোকসকলৰ এইবাৰৰ শীতত গুৰুতৰ ৰোগ হোৱাৰ শংকাৰ লগতে মৃত্যুবৰণো কৰিব লগা হ'ব পাৰে। কিছুদিন পূৰ্বে বাইডেনে কৈছিল যে আমেৰিকাবাসীয়ে কৰ'নাৰ নতুন প্ৰজাতিক ভয় কৰাৰ প্ৰয়োজন নাই। কিন্তু এইবাৰ নিজৰ মত সলনি কৰি বাইডেনে আমেৰিকাবাসীক অ'মিক্ৰন সন্দৰ্ভত সজাগ-সচেতন হ'বলৈ আহ্বান জনালে। বাইডেনে কয় যে অ'মিক্ৰনে অতি দ্ৰুতগতিত আমেৰিকাক প্ৰভাৱিত কৰাৰ সম্ভাৱনা আছে আৰু একমাত্ৰ প্ৰতিষেধক গ্ৰহণৰ জৰিয়তেহে দেশবাসীয়ে এই মাৰাত্মক ভাইৰাছক প্ৰতিৰোধ কৰিব পাৰিব। ইতিমধ্যে দুপালি প্ৰতিষেধক লোৱা লোকসকলক বাইডেনে বুষ্টাৰ প্ৰতিষেধক ল'বলৈ আহ্বান জনাই লগতে কয় যে দেশৰ প্ৰতিজন নাগৰিকে ক'ভিডৰ কমেও দুপালি প্ৰতিষেধক লোৱা উচিত। যোৱা পহিলা ডিচেম্বৰৰ পৰা আমেৰিকাত দৈনিক গড়ে ৮৬ হেজাৰ লোক কৰ'নাত আক্ৰান্ত হৈ আহিছে। যোৱা ১৪ ডিচেম্বৰত দৈনিক আক্ৰান্তৰ সংখ্যা ৩৫ শতাংশ বৃদ্ধিৰে ১.১৭ লাখলৈ বৃদ্ধি পাইছিল। তদুপৰি দেশখনত গড়ে দৈনিক ১,১৫০ জন ক'ভিড ৰোগীৰ মৃত্যু হৈ আহিছে।

## দৈনিক সংক্ৰমণ ৭,৪৪৭ লৈ হ্ৰাস, মৃত্যু বাঢ়িল ৩৯১ জনলৈ




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ সাত হেজাৰৰ ঘৰত থাকিলেও বৃহস্পতিবাৰৰ তুলনাত আজি সংক্ৰমণ সামান্য হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত দেশত ক'ভিড আক্ৰান্ত হ'ল ৭,৪৪৭ জন লোকা। আক্ৰান্তসকলৰ ৩,৪০৪ জনেই হৈছে কেৰালাৰ বাসিন্দা। মহাৰাষ্ট্ৰ, তামিলনাডু আৰু পশ্চিমবংগত আক্ৰান্তৰ সংখ্যা ৫০০ৰ অধিক। বৰ্তমানলৈকে ভাৰতত তিনি কোটি ৪৭ লাখ ২৬ হেজাৰ ৪৯ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত পুনৰ প্ৰাণ হেৰুৱালে ৩৯১ জন লোকে। কেৰালাত ৩২০, মহাৰাষ্ট্ৰত ১৯ আৰু তামিলনাডু-পশ্চিমবংগত ১২ জন ৰোগীৰ মৃত্যু হ'ল।

## এদিনতে দিল্লীত অ'মিক্ৰন আক্ৰান্ত ১০ জন, ভাৰতত আক্ৰান্তৰ সংখ্যা ৯৭লৈ বৃদ্ধি



নিউজ ব্যুৰ', নতুন দিল্লী, ১৭ ডিচেম্বৰ ঃ দেশত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। ৰাজধানী দিল্লীত নতুনকৈ ১০ জন লোকৰ শৰীৰত ধৰা পৰিল অ'মিক্ৰনৰ সংক্ৰমণ। ফলত দেশত মুঠ অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা ৯৭ জনলৈ বৃদ্ধি পালে। ইয়াৰ পূৰ্বেও দিল্লীত ১০ জন অ'মিক্ৰন আক্ৰান্তৰ সন্ধান লাভ কৰা হৈছিল। মাত্ৰ এদিনতে ৰাজধানী চহৰখনত ক'ভিডৰ এই নতুন প্ৰজাতিত আক্ৰান্তৰ সংখ্যা দুগুণলৈ বৃদ্ধি পালে। মুঠ ২০ জন আক্ৰান্তৰ ১০ জন সম্প্ৰতি দিল্লীত সুস্থ হৈ উঠিছে। কৰ্ণাটকত নতুনকৈ পাঁচজন আৰু তেলেংগানাত চাৰিজন অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে। বৰ্তমানে মহাৰাষ্ট্ৰত ৩২, দিল্লীত ২০, ৰাজস্থানত ১৭, কৰ্ণাটকত আঠ, তেলেংগানাত ছয়, কেৰালাত পাঁচ, অন্ধ্ৰ প্ৰদেশত এক, পশ্চিমবংগত এক, তামিলনাডুত এক আৰু চণ্ডীগড়ত এজন অ'মিক্ৰন আক্ৰান্তক ধৰা পেলোৱা হৈছে।

## মুক্তিৰ দিনাই বিশ্বজুৰি বক্স অফিচত ৩৫ কোটি টকা সংগ্ৰহ 'স্পাইডাৰমেন'ৰ



নিউজ ব্যুৰ', হলিউড, ১৭ ডিচেম্বৰ ঃ মাৰ্ভেল চিনেমেটিক ইউনিভাৰ্ছৰ সদ্য মুক্তিপ্ৰাপ্ত চলচ্চিত্ৰ 'স্পাইডাৰমেন ঃ ন' ৱে হোম'-এ বক্স অফিচত চাঞ্চল্যৰ সৃষ্টি কৰিছে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষকে প্ৰকাশ কৰা তথ্য অনুসৰি, 'স্পাইডাৰমেন ঃ ন' ৱে হোম'-এ প্ৰথমদিনা বিশ্বজুৰি বক্স অফিচত ৩৫ কোটি টকাৰো অধিক ব্যৱসায় কৰিলে। ভাৰততো চিত্ৰগৃহৰ ৩২৬৪খন পৰ্দাত 'স্পাইডাৰমেন ঃ ন' ৱে হোম'ৰ প্ৰদৰ্শন কৰা হৈছে।

## মাছুদ আজহাৰ-হাফিজ ছয়ীদৰ বিৰুদ্ধে ব্যৱস্থা লোৱা নাই পাকিস্তানে ঃ দাবী আমেৰিকাৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৭ ডিচেম্বৰ ঃ** ২০০৮ৰ মুম্বাই আক্ৰমণসহ ভাৰতত একাধিক সন্ত্ৰাসবাদী আক্ৰমণৰ মূল পৰিকল্পক হিচাপে পৰিচিত পাকিস্তানী সন্ত্ৰাসবাদী মাছুদ আজহাৰৰ বিৰুদ্ধে দেশখনৰ চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। এই তথ্য প্ৰকাশ পালে আমেৰিকাৰ ডিপাৰ্টমেণ্ট অৱ ষ্টেটৰ শেহতীয়া এক প্ৰতিবেদনত। বিশ্বৰ বিভিন্ন দেশত সন্ত্ৰাসবাদী কাৰ্যকলাপক লৈ আমেৰিকাই প্ৰস্তুত কৰা এই প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, আন্তৰ্জাতিক সন্ত্ৰাসবাদী মাছুদ আজহাৰ আৰু ২০০৮ৰ মুম্বাইত সন্ত্ৰাসবাদীৰ আক্ৰমণত অভিযুক্ত ছাজিদ মীৰৰ বিৰুদ্ধে ইছলামাবাদে কোনো শাস্তিমূলক পদক্ষেপ গ্ৰহণ নকৰিলে। একেখন প্ৰতিবেদনত আমেৰিকাই অভিযোগ কৰি কয় যে ভাৰতবিৰোধী সন্ত্ৰাসবাদী কাৰ্যকলাপত নিয়মিত বিত্তীয় পৃষ্ঠপোষকতা প্ৰদান কৰি অহা সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবাৰ প্ৰতিষ্ঠাপক হাফিজ ছয়ীদৰ বিৰুদ্ধেও পাকিস্তানৰ ইমৰান খানৰ চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে।

# চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ দাবীত উত্তাল বাগিচা

■ বঙাইগাঁৱৰ বীৰঝৰা চাহ বাগিচাত আছাৰ উত্তাল প্ৰতিবাদ ■ সাংসদ পল্লৱলোচন দাসৰ পুত্তলিকা দাহ



অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ১৬ ডিচেম্বৰ ঃ** বঙাইগাঁওৰ চহৰৰ সমীপৰ বীৰঝৰা চাহ বাগিচাত কালি আছাৰ বঙাইগাঁও জিলা সমিতিয়ে চাহ শ্ৰমিকসকলৰ মজুৰি বৃদ্ধিকে ধৰি বিভিন্ন দাবীত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদৰ অংশ হিচাপে ছাত্ৰ সংগঠনটোৱে চাহ বাগিচাত কাম কৰা লোকসকলৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ বাবে সাংসদ পল্লৱলোচন দাসৰ পুত্তলিকা দাহ কৰি ক্ষোভ উজাৰে। প্ৰতিবাদীথলীত উপস্থিত আছাৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি অমৃত জ'জোৱে কয়, 'আমি চাহ শ্ৰমিকসকলক দৈনিক ৩৫১ টকাকৈ মজুৰি প্ৰদানৰ বাবে দীৰ্ঘদিন ধৰি চৰকাৰক দাবী জনাই আহিছো। কিন্তু সেয়া আজিলৈ হৈ উঠা নাই। ইয়াৰ বিপৰীতে কিছু নিৰ্বাচনৰ প্ৰাক্কালত বাগানত কাম কৰা লোকসকলক ৩৫১ টকা হাজিৰা দিব, মজুৰি বৃদ্ধি হ'ব, বাগানত হাইস্কুল হ'ব, ভাল ৰাস্তা হ'ব, বাগানত ভাল কোৱাৰ্টাৰ হ'ব, বাগানত পানীৰ সুবিধা কৰি দিয়া হ'ব আদি প্ৰতিশ্ৰুতি দিয়ে। কিন্তু নিৰ্বাচনত বিজয়ী হোৱাৰ পাছত ৰাজনৈতিক দল তথা চৰকাৰে দিয়া সেই প্ৰতিশ্ৰুতিবোৰ পাহৰি গৈ আমাক সকলো সা-সুবিধাৰ পৰা বঞ্চিত কৰি ৰাখে। আছা নেতাজনে পুনৰ কয় যে আদিবাসী ভোটেৰে নিৰ্বাচিত হোৱা সাংসদ পল্লৱ লোচন দাস, কেন্দ্ৰীয় শ্ৰম মন্ত্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰী সঞ্জয় কৃষাণে আদিবাসী তথা চাহ শ্ৰমিকসকলৰ সপক্ষে মাত মতা নাই। সাংসদ পল্লৱলোচন দাসক আদিবাসী ভোটেৰে বিজয়ী কৰি সাংসদ বনাইছো যাতে আদিবাসী দুখীয়া ৰাইজৰ হৈ সদনৰ মজিয়াত মাত মাতিব পাৰে। কিন্তু সদনৰ মজিয়াত নিশ্চুপ হৈ আছে। কেন্দ্ৰীয় শ্ৰম মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে বাগানৰ শ্ৰমিকসকলৰ হৈ কোনো মাত মতা নাই। যাৰ বাবে এই পুত্তলিকা দাহ কাৰ্যসূচী ৰূপায়ণ কৰা বুলি কৈ অনাগত দিনত তেওঁলোকে যদি স্বগোষ্ঠীয় লোকৰ সপক্ষে তথা বাগানৰ শ্ৰমিকসকলৰ হৈ মাত নামাতে তেন্তে অনাগত দিনতো আছাই প্ৰতিবাদ অব্যাহত ৰাখিব বুলি ছাত্ৰ সংগঠনটোৰ নেতৃত্বই সকীয়াই দিয়ে।

## ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা মৰাণ আঞ্চলিক সমিতিৰ অধিবেশন সম্পন্ন

অগ্ৰদূত বাৰ্তা
**মৰাণ, ১৭ ডিচেম্বৰ ঃ** ৰাজ্যৰ অৰ্থনীতিৰ ভেটি টনকিয়াল কৰাৰ ক্ষেত্ৰত অনন্যম গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে ক্ষুদ্ৰ চাহ খেতিয়কসকলে। ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ অন্যতম শক্তিশালী সংগঠন সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা মৰাণ আঞ্চলিক সমিতিৰ কালি মৰাণ নতুন নগৰস্থিত নিজা কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে নৱম ত্ৰি-বাৰ্ষিক অধিবেশনখন সম্পন্ন হয়। পুৱা সামূহিক চাহপান কৰি অভিযানৰ পাছত পতাকা উত্তোলন কৰে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা মৰাণ আঞ্চলিক সমিতিৰ সভাপতি দীনেশ কুমাৰ বেৰিয়াই। ছহিদ তৰ্পণ কৰে উপ-সভাপতি শোভিত কুমাৰ চেটিয়াই। ইয়াৰ পাছতে মৰাণ নগৰৰ পদপথত থকা ব্যক্তিসকলক বস্ত্ৰ আৰু অন্ন বিতৰণ কৰে। সন্থাৰ মৰাণ আঞ্চলিকৰ সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক হলিৰাম চুতীয়াই। উক্ত সভাত বিশিষ্ট অতিথিৰূপে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সম্পাদক কল্যাণ দত্ত, বিশিষ্ট সমাজকৰ্মী মোহনলাল উপাধ্যায়কে ধৰি কে'বাজনো বক্তাই ভাষণ আগবঢ়ায়। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি বিশিষ্ট পক্ষীপ্ৰেমী ভৰত বৰাক সম্বৰ্ধনা জনোৱা হয়। অধিবেশনত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ কেন্দ্ৰীয় আৰু জিলা সমিতিৰ বিষয়ববীয়াৰ লগতে মৰাণৰ বহু গণ্য-মান্য ব্যক্তি তথা সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

## অসমীয়া ভাষা আইনখন আজিও কাৰ্যকৰী নোহোৱাটো দুৰ্ভাগ্য

■ পদ্মনাথ গোহাঞিবৰুৱাৰ ১৫০বছৰীয়া জন্মজয়ন্তীৰ সামৰণি অনুষ্ঠান

বিশেষ সংবাদদাতা
**নগাঁও, ১৭ ডিচেম্বৰ ঃ** নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত জিলা কাৰ্যালয়ত কালি অসম সাহিত্য সভাৰ প্ৰথমজন সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ ১৫০বছৰীয়া জন্মজয়ন্তীৰ সামৰণি অনুষ্ঠানটো জিলাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয়। বন্তি প্ৰজ্বলনৰে আৰম্ভ হোৱা সভাখনত পদ্মনাথ গোহাঞিবৰুৱাৰ কৰ্মময় জীৱনৰ ওপৰত বক্তব্য ৰাখি নগাঁও জিলা সাহিত্য সভাৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি থগিত মহন্তই কয় যে সাহিত্যিকগৰাকীয়ে তেতিয়াই অসমৰ জন জীৱনৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি সকীয়াই দিছিল। অসমীয়া ভাষা আইনখন আজিও কাৰ্যকৰী নোহোৱাতো আমাৰ দুৰ্ভাগ্য। তেওঁ পুনৰ কয় যে আমি অসমীয়া ভাষা সাহিত্যৰ গৌৰৱোজ্জ্বল অতীতৰ কথাখিনি কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰো। সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত প্ৰাক্তন সভাপতি ৰতিমোহন নাথে কয়, 'পদ্মনাথ গোহাঞিবৰুৱাৰ ভাষা প্ৰেম, জাতীয় চেতনা নতুন প্ৰজন্মৰ মাজলৈ লৈ যাব লাগিব।' সভাপতি ৰতিমোহন নাথে ভাষণত গোহাঞিৰ প্ৰচেষ্টাতে প্ৰথম ক'হিমাত অসম সাহিত্য সভাৰ শাখা গঠন হোৱাৰ পৰা তেওঁৰ বৰ্ণাঢ্য জীৱনৰ ওপৰত আলোকপাত কৰে। সভাত ত্ৰিদিব লস্কৰ, ভৱেশ মেধি, ড° মঞ্জু লস্কৰ, বিচিত্ৰ নাৰায়ণ বৰা, প্ৰদীপ কুমাৰ শইকীয়া, আবুল খায়েৰ আহমেদ, বিৰাজ ভূষণ বৰা, দীপ্তি বৰা, মিন্টু দাস, অধৰ ঠাকুৰীয়া, শৰৎ গোস্বামী, ড° প্ৰণামী লস্কৰ, দিপাংকৰ শইকীয়া, দুলাল দাস, ঋতুৰাজ বৰা, মৃগাংক বৰা আদি উপস্থিত থাকে।

## মহুৰামুখৰ নিকৰিত বান আশ্ৰয় শিবিৰ উদ্বোধন

**খুমটাই, ১৭ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত দিচৈ গাঁও যোৱা ন ডিচেম্বৰত ডব্লিউচিয়ে প্ৰদান কৰা ১৬ লাখ টকাৰে নীডছ আৰু চীডছ-এ নিৰ্মাণ কৰা দিচৈ বান আশ্ৰয় শিবিৰ উদ্বোধন কৰে গোলাঘাট জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া ধীৰাজ দাসে। উল্লেখ্য যে দিচৈ গাঁও পঞ্চায়তৰ সভাপতি নৰেন বৰিয়ে আঁত ধৰা সভাখনত গোলাঘাট জিলাৰ অতিৰিক্ত উপায়ুক্ত মুন গগৈ, গোলাঘাট জিলা গ্ৰাম্য অভিকৰণ প্ৰকল্প সঞ্চালক অভিনাশ শইকীয়া গোলাঘাট পশ্চিম উন্নয়ন খণ্ডৰ সহকাৰী খণ্ড উন্নয়ন বিষয়া ববিতা শইকীয়াই নীডছৰ পৰিচালন সঞ্চালক তীৰ্থ শইকীয়াই লগতে মুম্বাইৰ পৰা অহা নীডছৰৰ কৰ্মকৰ্তা জুছাফা মল্লিক মেলিন্দাই ভাষণ প্ৰদান কৰে। বানবিধস্ত অঞ্চলটোৰ ৰাইজৰ বাৰিষাৰ সময়ত আশ্ৰয় লোৱাৰ উপৰি খৰালি সময়ত শিবিৰ গৃহটো বিভিন্ন ধৰণৰ সভা-সমিতি, কৰ্মশালা, নৃত্য-গীতৰ প্ৰশিক্ষণ সামাজিক অনুষ্ঠান আদি অনুষ্ঠিত কৰিব পৰাকৈ সুন্দৰভাৱে সাজি উলিয়াইছে আৰ্কিটেক্ট আৰ্কাদ্বীপ ৰয়, কুসুম্বৰ চৌধুৰী আৰু নীডছৰ সমন্বয়ক তীৰ্থ প্ৰসাদ শইকীয়াই। উল্লেখ্য যে সমগ্ৰ বানবিধ্বস্ত দ' অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণৰ বাবে গৃহ নিৰ্মাণৰ বাবে ভূমিদান কৰাৰ বাবে সমাজসেৱক লক্ষ্য লইঙক অংগবস্ত্ৰৰে সভাত সম্বৰ্ধনা জনায়।

## মেলামৰা মহাবিদ্যালয়ত হাতে লিখা গ্ৰন্থ গ্ৰন্থকূটী উন্মোচন

**খুমটাই, ১৭ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ খুমটাই সমীপৰ মেলামৰাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান মেলামৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ বিভাগৰ গ্ৰন্থ আৰু তথ্য বিজ্ঞান বিভাগৰ প্ৰথম বৰ্ষ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰাই কালি হাতে লিখা আলোচনী 'গ্ৰন্থকূটী' উন্মোচনী আৰু গ্ৰন্থ অধ্যয়নৰ সজাগতা সভা অনুষ্ঠিত হয়। উল্লেখ্য যে মেলামৰা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ পুথি উন্মোচনী সভাত মেলামৰা মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ বৰুৱাই গ্ৰন্থ কূটী নামৰ গ্ৰন্থখন উন্মোচনী কৰে। উক্ত সভাত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকে মেলামৰা কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষা মাল্লবিকা কাকতিয়ে গ্ৰন্থৰ বিষয়ে বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত ভাষণ প্ৰদান কৰি উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়ন কৰিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত গ্ৰন্থগাৰিক গীতাঞ্জলি, জোনমণি শইকীয়া আদি উপস্থিত থাকে।

## ■ ডিব্ৰুগড়ৰ মোহনবাৰী বিমানকোঠত অত্যাধুনিক সাত মহলীয়া এয়াৰ ট্ৰেফিক কন্ট্ৰ'ল কক্ষ

# ৰাজ্যৰ অৰ্থনীতি টনকিয়াল কৰিছে ক্ষুদ্ৰ চাহ খেতিয়কে

বিশেষ সংবাদদাতা
**ডিব্ৰুগড়, ১৭ ডিচেম্বৰ ঃ** উজনি অসমৰ ডিব্ৰুগড় জিলা মোহনবাৰস্থিত ৰাজ্যৰ দ্বিতীয়টো প্ৰধান বিমানকোঠ মোহনবাৰী বিমান বন্দৰৰ গুৰুত্ব দিনকদিনে বৃদ্ধি পোৱালৈ চাই বিমান কৰ্তৃপক্ষ তথা চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰিছে। দৈনিক বিমানযাত্ৰী আৰু বিমানৰ সংখ্যা বৃদ্ধি হোৱালৈ চাই সেই অনুপাতে বিভাগীয় কৰ্তৃপক্ষই ইয়াৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে দিনক দিনে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। মোহনবাৰী বিমানঘাটিৰ ৰাণৱে সম্প্ৰসাৰণৰ কাম-কাজ পূৰ্ণগতিত চলি থকাৰ উপৰি নিউ টাৰ্মিনেল বিল্ডিঙৰ সমুখভাগ বৰ্ধিতকৰণৰ লগতে নতুনকৈ ২৭ মিটাৰ উচ্চতাৰ সাত মহলীয়া এয়াৰ ট্ৰেফিক কন্ট্ৰ'ল কক্ষকে ধৰি অন্যান্য গুৰুত্বপূৰ্ণ নিৰ্মাণ কাৰ্য তীব্ৰগতিত চলি আছে। উল্লেখ্য যে নিৰ্মীয়মাণ এই ট্ৰেফিক কক্ষত উপলব্ধ হ'ব একেলগে কে'বাখনো বিমানৰ বৈমানিকৰ স'তে সংযোগ স্থাপন কৰিব পৰাৰ অত্যাধুনিক প্ৰযুক্তিৰ অত্যাধুনিক সুব্যৱস্থা। ইফালে, ৩৫ কোটি টকাৰে নিৰ্মাণ হৈ থকা বিমান ৰখা হাংগাৰ নিৰ্মাণৰ ৭০ শতাংশ কাম সম্পন্ন হোৱাৰ পাছতো আধৰুৱা আছে সেইটো বিষয়ক লৈয়ে। কিন্তু বিমান বন্দৰৰ ভিতৰ চ'ৰাত ব্যাপক চৰ্চা লাভ কৰিছে। উল্লেখ্য যে ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰৰ পৰা সম্প্ৰতি গুৱাহাটী, ছিলং, ইম্ফল, ডিমাপুৰ, আগৰতলা, কলকাতা, দিল্লী, মুম্বাই আৰু হাইদৰাবাদকে ধৰি দেশৰ লগতে বিদেশলৈ দৈনিক বিমান সেৱা চলাচল অব্যাহত আছে।

## পানীদিহিং পক্ষী অভয়াৰণ্যত পক্ষী নিধন ঃ ধৃত এক

অগ্ৰদূত বাৰ্তা
**ডিমৌ, ১৭ ডিচেম্বৰ ঃ** ডিমৌৰ সমীপৰ পানীদিহিং মৌজাত অৱস্থিত পানীদিহিং পক্ষী অভয়াৰণ্যত একাংশ লোকে পৰিভ্ৰমী জলজ পক্ষীসমূহ দৈনিক নিধন কৰি এক ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। আজি শিৱসাগৰ বন বিভাগৰ এটা দলে অভয়াৰণ্যখনত অভিযান চলাই পক্ষী নিধন কাৰ্যৰ লগত জড়িত চৰগুৱা কছাৰীভেটিৰ ভায়া ভৰ নামৰ এজন দুষ্কৃতিকাৰীক নিধন কৰা পৰিভ্ৰমী পক্ষীসহ আটক কৰি শিৱসাগৰ বন বিভাগৰ কাৰ্যালয়লৈ লৈ যায়। অভিযানকাৰী দলটোৱে দুষ্কৃতিকাৰীজনে এটা ড্ৰামত পৰীভ্ৰমী পক্ষী হত্যা কৰি বিক্ৰী কৰাৰ উদ্দেশ্যে লৈ আনি থকা অৱস্থাত বন বিভাগৰ শিৱসাগৰ উচ্চপদস্থ বিষয়াই আটক কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি পানীদিহিং পক্ষী অভয়াৰণ্যত একাংশ অসাধু লোকে দিনে-নিশাই বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ চকুত ধূলি দি ফুৰাডন মিহলাই পক্ষীকুলক হত্যা কৰি পক্ষী মাংস বিক্ৰী কৰি এক ব্যৱসায় চলাই আহিছিল। আজি বন বিভাগৰ আকস্মিক অভিযানত ভায়া ভৰ নামৰ দুষ্কৃতিকাৰীজনক সোধপোছৰ বাবে আটক কৰে বন বিভাগে।

## খুমটাইত সাহিত্যিক পেঞ্চনপ্ৰাপ্ত মাখনলাল বাঢ়ৈক সম্বৰ্ধনা

**খুমটাই, ১৭ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ খুমটাই চাহ বাগিচাৰ নিবাসী, জ্যেষ্ঠ সাংবাদিক সাহিত্যিক ২০২১ৰ সাহিত্যিক পেঞ্চন পাবলৈ সক্ষম হোৱা মাখনলাল বাঢ়ৈক কালি তেওঁৰ বাসগৃহত খুমটাই জয়া গগৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু আছু গোটৰ সহযোগত অংগ বস্ত্ৰৰে সম্বৰ্ধনা জনায়। কালি এই অনুষ্ঠানত খুমটাই জয়া গগৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি কবিতা গগৈ, উপ-সভাপতি চেলছি তামুলী, সাংস্কৃতিক সম্পাদক জিতুমণি শইকীয়া, গুৰু ক্ৰীড়া সম্পাদক বিশ্বজিত দত্ত, বাদুলিপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা সঞ্জীৱ গগৈ, সহকাৰী সাধাৰণ সম্পাদক বিতু আহমেদ আদি উপস্থিত থাকে।

## ৰঙিয়া মহাবিদ্যালয়ৰ এন এছ ইউ আই গোটৰ তৰফৰ পৰা স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ১৭ ডিচেম্বৰ ঃ** ৰঙিয়া মহাবিদ্যালয়ৰ এন এছ ইউ আই গোটৰ তৰফৰ পৰা কালি ৰঙিয়াৰ মহকুমাধিপতিক এখন স্মাৰকপত্ৰ প্ৰদান কৰা হয়। এন এছ ইউ আইৰ কামৰূপ জিলা সভাপতি চাকিল আহমেদৰ নেতৃত্বত এটা সঁজাতী দলে মহকুমাধিপতিক সাক্ষাৎ কৰি স্মাৰকপত্ৰখন প্ৰদান কৰে। স্মাৰকপত্ৰত ৰঙিয়া মহাবিদ্যালয়ৰ লগতে ৰঙিয়া মহকুমাৰ শিক্ষানুষ্ঠানসমূহত অধ্যয়নৰ বাবে অহা ছাত্ৰ-ছাত্ৰীসকলৰ বৰ্ধিত যাত্ৰী ভাড়া হ্ৰাস কৰাৰ দাবী সন্নিৱিষ্ট কৰা হয়। এই সন্দৰ্ভত সভাপতি আহমেদে কয় যে ক'ভিড সৃষ্ট পৰিৱেশৰ সময়ত যাত্ৰীবাহী বাহনসমূহে পূৰ্বৰ ভাড়াৰ নিৰিখৰ ঠাইত দুগুণ বা তাতোধিক ভাড়া আদায় লৈছিল। কিন্তু বৰ্তমান ক'ভিড পৰিস্থিতিৰ সাময়িক উন্নতি ঘটাত দূৰ-দূৰণিৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়-মহাবিদ্যালয়সমূহলৈ পাঠ গ্ৰহণ কৰিবলৈ প্ৰতিদিনে আহিব লগাত বৰ্ধিত ভাড়াৰ নিৰিখৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। গতিকে এই সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ ভাড়া হ্ৰাস কৰাৰ ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ তেওঁ মহকুমাধিপতিক আহ্বান জনায়।

## ৰংজুলিত বন্যহস্তীৰ সন্ত্ৰাস ঃ আহত এক



অগ্ৰদূত বাৰ্তা
**দুধনৈ, ১৭ ডিচেম্বৰ ঃ** ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন প্ৰান্তত অব্যাহত আছে বন্যহস্তীৰ সন্ত্ৰাস। কালি পুনৰ ৰংজুলি থানাৰ অন্তৰ্গত দেউলগুৰিত বন্যহস্তীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় এজন লোক। দেউলগুৰিৰ মুগা পামত নিৰ্মল সূত্ৰধৰ নামৰ মুগা পালকজনে মুগা পামত যোৱাৰ সময়তে তাত থকা দুটা হাতীৰ এটা হাতীয়ে অতৰ্কিতে চোঁচা লয় তেওঁৰ ফালে, মুহূৰ্ততে একো তৰ্কিব নোৱাৰি পলাবলৈ চেষ্টা কৰে যদিও হাতীৰ গচকত গুৰুতৰভাৱে আহত হয় মুগা পালক নিৰ্মল সূত্ৰধৰ। হাতীটোৱে লোকজনৰ কঁকাল আৰু বুকুত গচকে। স্থানীয় ৰাইজৰ তৎপৰতাত হাতীটোক তাৰ পৰা খেদি আহত নিৰ্মল সূত্ৰধৰক উদ্ধাৰ কৰি প্ৰথমে দুধনৈ চিকিৎসালয়লৈ নিয়ে যদিও লোকজনৰ অৱস্থা সংকটজনক হোৱাৰ বাবে চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য যে মাত্ৰ এক সপ্তাহ পূৰ্বে গাঁওখনৰ যামিনী বসুমতাৰী আৰু মোহিনী খাখলাৰী নামৰ দুজন লোক হাতীৰ আক্ৰমণত নিহত হৈছিল। ইপিনে, শিমলীতোলাৰ বৰবড়ীতো যোৱা নিশা বৃহৎ বন্যহস্তীৰ জাকে কে'বাখনো কলৰ বাগান, ৰবৰ বাগান লণ্ডভণ্ড কৰাৰ লগতে গাঁওখনৰ গগন কলিতা নামৰ লোকজনৰ দুটা বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। উল্লেখ্য যে ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত কে'বাটাও অঞ্চলত পাঁচ-ছয়টা বন্যহস্তীৰ জাকে সন্ত্ৰাস চলাই আছে। সেয়ে সন্ধিয়া নামি অহাৰ লগে লগে আতংকিত হৈ পৰে গাঁওবাসী ৰাইজ।

## বজালীত স্বাধীনতাৰ ছহিদৰ নামত প্ৰতিযোগিতাৰ বঁটা

বিশেষ সংবাদদাতা
**পাঠশালা, ১৭ ডিচেম্বৰ ঃ** সমাগত গণৰাজ্য দিৱসৰ প্ৰস্তুতি সন্দৰ্ভত বজালীত কালি এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। বজালী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীৰ সভাপতিত্বত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বিশেষ সভাত জিলাখনৰ সকলো বিভাগৰ মুৰব্বী বিষয়া, শিক্ষানুষ্ঠানৰ মুৰব্বীসকল, স্বেচ্ছাসেৱী অনুষ্ঠানৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। উপায়ুক্ত দেৱচৌধুৰীয়ে সকলো বিভাগকে বিভাগীয় কাৰ্যক্ৰমৰ খতিয়ান গণৰাজ্য দিৱসৰ জিলাৰ কেন্দ্ৰীয় কাৰ্যসূচীত প্ৰদৰ্শন কৰাৰ বাবে নিৰ্দেশ দিয়ে। প্ৰদৰ্শিত কাৰ্যক্ৰম যাতে আকৰ্ষণীয় হয় তাৰ ওপৰতো গুৰুত্ব দিবলৈ দেৱচৌধুৰীয়ে আহ্বান জনায়। আনহাতে, গণৰাজ্য দিৱসৰ প্ৰসঙ্গত অনুষ্ঠিত কৰা বিভিন্ন বঁটাসমূহ এইবেলি ৪২ৰ স্বাধীনতা আন্দোলনৰ ছহিদ মদন বৰ্মণ, ৰাউতাৰাম কোচ, আৰু স্বাধীনতা সংগ্ৰামী অগ্নিকন্যা চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নামত প্ৰদান কৰা হ'ব বুলি উপায়ুক্তই সভাক জানিবলৈ দিয়ে। ইয়াৰ উপৰি এইবাৰ দিৱসৰ উপলক্ষত পাটাছাৰকুছি আৰু পাঠশালাৰ মাজত এখন প্ৰীতি ফুটবল খেলো অনুষ্ঠিত হ'ব। মনকৰিবলগীয়া যে জানুৱাৰীৰ প্ৰথম সপ্তাহৰ পৰাই জিলাখনৰ ভিন্ন প্ৰান্তত অনুভাষ যন্ত্ৰৰ দ্বাৰা দেশপ্ৰেমমূলক গীত-মাত প্ৰচাৰ কৰা হ'ব বুলিও মত পোষণ কৰে জিলা উপায়ুক্তই।

## বৰমেধি থানেশ্বৰ কলিতাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**যোৰহাট, ১৭ ডিচেম্বৰ ঃ** কমাৰমাটি গাঁৱৰ বৰমেধি থানেশ্বৰ কলিতা (৮০)ৰ কালি পুৱা নিজা বাসভৱনত মৃত্যু হয়। ডাক বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীজনে দুজন পুত্ৰ এৰি যায়। পাছত নামঘৰ পৰিচালনা সমিতি, সৰস্বতী পুস্তক মন্দিৰ, বসন্ত মইনা পাৰিজাত, সৰস্বতী মহিলা সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ উত্তৰ-পূব যোৰহাট আঞ্চলিক সমিতিকে ধৰি বিভিন্ন অনুষ্ঠানে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## গৰাখহনীয়া প্ৰতিৰোধৰ দাবীত দিহিংমুখত আছুৰ মানৱ শৃংখল

অগ্ৰদূত বাৰ্তা
**ডিমৌ, ১৭ ডিচেম্বৰ ঃ** শিৱসাগৰ মহকুমা ছাত্ৰ সন্থাৰ আহ্বানত নিতাই পানীদিহিং ছাত্ৰ সন্থাৰ উদ্যোগত আজি দিহিংমুখত দিহিং নদীৰ পাৰত আছুৰ কৰ্মকৰ্তাৰ লগতে স্থানীয় দিহিং কলঘৰবাসী ৰাইজৰ সহযোগত এক মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বান- খহনীয়াই বিধ্বস্ত কৰা দিহিংমুখ অঞ্চলৰ স্থায়ী সুৰক্ষা আৰু বাস্তৱসন্মত পৰিকল্পনা চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই গ্ৰহণ কৰাৰ দাবীত দুই শতাধিক আছু কৰ্মকৰ্তা তথা স্থানীয় ৰাইজে বিভিন্ন শ্ল'গান সম্বলিত প্লেকাৰ্ড হাতে হাতে লৈ মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে আছুৰ কৰ্মকৰ্তাই অতিশীঘ্ৰে বান তথা খহনীয়াৰ কবলত পৰা দিহিংমুখ উদ্ধাৰৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। আজিৰ কাৰ্যসূচীত আছুৰ শিৱসাগৰ মহকুমা আৰু ডিমৌ-নিতাই পানীদিহিঙৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

## লাহৰীঘাটত বাঁহৰ দলঙেৰে ৰাইজৰ যাতায়াত ঃ আহত ছাত্ৰী

অগ্ৰদূত বাৰ্তা
**ভূৰাগাঁও, ১৭ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ টেঙাগুৰিত কালি বিদ্যালয়ৰ পৰা ঘৰলৈ উভতি যোৱাৰ সময়ত টেঙাগুৰীত ভূৰাগাঁও-নগাঁও গড়কাপ্তানী পথত থকা এখন বাঁহৰ দলঙৰ পৰা এগৰাকী ছাত্ৰী পানীত পৰি যোৱাত এক হাঁহাকাৰ পৰিৱেশৰ সৃষ্টি হয় অঞ্চলটোত। কালি ছুটীৰ পাছত টেঙাগুৰি জাতীয় বিদ্যালয়ৰ মামুদা বেগম নামৰ ছাত্ৰীগৰাকীয়ে ভূৰাগাঁও-নগাঁও সংযোগী গড়কাপ্তানী পথত এখন জৰাজীৰ্ণ বাঁহৰ দলঙৰ ওপৰেৰে খোজ কাঢ়ি পাৰ হোৱাৰ সময়ত পানীত পৰি যায়। কণমানি ছাত্ৰীগৰাকী এনেদৰে পানীত পৰা দৃশ্য নাতি দূৰৈত বৈ থকা একাংশ লোকে প্ৰত্যক্ষ কৰিছিল। তেওঁলোকে দুৰ্ঘটনাটো দেখি চিঞৰ-বাখৰ কৰি ঘটনাস্থলীলৈ দৌৰি যায় আৰু ওচৰতে থকা হাত নাও এখন লৈ পানীৰ পৰা ছাত্ৰীগৰাকীক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এনেদৰে স্থানীয় লোকৰ সহায়ত টেঙাগুৰি জাতীয় বিদ্যালয়ৰ ছাত্ৰীগৰাকীৰ কথমপি প্ৰাণৰক্ষা পৰে। ইয়াৰ পূৰ্বে একাধিক দুৰ্ঘটনা সংঘটিত হৈছে সেই বাঁহৰ দলংখনত। উল্লেখ্য যে আজিৰ পৰা ন বছৰ আগত টেঙাগুৰি জানৰ ওপৰত থকা কাঠৰ দলংখনৰ ঠাইত পকী দলং নিৰ্মাণ কাৰ্য আৰম্ভ হৈছিল। তেতিয়াৰে পৰা যাতায়াতৰ ক্ষেত্ৰত আহুকালৰ সন্মুখীন হৈ আহিছে টেঙাগুৰিবাসী। যোৱা ন বছৰৰ পাছতো দলং হৈ নুঠিল। ইয়াৰ পাছত ভোগ কৰিবলগীয়া হৈছে অঞ্চলটোৰ জনতাই। ভঙা-ছিঙা বাঁহৰ সাঁকোৰে লাহৰীঘাটৰ টেঙাগুৰি অঞ্চলৰ ৰাইজে দীৰ্ঘদিন ধৰি যাতায়াত কৰিবলগীয়া হৈছে। বিগত ন বছৰে পকী দলংখনৰ নিৰ্মাণ কাম সম্পূৰ্ণ নোহোৱাত ৰাইজে বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হৈছে। নগাঁও-ভূৰাগাঁও সংযোগী ৰাজ্যিক পথৰ টেঙাগুৰিৰ এই পকী দলংখন নিৰ্মাণৰ ঠিকা পাইছিল নিপুন বৰা নামৰ মৰিগাঁৱৰ এজন ঠিকাদাৰে। কিন্তু ন বছৰে ঠিকাদাৰজনে নিৰ্মাণ সম্পূৰ্ণ কৰিব নোৱাৰাত এইদৰে কালি অঘটন সংঘটিত হয়।

## তেজপুৰৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত জ্বলাইছে চিমেণ্টৰ বস্তা ঃ প্ৰদূষণক লৈ ক্ষুব্ধ ৰাইজ



অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ১৭ ডিচেম্বৰ ঃ** তেজপুৰৰ দোলাবাৰী অঞ্চলত তথা ৩৭(ক) নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত বিগত কেইবাদিনে বৃহৎ পৰিমাণৰ চিমেন্টৰ বস্তা জ্বলোৱাৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিয়ে সৰ্বসাধাৰণক অতিষ্ঠ কৰিছে। উল্লেখ্য যে দিনে নিশাই জ্বলি থকা এনে বস্তাবোৰত বিভিন্ন পেলনীয়া সামগ্ৰী ভৰোৱা আছিল। ৰাষ্ট্ৰীয় পথৰ কাষতে বৃহৎ পৰিসৰত এনেদৰে এইবোৰ বস্তা জ্বলোৱাৰ পৰিণতিত ৰাষ্ট্ৰীয় পথৰ লগতে কাষৰীয়া অঞ্চলত ধোঁৱাই ছানি ধৰাৰ উপৰি ব্যাপক প্ৰদূষণৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰীয় পথটোৰ এই অংশত ধোঁৱাৰ বাবে যানবাহন তথা পথচাৰীৰ বাবেও সমস্যাৰ উদ্ভৱ হৈছে। অঞ্চলটোত বিভিন্ন নিৰ্মাণকাৰ্য চলি থকাৰ উপৰিও ভালেকেইটা উদ্যোগ আছে। এনেস্থলত এই অবিবেচক কাৰ্য কোনে সংঘটিত কৰিছে সেয়া এই পৰ্যন্ত স্পষ্ট হোৱা নাই যদিও প্ৰশাসনে এক তদন্তৰ জৰিয়তে এই পৰিৱেশ বিনষ্টকাৰী কাৰ্যৰে জড়িতসকলক চিনাক্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলিও স্থানীয় লোকে মন্তব্য কৰিছে।

## ধৰ্মপ্ৰাণা যোগমায়া হাতীকাকতিৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**নাজিৰা, ১৭ ডিচেম্বৰ ঃ** নাজিৰা নগৰৰ নিবাসী যোগমায়া হাতীকাকতি এণ্ড চনছ ব্যৱসায়িক প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাতা আৰু প্ৰয়াত মুকুট হাতীকাকতিৰ সহধৰ্মিণী যোগমায়া হাতীকাকতি (৮৬)ৰ যোৱা ১৫ ডিচেম্বৰৰ সন্ধিয়া নিজা বাসগৃহত পৰলোক প্ৰাপ্তি ঘটে। মৃত্যু সময়ত দুই পুত্ৰসহ তিনি বোৱাৰী আৰু তিনিগৰাকী জী-জোঁৱাইক এই সংসাৰত এৰি যায়। নাজিৰা বাপুজী পথ প্ৰাচীন নামঘৰৰ স'তে একনিষ্ঠতাৰে লাগি ৰোৱা হাতীকাকতিয়ে স্বামীৰ বিয়োগৰ পাছতে ব্যৱসায়ত মনোযোগ দি সফল হৈ উঠিছিল।

## বাগ্‌সাৰ নৰ্থ খাৰিজা বিজনীত শালবাৰী জিলা বড়ো সাহিত্য সভাৰ অধিবেশনৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**জালাহ, ১৭ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ নৰ্থ খাৰিজা বিজনী হাইস্কুল খেলপথাৰত অহা ২৪ৰ ডিচেম্বৰৰ পৰা তিনিতদিনীয়াকৈ শালবাৰী জিলা বড়ো সাহিত্য সভাৰ ১৬ সংখ্যক বাৰ্ষিক অধিবেশনৰ লগতে শালবাৰী জিলা দুলাৰায় বড়ো হাৰিমু আফাদৰ আৰু খাৰিজা বিজনী প্ৰাথমিক বড়ো সাহিত্য সভাৰ ২৩ সংখ্যক বাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ২৪ ডিচেম্বৰত পুৱা আঠ বজাৰে পৰা ক্ৰমে ছহিদ তৰ্পণ, মুখ্য তোৰণ উন্মোচন, মূল মণ্ডপ উদ্বোধন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। দিনৰ ১১ বজাত খাৰিজা বিজনী প্ৰাথমিক বড়ো সাহিত্য সভাৰ স্বৰ্গীয় ৰবীন বসুমতাৰী সোঁৱৰণী প্ৰতিনিধি সভাত সভাপতিত্ব কৰিব খাৰিজা বিজনী প্ৰাথমিক বড়ো সাহিত্য সভাৰ সভাপতি বলেন্দ্ৰ মুছাহাৰীয়ে আৰু উদ্বোধন কৰিব বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিবাহক সদস্য ৰাজেন্দ্ৰ বসুমতাৰীয়ে। আবেলি দুই বজাত প্ৰতিনিধি সভাৰ দ্বিতীয় বৈঠক অনুষ্ঠিত হ'ব। ২৫ ডিচেম্বৰত পুৱা ১০ বজাৰ পৰা কবি সন্মিলন আৰু আবেলি তিনি বজাত স্মৃতিগ্ৰন্থ 'খাৰিজানি ৰেবগন' আৰু মুখপত্ৰ 'দৌৰৌঙাৰি' উন্মোচন কৰিব শালবাৰী কলেজৰ উপাধ্যক্ষ ডাঃ দুলেন বসুমতাৰী আৰু বড়ো ৰাইটাৰ্ছ একাডেমীৰ মুখ্য সম্পাদক আনন্দ ৰাম ঔৱাৰীয়ে। সন্ধিয়া শালবাৰী জিলা বড়ো সাহিত্য সভাৰ সভাপতি ডম্বৰুধৰ বসুমতাৰীৰ সভাপতিত্বত জিলা বড়ো সাহিত্য সভাৰ প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। ২৬ ডিচেম্বৰত পুৱা পতাকা উত্তোলন, ছহিদ তৰ্পণ, ছহিদ স্তম্ভ উন্মোচন, আমন্ত্ৰিত কবিৰ কবি সন্মিলন আৰু আবেলি এক বজাত বিটিচিৰ ইএম ৰঞ্জিত বসুমতাৰীয়ে মুকলি সভা উদ্বোধন কৰিব। সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়ো আৰু নিৰ্দিষ্ট বক্তাৰূপে বক্তব্য আগবঢ়াব বড়ো সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক নীলকান্ত গয়াৰী আৰু দুলাৰায় বড়ো হাৰিমু আফাদৰ সভাপতি জগেশ্বৰ ব্ৰহ্মই। সিদিনা সন্ধিয়া গীতা বসুমতাৰী সোঁৱৰণী সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান অনুষ্ঠিত হ'ব।

# নগাবাটৰ ৰাজপথত অবৈধ মাটি কঢ়িওৱা ট্ৰেক্টৰৰ দৌৰাত্ম্য

## ■ কাণসাৰ নাই তিতাবৰৰ বন বিভাগ, পানীখেতি আৰক্ষী চকীৰ



বিশেষ সংবাদদাতা
**নগাবাট, ১৭ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চল নগাবাটত একাংশ অবৈধ মাটি কঢ়িওৱা ট্ৰেক্টৰৰ দৌৰাত্ম্যই ৰাইজক সমস্যাত পেলোৱাৰ গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে নগাবাটস্থিত পানীখেতি আৰক্ষী চকীৰ সন্মুখেদিয়েই পুৱাৰে পৰা সন্ধিয়ালৈকে ১০-১২খন ডাঙৰ ট্ৰেক্টৰেৰে অবৈধভাৱে কঢ়িওৱা মাটি বিভিন্ন ঠাইলৈ সৰবৰাহ কৰি আহিছে। এই সন্দৰ্ভত তিতাবৰ বন বিভাগৰ লগতে নগাবাটস্থিত পানীখেতি আৰক্ষী চকীৰ বিষয়াসকলৰ সম্পূৰ্ণ জ্ঞাত যদিও এনে অবৈধ কাৰ্য ৰোধ কৰিব পৰা নাই। এক্সকেভেটৰেৰে পাহাৰৰ কাষত আৰু একাংশ লোকৰ পথাৰত মাটি কাটি দিন দুপৰতে অবৈধ ব্যৱসায় অব্যাহত ৰখিছে যদিও তিতাবৰৰ বন বিভাগ তথা পানীখেতি আৰক্ষীৰ নীৰৱতাই প্ৰশাসনৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। আজি পানীখেতি আৰক্ষী চকীৰ সন্মুখেদি ৫০ বাৰৰো অধিক অবৈধ মাটি সৰবৰাহ কৰা ট্ৰেক্টৰ অহা-যোৱা কৰে। এই সন্দৰ্ভত নগাবাট সচেতন ৰাইজে ফোনযোগে তিতাবৰ বন বিভাগৰ এজন বিষয়াক অৱগত কৰিছিল যদিও বন বিভাগে পানীখেতি আৰক্ষী চকীকৈ মাথোঁ এটা ফোন কৰিয়েই দায়িত্ব সামৰাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্যে যে সীমান্তৱৰ্তী অঞ্চলটোত অব্যাহত থকা এনে ধৰণৰ অবৈধ কাৰুকাৰ্য বন্ধৰ ক্ষেত্ৰত তৎকালে কঠোৰ পদক্ষেপ গ্ৰহণৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।

# ডফলাটিঙত জলহা জাতিৰ আলোচনা সভাৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**মেলামাটি, ১৭ ডিচেম্বৰ ঃ** চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক জলহা জাতি সন্মিলনী, অসমৰ কেন্দ্ৰীয় সমিতি তথা জলহা যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু স্থানীয় জলহা জাতিৰ ৰাইজৰ সহযোগত মেলামাটিৰ ডফলাটিঙত ১৯ ডিচেম্বৰত এখন আলোচনা সভাৰ আয়োজন কৰা হৈছে। চাহ জনগোষ্ঠীৰ অন্তৰ্গত জলহাসকলৰ জাতিগত প্ৰমাণপত্ৰৰ বিষয়টো বিতংভাৱে আলোচনা কৰিবলৈ এই সভাৰ আয়োজন কৰা হৈছে বুলি জলহা জাতি সন্মিলনীৰ সভাপতি হবিবুৰ ৰহমান, সাধাৰণ সম্পাদক নাজিৰ হুছেইন আৰু জলহা যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ইউনুছ হুছেইন, সাধাৰণ সম্পাদক জিতু আহমেদে সদৰী কৰিছে। চাহ জনগোষ্ঠীৰ সংগঠনসমূহে পদক্ষেপ গ্ৰহণ কৰিছে কিন্তু জলহা জাতিৰ ক্ষেত্ৰত বৰ্তমানলৈকে জাতিগত প্ৰমাণপত্ৰৰ কোনো সিদ্ধান্ত হোৱা নাই। দুয়োটা জলহা সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা আলোচনা সভাত বিশেষভাৱে কাৰ্যপন্থা গ্ৰহণ কৰিবলৈ এই সভাৰ আয়োজন কৰা হৈছে।

# ভগৱতী প্ৰসাদ লডিয়াৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান

**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** অহা ১৯ ডিচেম্বৰত ২.৪৫ বজাত গুৱাহাটী-মাছখোৱাস্থিত প্ৰাগ্‌জ্যোতিষ সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত বৃহত্তৰ ফাঁচী বজাৰ সাহিত্য সভা আৰু মাৰোৱাৰী হিন্দী পুস্তকালয়ৰ সৌজন্যত স্বাধীনতা সংগ্ৰামী ভগৱতী প্ৰসাদ লডিয়াৰ জন্ম-শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি সামৰণি উৎসৱৰ আয়োজন কৰা হৈছে। উক্ত উৎসৱ উদ্‌যাপন সমিতিত ড° শ্যামসুন্দৰ হৰলালকাক সভাপতি, ৰবি অজিতসৰিয়াক সম্পাদক আৰু নাৰায়ণ খাকোলিয়াক আহ্বায়ক হিচাপে লৈ এখন ৫১ সদস্যৰে আদৰণি সমিতি গঠন কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰিব বিশিষ্ট ভাষা বিশেষজ্ঞ বিশ্বেশ্বৰ হাজৰিকাই। মুখ্য অতিথিৰূপে উপস্থিত থাকিব জ্যেষ্ঠ সাংবাদিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনকসেন ডেকা, বিশিষ্ট অতিথিৰ আসন শুৱনি কৰিব বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞাৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব ক্ৰমে বিশিষ্ট প্ৰকাশক পদ্মশ্ৰী ড° সূৰ্য হাজৰিকা আৰু বিশিষ্ট সাহিত্যিক ভূপেন্দ্ৰ ৰায়চৌধুৰী। সভাত প্ৰয়াত ভগৱতী প্ৰসাদ লডিয়াৰ বিষয়ে অসমীয়া আৰু হিন্দীত ড° ভূপেন্দ্ৰ ৰায়চৌধুৰীৰ দ্বাৰা যুগুতোৱা দুখন জীৱনী গ্ৰন্থ উন্মোচন কৰা হ'ব। সভাৰ আঁত ধৰিব বিশিষ্ট শিক্ষাবিদ ড° সুনীতা আগৰৱালাই।

# অবৈতনিক গাঁওবুঢ়া সন্থাৰ গোলাঘাট জিলা সমিতি গঠন

অগ্ৰদূত বাৰ্তা
**মেৰাপানী, ১৭ ডিচেম্বৰ ঃ** আজি মেৰাপানীৰ সীমান্ত পঞ্চায়তৰ জয়পুখুৰীস্থিত পৰিদৰ্শন ভৱনত অনুষ্ঠিত গোলাঘাট জিলাৰ এ, বি, চি আৰু ডি ছেক্টৰৰ গাঁওবুঢ়াসকলৰ প্ৰতিনিধি সভাত অবৈতনিক গাঁওবুঢ়া সন্থাৰ গোলাঘাট জিলা সমিতিখন গঠন কৰা হয়। মেৰাপানী মহকুমাৰ তথা দৈয়াঙৰ গাঁওবুঢ়া সন্থাৰ সভাপতি মুনিন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে। ধনশিৰি মহকুমাৰ গাঁওবুঢ়া সন্থাৰ সভাপতি সহদেৱ খাকলাৰীয়ে। উক্ত সভাত ধনশিৰি মহকুমাৰ ২৩৭জন, মেৰাপানী মহকুমাৰ ১২০ জন আৰু টেঙানিৰ ২২ জন গাঁওবুঢ়া উপস্থিত থাকে। উক্ত সভাতেই সহদেৱ খাকলাৰীক সভাপতি আৰু মুনিন্দ্ৰ শইকীয়াক সম্পাদকৰূপে লৈ এ, বি, চি আৰু ডি ছেক্টৰক সামৰি ৩১ জনীয়া অবৈতনিক গাঁওবুঢ়া সন্থাৰ গোলাঘাট জিলা সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে আজি অনুষ্ঠিত প্ৰতিনিধি সভাত গাঁওবুঢ়াসকলক চৰকাৰীকৰণ কৰাৰ লগতে পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক আহ্বান জনাই এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# বিহপুৰীয়াত কংগ্ৰেছ নেতাসহ শতাধিকৰ বিজেপিত যোগদান



অগ্ৰদূত বাৰ্তা
**বিহপুৰীয়া, ১৭ ডিচেম্বৰ ঃ** আগন্তুক পৌৰসভা নিৰ্বাচনক লৈ বিহপুৰীয়াত তৎপৰতা আৰম্ভ কৰিছে বিজেপিয়ে। বিশেষকৈ সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাৰ নেতৃত্বতে অব্যাহত আছে শাসকীয় দলত যোগদান প্ৰক্ৰিয়া। ইতিমধ্যে বিভিন্ন দলৰ নেতা- কৰ্মীয়ে যোগদান কৰিছে বিজেপিত। আগন্তুক সময়ত বিহপুৰীয়া সমষ্টিক কংগ্ৰেছমুক্ত কৰাৰ লক্ষ্যৰে বিধায়ক ভূঞাই আৰম্ভ কৰা অভিযানৰ প্ৰথম পৰ্যায়ত সমষ্টিটোৰ ১৮ খন পঞ্চায়তেই দখল কৰিবলৈ সক্ষম হৈছে বিজেপিয়ে। আজি বিহপুৰীয়া নগৰত দলটোৱে আয়োজন কৰা যোগদান সমাৰোহত বিহপুৰীয়া পৌৰসভাৰ প্ৰাক্তন ৱাৰ্ড কমিচনাৰ নাজিব আহমেদৰ নেতৃত্বত ইৰাজ আহমেদ, দাদুল ৰহমান, ফুৰাদ আলী আৰু জান ৰহমানসহ শতাধিক সংখ্যালঘু ভোটাৰে বিজেপিত যোগদান কৰে। বিহপুৰীয়া নগৰ মণ্ডলৰ সভানেত্ৰী কুসুম পাটগিৰিয়ে সভাপতিত্ব কৰা আৰু সম্পাদক প্ৰদীপ ভড়ালী আৰু ৰূপক বৰাই আঁত ধৰা যোগদান সমাৰোহত বিধায়ক ড° ভূঞাই সকলোকে আদৰণি জনায়। সমাৰোহত বিজেপিৰ ৰাজ্যিক অনুশাসন সমিতিৰ সদস্য খগেন হাজৰিকা, বিজেপিৰ জিলা সম্পাদক তৰুণ শইকীয়াৰ লগতে সজল দে, ৰাজু শৰ্মা, ধিৰাজ বৰা, গীতালী কলিতা, পল্লবী হাজৰিকা, পুতুল ভূঞা, মনোজ দত্ত, বেণুধৰ দাস আদিয়ে অংশগ্ৰহণ কৰে।

# জাতীয় সাংস্কৃতিক বৰভেটিৰ জিলা সমিতি গঠন

**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** যোৱা ১২ ডিচেম্বৰত লাচিত শিশু প্ৰাথমিক বিদ্যালয়, আমিনগাঁৱত জাতীয় সাংস্কৃতিক বৰভেটি অসমৰ, কেন্দ্ৰীয় সমিতিৰ উদ্যোগত কামৰূপ জিলা সমিতিখন গঠন কৰা হয়। বিশিষ্ট শিল্পী, অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ মহেশ দাসে সভাপতিত্ব কৰা সভাত কৃপানন্দ পাঠকক সভাপতি, দীপকান্ত পাঠকক সাধাৰণ সম্পাদক, মধু মাধৱ দাসক কোষাধ্যক্ষ হিচাপে লৈ ৩১ জনীয়া পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি কুমুদ নাথ, প্ৰধান সম্পাদক পুলু দত্ত, সমন্বয়ক ললিত চন্দ্ৰ ফুকন পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে।

# শৰাইঘাট দলঙত দুৰ্ঘটনাত আহত দুই

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ১৭ ডিচেম্বৰ ঃ** শুৱালকুছিৰ বাথান ভাটি চুবাৰ এটা পৰিয়ালৰ দুজন ভাই-ককাইৰ কালি আবেলি শৰাইঘাট দলঙত দুৰ্ঘটনাত আহত হৈ চিকিৎসালয়ত মৃত্যুৰ স'তে যুঁজি আছে। কালি বাথানৰ হীৰেন দাস (৪৯) আৰু নিৰঞ্জন দাস (৪২) আবেলি ঘৰৰ পৰা ছয়গাঁৱৰ সম্বন্ধীয়ৰ এঘৰত বিয়াত অংশ লোৱাৰ বাবে গৈ আছিল। শৰাইঘাট দলঙৰ মূৰত এখন ডাম্পাৰে পাছফালৰ পৰা খুন্দিয়াই পলায়ন কৰে। আহত হৈ দুই ভ্ৰাতৃয়ে কিছুসময় দলঙত পৰি থাকে। পাছত জালুকবাৰী আৰক্ষীয়ে দুয়োজনকে উদ্ধাৰ কৰি এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায়। বৰ্তমানে দুয়োজন ভ্ৰাতৃয়ে আই চি ইউ মৃত্যুৰে যুঁজি আছে।

# চেলেংহাটত 'শীতৰ এনিশা'ৰ আয়োজন

**চেলেংহাট, ১৭ ডিচেম্বৰ ঃ** যোৰহাট জিলাৰ চেলেংহাটৰ সামাজিক অনুষ্ঠান বিষ্ণু-জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আৰু কাব্যপ্ৰেমী ৰাইজৰ সহযোগত চেলেংহাটস্থিত ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত অহা ১৯ ডিচেম্বৰত গীত আৰু কবিতাৰ মাজেৰে শীতৰ এনিশাৰ আয়োজন কৰা হৈছে। নকছাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ উত্তম কুমাৰ বৰুৱাই আৰম্ভ কৰিবলগীয়া অনুষ্ঠানটোত জিলাখনৰ বহুকেইজন কবি, সাংস্কৃতিক কৰ্মী, আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

# ২৫ ডিচেম্বৰত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ বিংশতিতম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

অগ্ৰদূত বাৰ্তা
**ডিমৌ, ১৭ ডিচেম্বৰ ঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ উদ্যোগত আৰু নিতাই পানীদিহিংবাসী ৰাইজৰ সহযোগত অহা 25 ডিচেম্বৰত পানীদিহিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৰাজহুৱা ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিছে সংগঠনটোৰ বিংশতিতম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস। অসমৰ ক্ষয়িষ্ণু সমাজ ব্যৱস্থা, জাতি-জনগোষ্ঠীৰ মাজত দেখা দিয়া মত পাৰ্থক্য, জাতিটোৰ অৰ্থনৈতিক অভিভাৱকহীনতা আদি মৌলিক সমস্যাসমূহৰ ওপৰত দৃষ্টি ৰাখি জাতিটোক এক সৱল স্থিতিলৈ অনাৰ স্বাৰ্থত 2001ৰ ২৫ ডিচেম্বৰত বৃহত্তৰ অসমীয়া যুৱ মঞ্চ জন্ম হৈছিল। এই উপলক্ষে উক্ত দিনা পতাকা উত্তোলন কৰিব কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰতন দাসে। ইয়াৰ পাছতে ছহিদ তৰ্পণ, বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। পুৱা স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'ব চিত্ৰাংকন প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা আৰু হস্তলিখন প্ৰতিযোগিতা। দিনৰ 12 বজাত উদ্‌যাপন সমিতিৰ সভাপতি চোচেন চন্দ্ৰ কোঁৱৰৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব অৰণ্য মানৱ তথা ভাৰতৰত্ন যাদৱ পায়েং। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব অসম চৰকাৰ ছেবাৰ প্ৰাক্তন অধ্যক্ষ দয়ানন্দ বৰগোহাঁই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, মুখ্য উপদেষ্টা অতুল গগৈ, উপদেষ্টা অক্ষয়জ্যোতি সন্দিকৈ, মৰাণ মহিলা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক অজয় কুমাৰ গগৈ, ৰাইজৰ দলৰ সম্পাদক ধৈৰ্য কোঁৱৰ, অধিবক্তা চন্দনজ্যোতি ফুকন, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা কৃষ্ণ গগৈ, অসম গণ পৰিষদ থাওৱা বিধান পৰিষদৰ সভাপতি লীলা জ্যোতি ফুকন, তেলিয়া পথাৰৰ নিবাসী তথা বিশিষ্ট সমাজকৰ্মী কন্দপ সাগৰ দিহিঙীয়া উপস্থিত থাকিব। আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব সংগঠনটোৰ কে'বাজনো বিষয়ববীয়াৰ লগতে বহুকেইজন শিক্ষানুৰাগী।

# কয়াকুছি গ্ৰন্থমেলাত চিত্ৰাংকন, আকস্মিক বক্তব্য, ৰচনা প্ৰতিযোগিতাৰ বিজয়ীক বঁটা বিতৰণ

অগ্ৰদূত বাৰ্তা
**কয়াকুছি, ১৭ ডিচেম্বৰ ঃ** কয়াকুছিৰ শংকৰ-আজান সমন্বয় ক্ষেত্ৰত কালিৰ পৰা আৰম্ভ হোৱা ষষ্ঠ কয়াকুছি গ্ৰন্থ আৰু বাণিজ্য মেলাৰ বাকৰিত আজি পুৱা সাবজান নেছা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। কয়াকুছি কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল ইছলামে উদ্বোধন কৰা প্ৰতিযোগিতাখনত ৩০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত বালাপাৰা ষ্টাৰলাইন একাডেমীৰ অষ্টম শ্ৰেণীৰ ৰাইমা খাতুনে প্ৰথম স্থান, বৰপেটাৰ জোৰোৰাম পাঠক ছোৱালী হাইস্কুলৰ অষ্টম শ্ৰেণীৰ তাহমিনা খাতুনে, দ্বিতীয় আৰু আনহাতে কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ জাহিনুৰ ইছলামে তৃতীয় স্থান দখল কৰে। দিনৰ এক বজাৰ পৰা মৰহুম আফাজ উদ্দিন আহমেদ সোঁৱৰণী আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। আকস্মিক বক্তৃতা উদ্বোধন কৰে কয়াকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নজৰুল ইছলামে। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক দুলুমণি দাসে, পাকা বেতবাৰী আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি হায়দৰ আলী আহমেদ। ৰাহুল আমিনৰ সঞ্চালনাত প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনত প্ৰথম স্থান দখল কৰে গুৱাহাটীৰ ইনষ্টিটিউট অৱ মাছ কম এণ্ড মিডিয়া ষ্টাডিছৰ অঞ্জুমান ভৰদ্বাজে, দ্বিতীয় মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ কিষাণজ্যোতি কলিতাই আৰু তৃতীয় স্থান দখল কৰে কয়াকুছি মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক সাহাদত হুছেইনে। দুই বজাত মৰহুম মজিবৰ ৰহমান সোঁৱৰণী থিতাতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে আছাম ব্ৰিলিয়াণ্ট একাডেমীৰ সাহানুৰ ইছলামে। গুৱাহাটীৰ ইনষ্টিটিউট অৱ মাছ কম এণ্ড মিডিয়া ষ্টাডিছৰ অঞ্জুমান ভৰদ্বাজে দ্বিতীয় আৰু কয়াকুছিৰ জীৱনজ্যোতি জাতীয় বিদ্যালয়ৰ আকতাৰ আলী আহমেদে তৃতীয় স্থান দখল কৰে।

# কলাইগাঁৱৰ চেঙাপথাৰ হাইস্কুলত পৰীক্ষাগাৰ আধাৰিত বিজ্ঞান শিক্ষাৰ কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা
**কলাইগাঁও, ১৭ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ কলাইগাঁৱৰ সমীপৰ চেঙাপথাৰ হাইস্কুলত কালি বিজ্ঞান বিষয়ক এখন সভা অনুষ্ঠিত হয়। গুৱাহাটী বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উচ্চ অধ্যয়ন সন্থাই ভাৰত চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চিড আঁচনিৰ জৰিয়তে সমগ্ৰ বিটিচি অঞ্চলত থকা বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিজ্ঞান শিক্ষাৰ প্ৰভাৱ বিস্তাৰ কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। সেই অনুসৰি কলাইগাঁৱৰ চেঙাপথাৰ হাইস্কুলত এক কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানৰ জৰিয়তে বিটিচি অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞান শিক্ষা আদৰি লোৱা, তেওঁলোক যুক্তিবাদী, সত্যৰ আধাৰত বিষয় এটা বিচাৰ বিশ্লেষণ কৰিবলৈ সক্ষম হোৱা, বিজ্ঞান মানসিকতা গঠন কৰা, কাৰিকৰী দিশত দক্ষ হিচাপে গঢ়ি তোলা আদি বিভিন্ন বিষয়ৰ ওপৰত উক্ত আঁচনিৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। লগতে আজি কে'বাখনো বিদ্যালয়ৰ প্ৰধান শিক্ষকক বিজ্ঞানৰ সঁজুলি থকা কীট বক্স প্ৰদান কৰা হয়।

# টিহুৰ গোৰোদলৰ যুৱকৰ বিয়োগ

অগ্ৰদূত বাৰ্তা
**টিহু, ১৭ ডিচেম্বৰ ঃ** টিহু মহকুমাৰ গোৰোদল গাঁৱৰ মাধৱ বৰ্মনৰ পুত্ৰ অঞ্জনজ্যোতি বৰ্মনে (১৮) কালি দুপৰীয়া হঠাতে মূৰৰ বিষ অনুভৱ কৰে। পৰিয়ালৰ লোকে অঞ্জনক নলবাৰী অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও উন্নত চিকিৎসাৰ বাবে চিকিৎসকে জিএমচিএইছলৈ প্ৰেৰণ কৰে। চিকিৎসাধীন অৱস্থাতে যোৱা নিশা দুই বজাত যুৱকজনৰ মৃত্যু হয়। মৃত্যুৰ সময়ত যুৱকজনে পিতৃ-মাতৃ আৰু এজন ভ্ৰাতৃক এৰি যায়।

# জাজৰি মজলীয়া বালিকা বিদ্যালয়ত সম্বৰ্ধনা অনুষ্ঠান

বিশেষ সংবাদদাতা
**নগাঁও, ১৭ ডিচেম্বৰ ঃ** জাজৰি মজলীয়া বালিকা বিদ্যালয় পৰিচালনা সমিতিৰ উদ্যোগত কালি বিদ্যালয়খনত এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠান দিনাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ ভুঞাই। অনুষ্ঠানত নৰেন ডেকা আৰু প্ৰধান গোস্বামীয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মৰমী গোস্বামী, ৰাজঙ বৰুৱা উৰ্ধৱ ৰাজখোৱা, ৰমেশ শইকীয়া, মহেন্দ্ৰ হাজৰিকা, অজিত চন্দ্ৰ বৰা, ৰুণু বৰা, ৰাণু শইকীয়া আদিক সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত খাগৰিজান প্ৰাথমিক শিক্ষাখণ্ডৰ বিষয়া সিদ্ধাৰ্থ কুমুদ গগৈ উপস্থিত থাকে। তদুপৰি আইভেটি মণ্ডল সমল কেন্দ্ৰৰ চি আৰ চি চি পবিত্ৰ শইকীয়াও উপস্থিত থাকে।

# চৰাইদেউ জিলা উন্নয়ন সমিতিৰ বৈঠক

অগ্ৰদূত বাৰ্তা
**মৰাণ, ১৭ ডিচেম্বৰ ঃ** চৰাইদেউ জিলাৰ ডিচেম্বৰৰ জিলা উন্নয়ন সমিতিৰ এখন বৈঠক আজি উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত নৱনিযুক্ত উপায়ুক্ত পল বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত হয়। জিলাখনৰ সকলো মুৰব্বী বিভাগৰ বিষয়াৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত জিলা উপায়ুক্তই জিলাখনৰ অসম, অৰুণাচল আৰু নগালেণ্ডৰ সীমান্ত অঞ্চলত সীমান্ত নিৰীক্ষণ চকীসমূহ (বি অ' পি) শীঘ্ৰে নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ লোক নিৰ্মাণ বিভাগৰ গৃহ শাখাৰ অভিযন্তাক বৈঠকত নিৰ্দেশ দিয়ে। লগতে জিলাখনত বৰ্তমানে চলি থকা জল জীৱন মিছনৰ কামসমূহ ক্ষিপ্ৰতাৰে কৰিবলৈয়ো জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তাক তেওঁ নিৰ্দেশ দিয়ে। উপায়ুক্ত বৰুৱাই কৃষি আৰু বেংক বিষয়াসকলক লোন, লোৱা হিতাধিকাৰীসকলৰ মাজত সজাগতা শিবিৰ অনুষ্ঠিত কৰি ঋণ পৰিশোধৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়াৰ উপৰি কৃষকসকলক কেচিচি ঋণৰ বাবে হিতাধিকাৰী নিৰ্বাচিত কৰিবলৈ বিষয়াসকলক আহ্বান জনায়। উক্ত বৈঠকত উপায়ুক্ত বৰুৱাই জিলাখনত চলি থকা ক'ভিড-১৯ দ্বিতীয় পালি টিকাকৰণৰো পৰ্যালোচনা কৰে। বৈঠকখনত অতিৰিক্ত উপায়ুক্ত জাবেদ আৰমান, মহকুমাধিপতি প্ৰাঞ্জল প্ৰতিম কোঁৱৰো উপস্থিত থাকে।

# জেএমচিএইছত কৰ্কট ৰোগৰ বিশেষ কৰ্মশালাৰ আয়োজন



অগ্ৰদূত বাৰ্তা
**পশ্চিম যোৰহাট, ১৭ ডিচেম্বৰ ঃ** বৰ্তমান সময়ত ৰাজ্যত কৰ্কট ৰোগে সৰ্বত্ৰে এক ত্ৰাসৰ সৃষ্টি কৰিছে। পুৰুষ-মহিলাৰ পৰা আৰম্ভ কৰি বিভিন্ন পৰ্যায়ৰ লোক কৰ্কট ৰোগত আক্ৰান্ত হৈছে। এই ৰোগে শৰীৰত আক্ৰমণ কৰাৰ লগে লগে কিছুমান মৃত্যুমুখত পৰিবলগীয়া হয় যদিও কিছুমান ঔষধৰ জৰিয়তে উপকৃত হৈছে। ইয়াৰ মাজতে কৰ্কট ৰোগীৰ বাবে সুখবৰ কঢ়িয়াই আনিছে যোৰহাট চিকিৎসা মহাবিদ্যালয়ে। যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত এক কৰ্মশালাৰ আয়োজন কৰিছে। যোৰহাট চিকিৎসা মহাবিদ্যালয়ত সম্ভৱ হ'ব ৰোগৰ সকলো ধৰণৰ চিকিৎসা। এই সম্পৰ্কত যোৰহাট চিকিৎসা মহাবিদ্যালয়ত কৰ্কট ৰোগৰ শল্য চিকিৎসাৰ ওপৰত অহা ২০ ডিচেম্বৰৰ পৰা আৰম্ভ হ'ব এক বিশেষ কৰ্মশালা। উক্ত কৰ্মশালাত দেশৰ বহুকেইখন আগশাৰীৰ চিকিৎসালয়ৰ জ্যেষ্ঠ তথা বিশেষজ্ঞ চিকিৎসকে সমল ব্যক্তিৰূপে উপস্থিত থাকিব। যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ কৰ্কটৰোগ বিশেষজ্ঞ তথা শল্য বিশেষজ্ঞ ডাঃ আলতাব আলী আহমেদে বিশেষভাৱে উদ্যোগ লৈছে এই কৰ্মশালাৰ। যোৰহাটত দুই এক বছৰতে মুকলি হ'ব লগা টাটা কেঞ্চাৰ হাস্পতালতো সহায় হ'ব বুলি আশা কৰা হৈছে। আজি যোৰহাট চিকিৎসা মহাবিদ্যালয়ত এক সংবাদমেল আয়োজন কৰি এই কথা অৱগত কৰে ডাঃ আলতাব আলী আহমেদে। যোৰহাট মেডিকেল কলেজৰ পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছা সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত সংবাদমেলত শল্য চিকিৎসা বিভাগৰ অধ্যাপক ডাঃ নৰেন্দ্ৰ গাংগুলী, ডাঃ দ্বীপজ্যোতি বৰা সহ বহুকেইজন জ্যেষ্ঠ অধ্যাপক উপস্থিত থাকে।

# 'কৃষ্টি-সৃষ্টি সংৰক্ষণ ঃ ভাষা-সংস্কৃতি ৰক্ষা কৰা আমাৰ চৰকাৰৰ দায়িত্ব'

## ■ সৰ্থেবাৰী পাঁচখেল গঞা-গয়ৰহৰ ভঁৰাল ঘৰৰ প্ৰথম মহলা উদ্বোধন

অগ্ৰদূত বাৰ্তা
**সৰ্থেবাৰী, ১৭ ডিচেম্বৰ ঃ** 'অসমৰ খিলঞ্জীয়া ৰাইজৰ উন্নয়ন হ'ব লাগিব। অসমৰ সত্ৰ, ঐতিহাসিক স্থানসমূহ, কৃষ্টি-সৃষ্টি সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিছে আমাৰ বিজেপি চৰকাৰে। পাঁচ বছৰত সত্ৰ, মঠ-মন্দিৰৰ উন্নয়নৰ বাবে কাম কৰিছে। আমাৰ জাতিটোৰ বাবে গঠন হৈছে আমাৰ চৰকাৰ। আমাৰ ভাষা-সংস্কৃতি ৰক্ষা কৰা আমাৰ চৰকাৰৰ দায়িত্ব।' এই মন্তব্য মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ। ঐতিহ্যমণ্ডিত সৰ্থেবাৰী সভাৰ খলাৰ শ্ৰীশ্ৰীজগন্নাথ মহাপ্ৰভুৰ মন্দিৰ প্ৰাংগণৰ নৱনিৰ্মিত সৰ্থেবাৰী পাঁচখেল গঞা-গয়ৰহৰ ভঁৰাল ঘৰৰ প্ৰথম মহলা উদ্বোধন কৰি তেওঁ এইদৰে কয়। তেওঁ পুনৰ কয় যে ঐতিহ্যমণ্ডিত সৰ্থেবাৰী কাঁহ শিল্পৰ বাবে জি আই মাৰ্ক হ'ব লাগে। শিল্পটো ৰক্ষাৰ বাবে জি আই মাৰ্কৰ দৰকাৰ। অসমত জন্মগ্ৰহণ প্ৰতিগৰাকী মহিলা জন্মগতভাৱে শিপিনী বুলি উল্লেখ কৰি তেওঁ কয় যে বাহিৰৰ পৰা অহা গামোচা পৰিহাৰ কৰি আমি সকলোৱে অসমৰ শিপিনীয়ে তাঁতশালত বোৱা গামোচা আঁকোৱালি ল'ব লাগে। এই সংস্কৃতি আমি ল'ব লাগে। ঐতিহ্যমণ্ডিত বিদ্যালয়ক ৰাজ্য চৰকাৰে ৫০ লাখ টকা দিয়াৰ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰী দাসে ঐতিহ্যমণ্ডিত সৰ্থেবাৰী কেন্দ্ৰীয় বালক মজলীয়া বিদ্যালয়ক ৰাজ্য চৰকাৰৰ এই আঁচনিত অন্তৰ্ভুক্ত কৰাৰ কথা উল্লেখ কৰে। মন্ত্ৰী দাসে কয় যে আবেদনৰ আধাৰত, নিৰ্বাচনী ভোটৰ অংকত কংগ্ৰেছ চৰকাৰে মহকুমা ঘোষণা কৰিছিল; কিন্তু ইয়াৰ বাবে কোনো বাজেট নাছিল। ন্যায্যতা থকা ঠাইকহে মহকুমা দিব লাগে আৰু এই ক্ষেত্ৰত সৰ্থেবাৰীক মহকুমা দিয়াৰ ন্যায্যতা থকা বুলি কয়। মন্ত্ৰী দাসে কয় যে ঐতিহ্যমণ্ডিত কাপলা বিল সংৰক্ষণৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব। 'কা' আন্দোলন সম্পৰ্কত মন্ত্ৰী দাসে কয় যে 'কা' আন্দোলন হ'লে আমাৰ কাৰণে ভাল।' সভাত অসম সমবায় কঁহাৰ সংঘ লিঃ সৰ্থেবাৰী, সৰ্থেবাৰী নগৰ কঁহাৰ শিল্পী সন্থা, সৰ্থেবাৰী আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি কে'বাটাও অনুষ্ঠানত মন্ত্ৰী দাসে সম্বৰ্ধনা জনাই স্মাৰকপত্ৰ প্ৰদান কৰে। সৰ্থেবাৰী পাঁচখেল গঞা-গয়ৰহৰ আহ্বায়ক কুলজিৎ ডেকা আৰু সমাজকৰ্মী প্ৰহ্লাদ তালুকদাৰে আঁতধৰা সভাখনত আদৰণি ভাষণ দিয়ে সৰ্থেবাৰী পাঁচখেল গঞা-গয়াৰহৰ ভঁৰালী বাণীকান্ত ভূঞাই। তেওঁ মন্ত্ৰী দাসক সৰ্থেবাৰী পাঁচখেল গঞা-গয়ৰহ আৰু সৰ্থেবাৰী পাঁচখেল উন্নয়ন সমিতিৰ কে'বাটাও দাবী সম্বলিত এখন স্মাৰকপত্ৰত প্ৰদান কৰে। উক্ত অনুষ্ঠানত প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা সৰ্থেবাৰী পাঁচখেল গঞা-গয়ৰহৰ প্ৰাক্তন বৰপাঠক ড° দক্ষেশ্বৰ ডেকা শাস্ত্ৰীয়ে ভাষণ দিয়ে। উক্ত অনুষ্ঠানত সৰ্থেবাৰী পাঁচখেল গঞা-গয়ৰহ, সৰ্থেবাৰী পাঁচখেল উন্নয়ন সমিতিৰ বিষয়ববীয়াৰ লগতে অগপ নেতা ধৰ্মেশ্বৰ ৰয়, চিত্তৰঞ্জন বৰ্মন, বিজেপিৰ ৰাজ্যিক কমিটীৰ সদস্য নৱ কুমাৰ দাস, বিজেপিৰ সৰুক্ষেত্ৰী মণ্ডলৰ সভাপতি ৰূপজ্যোতি ডেকা, পাকা-বেতবাৰী মণ্ডলৰ সভাপতি ধনমণি ডেকা, সৰ্থেবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ত্ৰিদীৱ কুমাৰ কোঁৱৰকে ধৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কামপীঠত বিদ্যুৎ বিভাগৰ মৰণফান্দ

## ■ বিদ্যালয়-ধৰ্মীয় অনুষ্ঠানৰ সমীপতে উন্মুক্ত ট্ৰেন্সফৰ্মাৰ



অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ১৭ ডিচেম্বৰ ঃ** ৭০ৰ দশকৰে জোৰাটাপলি মৰা বিদ্যুৎ পৰিবাহী তাঁৰেৰে আজিও কামৰূপ- নলবাৰী জিলা সংযোগী বাহাৰঘাট অঞ্চলত বিদ্যুৎ যোগান অব্যাহত আছে। ফলত ৰাইজে সংশয়ৰ মাজেৰে বিদ্যুতৰ তাঁৰৰ তলৰে অহা-যোৱা কৰিবলগীয়া হৈছে। ঠায়ে তাঁৰসমূহ ওলমি মৰণফান্দ সদৃশ হৈছে। আনহাতে, ৰঙিয়া মহকুমাৰ পশ্চিম বড়িগোগ মৌজাৰ অন্তৰ্গত কামপীঠত এটি উন্মুক্ত ট্ৰেন্সফৰ্মাৰে ৰাইজক শংকতি কৰিছে। মৌজাখনৰ কামপীঠ হাইস্কুল, কামপীঠ এম ই স্কুল, কামপীঠ বাৰোৱাৰী শ্ৰীশ্ৰীদুৰ্গা পূজা মন্দিৰ, সাৰ্বজনীন শ্ৰীশ্ৰীৰাস মন্দিৰ আদিৰ মাজতে বহুত দিনৰ পৰা আছে উন্মুক্ত ট্ৰেন্সফৰ্মাৰ। ব্যৱসায়িক প্ৰতিধ্বনি হিচাপে উক্ত স্থানত নিতৌ বহুতো লোকৰ সমাগম হয়। ইয়াৰ পাছতো বিদ্যুৎ কৰ্মীৰ উক্ত ট্ৰেন্সফৰ্মাৰটো কিয় চকুত পৰা নাই সেয়াহে লক্ষ্যণীয় বিষয়। তদুপৰি উক্ত পথৰে সঘনাই বিদ্যুৎ বিভাগৰ বিষয়া-কৰ্মচাৰী অহা-যোৱা কৰে। আনহাতে, ওচৰতে আছে ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়। ইয়াৰ লগতে আছে এখন আৰক্ষী থানা। আনহাতে, বৃহত্তৰ অঞ্চলটোত এজন মাথোঁ বিভাগীয় কৰ্মচাৰী আছে। বিভাগীয় কৰ্মচাৰীজনে দুই এজন কৰ্মচাৰীক দিন হাজিৰা ভিত্তিত কামত লগাই ৰাইজৰ সেৱা আগবঢ়াই থকা বুলি একাংশ গ্ৰাহকে অভিযোগ উত্থাপন কৰিছে। ৰাইজে এই সমস্যা শীঘ্ৰে সমাধানৰ বাবে দাবী জনাইছে।

# হোজাইত এহেজাৰ টকা ঘোচ লৈ দুৰ্নীতি নিবাৰকৰ জালত লাট মণ্ডল

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৭ ডিচেম্বৰ ঃ** মাটিৰ গৰাকীৰ পৰা এজেহাৰ টকা উৎকোচ লোৱাৰ অভিযোগত হোজাই ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ এজন লাট মণ্ডলক আজি দুৰ্নীতি নিবাৰক আৰু তদাৰকী কোষে গ্ৰেপ্তাৰ কৰে। ধৃত লাট মণ্ডলজন দেবানন্দ বৰা বুলি আৰক্ষীয়ে সদৰী কৰিছে। উল্লেখ্য যে ধৃত মণ্ডলজন তিনিবছৰ পূৰ্বে ডবকা ৰাজহ চক্ৰৰ বিষয়া কাৰ্যালয়ৰ পৰা বদলি হৈ হোজাইত যোগদান কৰিছিল আৰু হোজাই ৰাজহ চক্ৰৰ অধীনস্থ ঢলপুখুৰী, জামুহগুল আৰু ভীমৰ আলী নামৰ অঞ্চলৰ দায়িত্বত আছিল। সংশ্লিষ্ট অঞ্চলৰ এজন ব্যক্তিৰ মাটি বেচা-কিনা অনুমতি প্ৰদানক কেন্দ্ৰ কৰি ধৃত লাট মণ্ডলজনে লোকজনৰ পৰা কামৰ বাবদ তিনিহেজাৰ টকা উৎকোচ বিচাৰিছিল। ফলত ব্যক্তিজনে আৰক্ষীৰ স'তে যোগাযোগ কৰি সম্পূৰ্ণ পৰিকল্পনাৰে আজি দাবীকৃত তিনি হেজাৰৰ আগধন হিচাপে এহেজাৰ টকা ধৃত লাট মণ্ডলজনৰ হাতত দিয়াৰ পাছতে আৰক্ষীয়ে হাতে-লোটে গ্ৰেপ্তাৰ কৰে। ঘটনাৰ সংক্ৰান্তত দুৰ্নীতি নিবাৰক শাখাই দুৰ্নীতি প্ৰতিৰোধ আইনৰ ৭(এ)/১৩(২) ধাৰাৰ অধীনত ১৬/২০২১ নম্বৰত এক গোচৰ ৰুজু কৰি ধৃত বৰাক জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে ধৃত বৰাৰ ঘৰৰ নগাঁৰৰ উজৰা গাঁৱত আৰু অভিযানকাৰী আৰক্ষীয়ে ধৃতৰ পৰা বহু আপত্তিজনক নথি-পত্ৰ জব্দ কৰিছে।

# মৰিয়নিত ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত হাতীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৭ ডিচেম্বৰ ঃ** মৰিয়নিত আজি পুৱতি নিশা দ্ৰুতবেগী ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত এটা হাতী পোৱালিৰ মৃত্যু হয়। পুৱতি নিশা ৩-৩০ বজাত হোলোঙাপাৰ গিবন অভয়াৰণ্যৰ পৰা ওলাই যোৱা বনৰীয়া হাতীৰ এটা জাক অভয়াৰণ্যখনৰ সমীপৰ ভেলাগুৰি চাহ বাগিচাৰ কাষত মৰিয়নি-তিনিচুকীয়া মূল ৰেলপথ পাৰ হোৱাৰ সময়তে ২০৫০৪ নম্বৰৰ উজনিমুৱা ৰাজধানী এক্সপ্ৰেছ ৰেলখনে জাকটোৰ এটা পোৱালি হাতীক খুন্দিয়ায়। ৰেলৰে কিলোমিটাৰ নম্বৰ ৩৭৭/১-২ৰ মাজত আৰু ছিগনেল নম্বৰ ৯৫ৰ সমীপত সংঘটিত এই ঘটনাত দ্ৰুতবেগী ৰেলখনৰ ইঞ্জিনৰ খুন্দাত হাতীৰ পোৱালিটো উফৰি যায় আৰু থিতাতে মৃত্যু হয়। ৰেল বিভাগৰ সূত্ৰই উল্লেখ কৰা মতে, ঘটনা সংঘটিত হোৱাৰ পাছত নকছাৰী



ৰেল ষ্টেছনত ৰাজধানী এক্সপ্ৰেছৰ চালকে মৌখিকভাৱে ঘটনা সম্পৰ্কে অৱগত কৰে। ৰেল বিভাগে ততাতৈয়াকৈ বন বিভাগক অৱগত কৰে। তাৰ পাছতে ৰেল বিভাগৰ লোক ঘটনাস্থলীত উপস্থিত হয়। মৰিয়নিৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত আৰু মেলেং খণ্ড বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ভেলাগুৰি চাহ বাগিচাৰ সমীপৰ ঘটনাস্থলীত বন বিভাগৰ লোক উপস্থিত হয় মৃত হাতী পোৱালিটোক উদ্ধাৰ কৰাৰ অন্তত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি পুতি থয়। মৃত হাতী পোৱালিটো মতা পোৱালি আছিল আৰু পোৱালিটোৰ বয়স আনুমানিক প্ৰায় আঠ-১০ মাহ হ'ব বুলি বন বিভাগে সন্দেহ কৰিছে। উল্লেখ্য যে এই অঞ্চলটো বনৰীয়া হাতীৰ বিচৰণ ভূমি হৈ পৰিছে। প্ৰায় একেটা স্থানতে ইয়াৰ পূৰ্বেও কে'বাটাও ঘটনা সংঘটিত হৈছে, য'ত তিনিটাকৈ হাতীৰ ৰেলৰ খুন্দাত কৰুণ মৃত্যু হৈছে। কিন্তু ৰেলৰ গতিবেগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এতিয়ালৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইফালে, হাতী পোৱালিটোৰ মৃত্যুৰ পাছত অঞ্চলটোৰ ৰাইজ বনৰীয়া হাতীৰ সম্ভাব্য উপদ্ৰৱৰ আশংকা প্ৰকাশ কৰিছে আৰু বন বিভাগক এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। বন বিভাগৰ এক সূত্ৰ মতে, ঘটনা সংঘটিত হোৱা স্থান বনৰীয়া হাতীৰ কৰিড'ৰৰূপে ঘোষণা কৰা আছে। সূত্ৰটোৰ মতে, ৰেলৰে কিলোমিটাৰ নম্বৰ ৩৭৭/১-১ পৰা পাঁচ লৈকে ঠাইডোখৰ 'এলিফেন্ট কৰিড'ৰ' ৰূপে ঘোষণা কৰি তাত ৰেলৰ গতিবেগ নিয়ন্ত্ৰণৰ নিৰ্দেশ দিয়া আছে। কিন্তু একাংশ ৰেলৰ চালকে সেই নিৰ্দেশ অমান্য কৰি আহিছে। যাৰ বাবেই এই ঘটনা সংঘটিত হোৱা বুলিও অভিযোগ উত্থাপিত হৈছে। বন বিভাগৰ সূত্ৰটোৰ মতে, এই ঘটনাৰ পাছত বন বিভাগে ৰেল বিভাগৰ বিৰুদ্ধে গোচৰ লোৱাৰ সম্ভাৱনা আছে। ইফালে, ঘটনাস্থলীৰ কিছু নিলগত ভেলেউগুৰি কালিয়াগাঁৱত বনৰীয়া হাতীৰ এটা পালে যোৱা নিশা তাণ্ডৱ চলাই এটা ঘৰ ধ্বংস কৰে। বন বিভাগক খবৰ দিয়াৰ পাছত বন বিভাগৰ লোক উক্ত স্থান গৈ পাওঁতে যথেষ্ট পলম হোৱা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। আনকি ইয়াৰ পাছতো হাতীৰ পালটোক খেদি পঠোৱাত বন বিভাগ ব্যৰ্থ হোৱা বুলিও স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰে। দুৰ্ভাগ্যজনকভাৱে তাৰ পাছতেই নিশা ৰেলৰ খুন্দাত হাতী পোৱালিটোৰ মৃত্যু হয়।

## গোসাঁইগাঁৱৰ ভাওৰাগুৰীত গাঁওসভা লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত

অগ্ৰদূত বাৰ্তা

দোতমা, ১৭ ডিচেম্বৰ ঃ গোসাঁইগাঁও খণ্ড উন্নয়নৰ অধীনৰ ভাওৰাগুৰী ভিচিডিচিৰ গাঁওসভাখন আজি ভাওৰাগুৰীস্থিত ভিচিডিচিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। দুই নম্বৰ বৰুৱাপাৰা গাঁৱৰ গাঁওবুঢ়া বুদ্ধদেৱ সাহাৰ সভাপতিত্বত অনুষ্ঠিত সভাত ২০২২-২৩ বিত্তীয় বৰ্ষৰ এমজিএনৰেগা আচনিৰ কামৰ লগতে বিভিন্ন আচনি আৰু গাঁওসমূহৰ বিভিন্ন সমস্যাসমূহক আলোকপাত কৰি আলোচনা কৰা হয়। উক্ত সভাত গোসাঁইগাঁও উন্নয়ন খণ্ডৰ বিষয়বৰীয়া, কচুগাঁও টিচিএলচিচিৰ ভাইচ-চেয়াৰমেন সিদ্ধাৰ্থ নাৰ্জাৰী, ভাওৰাগুৰী ভিচিডিচিৰ চেয়াৰমেন পাৰ্থ পাল, ভাইচ-চেয়াৰমেন পুষ্পনাথ বৰ্মন, কমলসিং ভিচিডিচিৰ চেয়াৰমেন বিজয়া ব্ৰহ্ম প্ৰমুখ্যে আন আন বিশিষ্ট ব্যক্তিসকল, বিভিন্ন পদধাৰী ব্যক্তি, কৰ্মকৰ্তাসকলৰ লগতে ভাওৰাগুৰী ভিচিডিচিৰ অধীনত থকা গাঁওসমূহৰ গাঁওবুঢ়াসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সভাৰ আদিতে বিমান দুৰ্ঘটনাত নিহত দেশৰ চিডিএছ জেনেৰেল বিপিন ৰাৱট আৰু তেওঁৰ পত্নীৰ লগতে ১১ গৰাকী সতীৰ্থৰ বিদেহী আত্মাৰ চিৰশান্তি কামনাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## লখিমপুৰ জিলা বহুভাষিক স্বৰচিত কবিতা প্ৰতিযোগিতাতৰ পুৰস্কাৰ প্ৰদানৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১৭ ডিচেম্বৰ ঃ** অসমীয়া ভাষাক মুখ্য কৰি অসমৰ সৰু-বৰ সকলো ভাষাৰ সামগ্ৰিক উত্তৰণৰ লক্ষ্যৰে কাম কৰি অহা কাব্য-সাহিত্য, সংস্কৃতিৰ অগ্ৰণী ব্যতিক্ৰম ধৰ্মী অনুষ্ঠান লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলন সৌজন্যত অনুষ্ঠিত অসম ভিত্তিত কবিতাৰ প্ৰতিযোগিতাত শীৰ্ষ স্থান লাভ কৰা অসমৰ বিভিন্ন জিলাৰ বিশিষ্ট কবিসকলক ৰাজহুৱা মঞ্চত মানপত্ৰৰে বৰণ কৰা হ'ব। এই উদ্দেশ্য অহা ১৩ ফেব্ৰুৱাৰী লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ নগৰৰ খেলমাটিস্থিত টাউন হাইস্কুলৰ প্ৰেক্ষাগৃহ প্ৰাংগণত এখন সভা অনুষ্ঠিত হ'ব। অসম বহুভাষিক কবি সন্মিলনৰ অন্তৰ্গত লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ ব্যতিক্ৰমধৰ্মী বাৰ্ষিক অনুষ্ঠানত শদিয়াৰ পৰা ধুবুৰীলৈ অসমৰ প্ৰায় সকলোকেইখন জিলাৰ লগতে ৰাজ্যখনৰ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ, মেঘালয়ৰ কে'বাগৰাকী প্ৰথিতযশা কবিৰ উপস্থিতিত এদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত কৰাৰ যো-জা কৰিছে। অসম বহুভাষিক কবি সন্মিলনৰ ৰাজ্যিক উপ-সভাপতি তথা লখিমপুৰ ১৩ পৃষ্ঠাত চাওক

## তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰী নিৱাসত আত্মহত্যা ছাত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৭ ডিচেম্বৰ ঃ** তেজপুৰ বিশ্ববিদ্যালয়ত যোৱা নিশা এগৰাকী ছাত্ৰীৰ আত্মহত্যাৰ ঘটনাক লৈ বিশ্ববিদ্যালয় চৌহদত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষী সূত্ৰে উল্লেখ কৰা মতে, ৰসায়ন বিজ্ঞান বিভাগৰ ইন্টাৰ্গেল এমএছচি শাখাৰ সপ্তম ষাণ্মাসিকৰ ছাত্ৰী অদিতি (২১)ই কপিলী নামৰ ছাত্ৰী নিৱাসটোৰ নিজা কোঠাত চিপ লৈ আত্মহত্যা কৰে। উল্লেখ্য যে ডিব্ৰুগড়ৰ ছাত্ৰীগৰাকীৰ পৰীক্ষা চলি আছিল। তেওঁ আজি পুৱা ন বজা পৰ্যন্ত কোঠাৰ দুৱাৰ নোখোলাত প্ৰথমতে ছাত্ৰী নিৱাসৰ প্ৰিফেক্টে তেওঁলৈ ফোন কৰে যদিও উত্তৰ লাভ নকৰাত তেওঁৰ কোঠাৰ দুৱাৰত ঢকিয়াই মাতে। তৎসত্বেও ছাত্ৰীগৰাকীৰ পৰা সঁহাৰি লাভ নকৰাত বিশ্ববিদ্যালয়খনত কৰ্মৰত এজন চাফাইকৰ্মী আৰু মালীৰ দ্বাৰা কোঠাটোৰ দৰ্জা ভাঙি চোৰাত ছাত্ৰীগৰাকীক চিপ লৈ থকা অৱস্থাত উদ্ধাৰ কৰা হয়। এই বিষয়ে আৰক্ষীক জনোৱাৰ পাছতে স্থানীয় বৰঘাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ছাত্ৰীগৰাকীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ছাত্ৰীগৰাকীৰ আত্মহত্যাৰ কাৰণ এই পৰ্যন্ত উদ্ধাৰ হোৱা নাই। ইতিমধ্যে ছাত্ৰীগৰাকীৰ আত্মীয় তেজপুৰত উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ পাছত চমজি লৈছে।

# সমাধান হ'ব বিটিআৰৰ সকলো ভুমি সমস্যা

## অবড়ো সুৰক্ষা সমিতিৰে মুখ্যমন্ত্ৰীৰ বৈঠক

**বৰমা, ১৭ ডিচেম্বৰ ঃ** অবড়ো সুৰক্ষা সমিতিয়ে আজি অবড়োৰ বিভিন্ন সমস্যা সন্দৰ্ভত জনতা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে এক বৈঠকত মিলিত হয়। গাঁও কৰ্তনৰ সমস্যা জৰুৰীভাৱে সমাধানৰ বাবে সদ্যপ্ৰয়াত অধ্যক্ষ পিপি বাৰ্মাৰ খালি হৈ থকা পদত আইএএছ বিষয়া আশিস ভূটানীক নতুন অধ্যক্ষ হিচাপে দায়িত্ব প্ৰদান কৰা বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। এক বিবৃতিত এই কথা প্ৰকাশ কৰিছে অবড়ো সুৰক্ষা সমিতিৰ সম্পাদক মাধৱ ৰাজবংশীয়ে। বৈঠকত ২০২২ৰ জানুৱাৰীৰ ভিতৰত অবড়ো আন্দোলনৰ ছহিদসকলক চৰকাৰে আৰ্থিক সাহায্য প্ৰদানৰ নিশ্চয়তা দিয়ে বুলি প্ৰকাশ কৰা হয় বিবৃতিত। আনহাতে, সাহায্য প্ৰদানৰ বাবে চৰকাৰীভাৱে কৰণীয় সকলো ব্যৱস্থা ১৩ পৃষ্ঠাত চাওক

# ছাইড বাম নোহোৱাকৈয়ে ২৩ কোটিটকীয়া মঙলদৈ মাজিকুছি পথ নিৰ্মাণ

## সৰৱ স্থানীয় দল সংগঠন ঃ তদন্তৰ দাবী

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১৭ ডিচেম্বৰ ঃ** মঙলদৈ মাজিকুছি পথৰ ভেবাৰঘাটৰ পৰা হলৌচৌকালৈ প্ৰায় ন কিলোমিটাৰ পথ আৰআইডিএফ আঁচনিৰ অধীনত প্ৰায় ২৩ কোটি টকাৰ বিনিময়ত পুনৰ নিৰ্মাণৰ দায়িত্ব পোৱা জনৈক আগৰৱালা এণ্ড কোম্পানীয়ে অতি লেহেমীয়া আৰু নিম্নমানৰ কামেৰে জনসাধাৰণক আভুৱা ভাঁৰাৰ অভিযোগ উঠিছে। পথটোৰ কে'বাঠাইতো কালভাৰ্টসমূহ নিৰ্মাণত বিলম্ব কৰাৰ ফলত পথচাৰী আৰু যানবাহনক জীয়াতু ভোগাইছে। সম্প্ৰতি এই পথটোত বহুকেইটা দুৰ্ঘটনাও সংঘটিত হৈছে। গুৰুত্বপূৰ্ণ কথাটো হ'ল, এই ন কিলোমিটাৰ পথছোৱাৰ দুয়োকাষে ক'তোৱেই ছাইদ বাম নিৰ্মাণ নকৰাত ২৩ কোটি টকাৰে নিৰ্মিত পথছোৱা দৃষ্টিকটু হোৱাৰ লগতে দুয়োফালৰ পৰা মাটি জহি-খহি গৈ শীঘ্ৰেই ধ্বংসপ্ৰাপ্ত হোৱাৰ সম্ভাৱনাই দেখা দিছে। দৰঙৰ অধিকাংশ কামেই তেওঁ হস্তগত কৰি শামুকীয়া গতি আৰু নিম্নমানৰ কামেৰে সম্পন্ন কৰাৰ ফলত ৰাইজে সুফল লাভ কৰাৰ পূৰ্বেই পথসমূহ ধ্বংসপ্ৰাপ্ত হয় আৰু সেইবিলাকৰ নতুনকৈ নিৰ্মাণৰ কামো তেৱেঁই লাভ কৰাৰ অভিযোগ উঠিছে। সকলো দেখাৰ পাছতো অনিয়ম আৰু দুৰ্নীতিৰ কোনো তদন্ত নাই। কালি এই অভিযোগ কৰিছে স্থানীয় দল-সংগঠনে। মঙলদৈ মাজিকুছি পথৰো অৱস্থা হ'বলৈ ধৰিছে তথৈবচ। কিয়নো ছাইড বামৰ নামত মাটি এচপৰাও নপৰাত পথটোৰ অধিকাংশতে বিশেষকৈ হাউলি মোহনপুৰৰ পৰা হলৌচৌকালৈকে ছাইডবাম জৰাজীৰ্ণ হৈ আছে আৰু বহু ঠাইত কেৱল পকী অংশ নাঙঠ হৈ পৰাত পথটোৰ পকী অংশ অচিৰেই বিনষ্ট হোৱাৰ লগতে দুৰ্ঘটনা হোৱাৰ সম্ভাৱনাও ঘনীভূত হৈছে। এই ক্ষেত্ৰত স্থানীয় দল-সংগঠন আৰু সচেতন নাগৰিকে বিভাগীয় কৰ্তৃপক্ষ আৰু চৰকাৰক বিভিন্ন সময়ত দাবী জনাই আহিছে যদিও গা লৰা নাই বিভাগীয় কৰ্তৃপক্ষৰ। সেয়ে বিষয়টোক লৈ পুনৰ সৰৱ হৈ পৰিছে অঞ্চলটোৰ নেতৃস্থানীয় ব্যক্তি আৰু বিভিন্ন দল-সংগঠন। সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়া, সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিৰ সাধাৰণ সম্পাদক ১৩ পৃষ্ঠাত চাওক

# শালবাৰীত জনজাতিকৰণৰ দাবীত আদিবাসী ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ

## তিনিজনকৈ সাংসদৰ পুত্তলিকা দাহ সংগঠনটোৰ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৭ ডিচেম্বৰ ঃ** অসমৰ আদিবাসীসকলক জনজাতিকৰণ কৰাৰ দাবীত লগতে জনজাতিকৰণৰ ক্ষেত্ৰত অসমৰ তিনিজনকৈ সাংসদে সংসদত আদিবাসীসকলক লৈ কোনো ধৰণৰ মাত নমতাৰ বাবে আজি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাৰ বাঁহবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত বৰপেটা ৰোড-মানাহ ৰাষ্ট্ৰীয় ১৩ পৃষ্ঠাত চাওক



# ডিমৌত বিএছএনএলৰ ব্ৰড বেণ্ড সেৱা অনিয়ম ঃ হাৰাশাস্তিৰ সন্মুখীন জনসাধাৰণ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৭ ডিচেম্বৰ ঃ** ডিমৌত যোৱা এমাহে ভাৰত সঞ্চাৰ নিগম লিমিটেড (বিএছএনএল) ব্ৰড বেণ্ড ইণ্টাৰনেট সেৱা বিকল হৈ থকাত ৰাইজে হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। বিভিন্ন চৰকাৰী আঁচনি অন লাইন কৰিবলগীয়া হোৱাত বিভিন্ন চৰকাৰী, বেচৰকাৰী কাৰ্যালয়সমূহে ব্যাপক অসুবিধাৰ সন্মুখীন হৈ অহা পৰিলক্ষিত হৈছে। ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি সকলো শ্ৰেণীৰ লোকৰ জৰুৰী প্ৰয়োজনীয় সময়ত প্ৰয়োজন হোৱা নথিপত্ৰ নোপোৱাত বহুতো শৈক্ষিক, চৰকাৰৰ তৰফৰ পৰা দৰিদ্ৰ লোকৰ বাবে আগবঢ়োৱা বিভিন্ন কল্যাণমূলক আঁচনিৰ পৰাও জনসাধাৰণ বঞ্চিত হ'ব লগা হৈছে। চৰকাৰী কাৰ্যালয়, বেচৰকাৰী প্ৰতিষ্ঠানসমূহে বাৰম্বাৰ বিএছএনএল কৰ্তৃপক্ষক অনুৰোধ জনাই অহাৰ পাছতো বিকল ইণ্টাৰনেট সেৱা উপলব্ধ কৰোৱাৰ ক্ষেত্ৰত কোনো গুৰুত্ব আৰোপ নকৰাৰ অভিযোগ উঠিছে। বিশেষকৈ ডিমৌ ৰাজহ চক্ৰ কাৰ্যালয় আৰু ডিমৌ উন্নয়ন খণ্ডত ইণ্টাৰনেট সেৱাৰ অভাৱত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছে। থাওৱা সমষ্টিৰ বিভিন্ন ভিতৰুৱা অঞ্চলৰ পৰা সদ্য বৰ্দ্ধিত পৰিবহণ ভাড়া ব্যয় কৰি বাৰম্বাৰ কাৰ্যালয়সমূহলৈ তাঁত-বাটি কৰাৰ পাছতো বিএছএনএল ইণ্টাৰনেট সেৱাৰ অভাৱ তথা বিভাগটোৰ অকৰ্মণ্যতাৰ বাবে অনাহক অৰ্থ ব্যয়ৰ উপৰি দুৰ্ভোগ ভুগিছে। যাৰ বাবে ডিমৌৰ জাতীয় সংগঠনসমূহেও বিএছএনএল কৰ্তৃপক্ষৰ বিৰুদ্ধে বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

## লাহৰীঘাটত বিবাহিত মহিলাই প্ৰেমৰ চলনাৰে ছাত্ৰীক পলুৱাই নি ৰঙাঘৰৰ আলহী

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১৭ ডিচেম্বৰ ঃ** লাহৰীঘাটত এগৰাকী বিবাহিতা মহিলাই প্ৰেমৰ চলনাৰে এগৰাকী ছাত্ৰীক পলুৱাই নিবলৈ গৈ ৰঙাঘৰৰ আলহী হ'বলগীয়া হয়। ধৃত মহিলাগৰাকীৰ নাম ৰুবিনা খাতুন। মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বটালিমাৰী গাঁৱৰ ৰুবিনা খাতুন নামৰ বিবাহিত মহিলাগৰাকীয়ে নিজকে ইক্ৰামূল হুছেইন বুলি পৰিচয় দি জিলাখনৰে লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত তিনিচুকীয়া ম'হমৰা গাঁৱৰ এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰীৰ লগত ছমাহ ধৰি ম'বাইল যোগে প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলে। অৱশ্যে এই সন্দৰ্ভত স্থানীয় একাংশ লোকে গোপন তথ্য লাভ কৰি মহিলাগৰাকীক আটক কৰাৰ সন্ধানত আছিল। এনে অৱস্থাতে প্ৰেমৰ সূত্ৰে বিবাহিত মহিলাগৰাকীয়ে অৱশেষত আজি প্ৰেমিকা ছাত্ৰীগৰাকীৰ ঘৰলৈ গৈছিল। পাছত স্থানীয় ৰাইজে ছাত্ৰীগৰাকীক ক'ৰবাত নিয়াৰ সন্দেহ কৰি দুয়োকে আটক কৰি লাহৰীঘাট আৰক্ষীক গতাই দিয়ে। সম্প্ৰতি দুয়ো লাহৰীঘাট থানাত আছে আৰু আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। স্থানীয় ৰাইজৰ সন্দেহ, বিবাহিতা মহিলাগৰাকীয়ে প্ৰেমৰ চলনাৰে ছাত্ৰীগৰাকীক বহিঃৰাজ্যলৈ লৈ গৈ বিক্ৰী কৰাৰ এক ষড়যন্ত্ৰ ৰচনা কৰিছে। অৱশ্যে এই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে আৰু আৰক্ষীৰ তদন্ততহে সমস্ত ঘটনাৰ প্ৰকৃত সত্য উদ্‌ঘাটন হ'ব।

# জামুগুৰিহাটত 'নদুৱাৰ সমন্বয় জাতীয় বিদ্যালয়'ৰ আধাৰশিলা স্থাপন

■ 'প্ৰফুল্লিত প্ৰফুল্ল' নামৰ স্মৰণিকা উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৭ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ মুঢ়াদলত আজি 'নদুৱাৰ সমন্বয় জাতীয় বিদ্যালয়' নামৰ এখন বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। ইয়াৰ পাছতে উত্তৰ জামুগুৰি শাখা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত বিধায়কজনে মূঞ্জাদলগাঁও নিবাসী তথা উত্তৰ জামুগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক নদুৱাৰ জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক, শিল্পী, সাহিত্যিক প্ৰয়াত প্ৰফুল্ল হাজৰিকাৰ সোঁৱৰণত উত্তৰ জামুগুৰি সাহিত্য সভাই পৰিয়ালবৰ্গৰ সহযোগত প্ৰকাশ কৰি উলিওৱা 'প্ৰফুল্লিত প্ৰফুল্ল' নামৰ স্মৰণিকাখন উন্মোচন



কৰে। অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে স্থানীয় ৰাইজ পুৰুষ-মহিলাৰ উপস্থিতিত অনুষ্ঠিত সভাখনত ভাষণ দি বিধায়কজনে প্ৰয়াত প্ৰফুল্ল হাজৰিকাৰ গুণানুকীৰ্তন কৰাৰ লগতে প্ৰকাশিত স্মৰণিকাখনৰ জৰিয়তে ৰাইজে বিশিষ্ট বক্তি তথা শিল্পী-সাহিত্যিক, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকগৰাকীৰ বিষয়ে অৱগত হ'ব আৰু তেওঁৰ স্মৃতি যুগমীয়া কৰি ৰাখিব। বিধায়কজনে আৰু কয় যে নদুৱাৰ সমন্বয় জাতীয় বিদ্যালয়খনৰ আজি আধাৰশিলা স্থাপন কৰা হ'ল। এই বিদ্যালয়ৰ লগত মোৰ এক আবেগ জড়িত হৈ ১৩ পৃষ্ঠাত চাওক

## ক'ভিডত পুনৰ আক্ৰান্ত এজন হোজাইত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৭ ডিচেম্বৰ ঃ** ক'ভিডৰ দ্বিতীয় লহৰত হোজাইত আজি পুনৰ এজন আক্ৰান্ত হয়। আজি মুঠ ১৬১ জনক ৰেট আৰু ১০ জনক আৰটিপিচিআৰ পৰীক্ষা কৰা হয় আৰু এজনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। আজিৰ আক্ৰান্তজনক লৈ জিলাখনত পাঁচজন ক'ভিড ৰোগী সক্ৰিয় হৈ আছে। ইয়াৰে এজন ঘৰত, এজন গুৱাহাটীৰ চিকিৎসালয়ত আৰু বাকী তিনিজন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে বুলি জিলা প্ৰশাসনৰ শীৰ্ষ সূত্ৰত প্ৰকাশ। ক'ভিডৰ দ্বিতীয় লহৰত আজিলৈকে হোজাইত মুঠ ৬৪৫৭জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে ২০০ লোকৰ মৃত্যু ঘটিছে। উল্লেখ্য যে কালি জিলাখনত পৰীক্ষা কৰোতে এজনো আক্ৰান্ত হোৱা নাছিল।

# সমাজক সঠিক পথত আগুৱাই নিবলৈ গ্ৰন্থ অধ্যয়ন-বৌদ্ধিক আন্দোলন গঢ়িব লাগিব

## শংকৰ-আজান সমন্বয় ক্ষেত্ৰত ষষ্ঠ কয়াকুছি গ্ৰন্থ-বাণিজ্য মেলা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ১৭ ডিচেম্বৰ ঃ** 'সমাজক সঠিক পথত আগুৱাই নিবলৈ হ'লে গ্ৰন্থ অধ্যয়ন আৰু বৌদ্ধিক আন্দোলন গঢ়িব লাগিব'-এই মন্তব্য বিশিষ্ট সাংবাদিক হাইদৰ হুছেইনৰ। কালি কয়াকুছি শংকৰ-আজান সমন্বয় ক্ষেত্ৰত আৰম্ভ হোৱা ষষ্ঠ কয়াকুছি গ্ৰন্থ আৰু বাণিজ্য মেলা উদ্বোধন কৰি দিয়া ভাষণত তেওঁ এইদৰে কয়। তেওঁ পুনৰ কয় যে শিক্ষাই বা জ্ঞানে হিংসা কৰিবলৈ নিশিকায়, শিক্ষা আৰু জ্ঞানে মানুহৰ মাজত সংযোগ ঘটায়, জাতি-ধৰ্ম-ভাষা পাহৰি ভাল সমাজ গঢ়িবলৈ প্ৰেৰণা যোগায়। সকলো শান্তি-সম্প্ৰীতি নিৰ্মাণৰ উৎস হৈছে গ্ৰন্থ। গতিকে গ্ৰন্থমেলা আৰু গ্ৰন্থ আন্দোলন গঢ়ি তুলিবলৈ বৌদ্ধিক সমাজে গুৰুত্ব প্ৰদান কৰিব লাগিব। তেওঁ আৰু কয় যে বৰ্তমান মদ-ড্ৰাগছ আৰু অন্যান্য নিচাতকৈয়ো ম'বাইল বা ইণ্টাৰনেটৰ অব্যৱহাৰ বা বিপদগামী ব্যৱহাৰে যুৱ সমাজক বিপদগামী কৰি তুলিছে, গতিকে গ্ৰন্থ অধ্যয়নেৰে আমি সুস্থ সমাজ গঢ়াৰ প্ৰতি সচেতন সমাজে গুৰুত্ব প্ৰদান কৰিব লাগিব। কৰ্মমুখী যুৱ সমাজ গঢ়িবলৈয়ো আমি দায়িত্ব ল'ব লাগিব। তেওঁ পুনৰ কয় যে কয়াকুছিৰ বিভিন্ন পৰীক্ষাৰ ফলাফলে আমাক আনন্দিত কৰে, তেনেকৈয়ে কয়াকুছি গ্ৰন্থ মেলায়ো সমাজত ইতিবাচক প্ৰভাৱ পেলাবলৈ নিশ্চয় সক্ষম হ'ব আৰু আমি এই গ্ৰন্থ আন্দোলনৰ লগত জড়িত থাকিম আৰু সমাজৰ উন্নয়নৰ স্বাৰ্থত কাম কৰি যাম বুলি মন্তব্য আগবঢ়াই আটাইকে আন্তৰিক শুভেচ্ছা জনায়। গণ অধিকাৰ কাকতৰ পৰিচালন সঞ্চালক ছাহজাহান তালুকদাৰে কয় যে বহুতো সচেতন নাগৰিক আৰু অধিকাংশ শিক্ষক সমাজেও বাতৰি কাকত নপঢ়ে, যিসকলে প্ৰতিদিনত দুই-তিনিটাকৈ ১২-১৫ টকীয়া জৰ্দা বা মিঠাপাতি পাণ খায়। আনহাতে, সাহিত্যিক থানেশ্বৰ মালাকাৰে 'প্ৰতিজন শিক্ষাৰ্থীয়ে প্ৰতিদিনৰ ডায়েৰী ব্যৱহাৰ কৰিব লাগে' বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়। সাহিত্যিক মালাকাৰ কয় যে অভিভাৱকসকলে প্ৰতিজন শিক্ষাৰ্থীক নতুন বছৰত ডায়েৰী কিনি উপহাৰ দিব লাগে। যাৰ মাধ্যমত দিনটোত কি কি ভাল বা বেয়া কাম কৰিলে তাক পৰৱৰ্তী সময়ত শিক্ষাৰ্থীসকলে ৰিয়েলাইজ কৰিব পাৰে। আনহাতে, তেওঁ ড° এপিজে আব্দুল কালাম, লালবাহাদুৰ শাস্ত্ৰী আদিৰ দৰে ব্যক্তিসকলৰ জীৱনী পঢ়াৰ প্ৰতি অভিভাৱকে গুৰুত্ব প্ৰদান কৰিব লাগিব। অনুষ্ঠানত বৰপেটা জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই ভাষণত শিক্ষাৰ্থীৰ স'তে অভিভাৱকক কয় যে এখন ভাল গ্ৰন্থ হৈছে জীৱনৰ প্ৰকৃত বন্ধু, গ্ৰন্থ অধ্যয়ন অবিহনে আমাৰ সমাজ সঠিক পথত আগবঢ়াটো অনিশ্চিত দিশে, গ্ৰন্থ হৈছে এখন সমাজৰ আইনা, গতিকে ভাল গ্ৰন্থ অধ্যয়ন কৰি আমাৰ জীৱনটো আইনাৰ দৰে ফটফটীয়াকৈ আৰু কলুষ-কলিমা নোহোৱাকৈ বা জাকজমককৈ গঢ়িব লাগিব আৰু প্ৰতি সচেতন মহল আৰু শিক্ষাৰ্থীসকলে গুৰুত্ব প্ৰদান কৰিব লাগিব। অহা ২২ ডিচেম্বৰলৈ চলিবলগীয়া ষষ্ঠ গ্ৰন্থমেলাৰ কালি পুৱা ছয় বজাত সউকত আলী আহমেদ, ছাদুল্লাহ আহমেদ, মিতুল আহমেদৰ তত্বাৱধানত চাফাই অভিযানৰ পাছত আঠ বজাত ষষ্ঠ কয়াকুছি গ্ৰন্থ আৰু বাণিজ্য মেলা পৰিচালনা সমিতিৰ সভাপতি আবুল হুছেইনে পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পাছত বিভিন্ন অনুষ্ঠানৰ মুৰব্বীসকলে কয়াকুছিৰ বিভিন্ন ঠাইত বৃক্ষৰোপণ কৰে। আবেলি দুই বজাত গ্ৰন্থ আৰু বাণিজ্য মেলাৰ উদ্বোধনী আৰু উন্মোচনী সভা শংকৰ-আজান সমন্বয় ক্ষেত্ৰত সভাপতি আবুল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি বি বৰুৱা মহাবিদ্যালয়ৰ ১৩ পৃষ্ঠাত চাওক

জনগোষ্ঠীয় সমাৰোহেৰে মুখৰিত হ'ব সমন্বয় ক্ষেত্ৰৰ বাকৰি

# ১০৫ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ১৭ ডিচেম্বৰ ঃ** গোলাঘাট জিলা সাহিত্য সভাৰ উদ্যোগত, জিলাখনৰ শাখা সাহিত্য সভাসমূহ, বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত গোলাঘাট শাখা সাহিত্য সভা আৰু পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ আতিথ্যত অহা ২৭ ডিচেম্বৰত গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত উদ্‌যাপিত হ'ব অসম সাহিত্য সভাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস। প্ৰতিষ্ঠা দিৱসৰ আদৰণি সমিতিয়ে প্ৰস্তুতি পূৰ্ণগতিত অব্যাহত ৰাখিছে। প্ৰস্তুতি সন্দৰ্ভত আজি গোলাঘাট প্ৰেছ ক্লাবত আদৰণি সমিতিৰ এখন সংবাদমেল আয়োজন কৰা হয়। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া, জিলা প্ৰতিনিধি তথা আদৰণি সমিতিৰ সাধাৰণ সম্পাদক দিগন্ত কুমাৰ ভূঞা, গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি পৱিত্ৰ বৰবৰা, আদৰণি সমিতিৰ সভাপতি পূৰ্ণ ৰাজখোৱা, কাৰ্যকৰী সভাপতি দেৱজিৎ ফুকন, প্ৰচাৰ সমিতিৰ উপদেষ্টা সমীৰণ দিগন্ত বৰা, সভাপতি মোস্তাক হুছেইন, সম্পাদক প্ৰবীণ কুমাৰ দাস আদিয়ে অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে ২৭ ডিচেম্বৰত পুৱা ৮-৩০ বজাত ১০৫ খন পতাকা উত্তোলন কাৰ্যসূচীত অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়া, প্ৰধান সম্পাদক যাদৱ শৰ্মা, উপ-সভাপতি মৃণালিনী দেৱী, অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদ চন্দ্ৰ তাছা, প্ৰাক্তন প্ৰধান সম্পাদক পদুম ৰাজখোৱা, কেন্দ্ৰীয় প্ৰতিনিধি, জিলা সাহিত্য সভাৰ সভাপতি, গোলাঘাট জিলাৰ শাখা সাহিত্য সভাসমূহৰ সভাপতি, জাতীয়-জনগোষ্ঠীয় সংগঠনৰ নেতৃত্ব, জ্যেষ্ঠ নাগৰিক, প্ৰবীণ সাংবাদিক, মহাবিদ্যালয়ৰ অধ্যক্ষ আদিয়ে উত্তোলকৰূপে অংশগ্ৰহণ কৰিব। দবা, শঙ্খ, কাঁহ, গায়ন-বায়নৰ ধ্বনিৰে মুখৰিত হ'ব পৱিত্ৰ পতাকা উত্তোলন কাৰ্যসূচী। ইয়াৰ পাছতেই অনুষ্ঠিত হ'ব স্মৃতি তৰ্পণ কাৰ্যসূচী। ইয়াৰ পাছতে ১০৫গৰাকী মহিলাই 'অ' মোৰ আপোনাৰ দেশ' গীত পৰিৱেশন কৰিব। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব বৰ্ণাঢ্য সাংস্কৃতিক সমাৰোহ আৰু প্ৰতিষ্ঠা দিৱসৰ মুকলি সভা। অসম সাহিত্য সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত নগালেণ্ডৰ সৰ্বোচ্চ আৰু সন্মানীয় অভিভাৱক জাতীয় সংগঠন নগা হোহোৰ অধ্যক্ষ এইছ কে জিম্মীয়ে মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব। মুকলি সভা উদ্বোধন কৰিব অৰুণাচলৰ বিশিষ্ট লেখক, সাহিত্যিক, ভাৰতীয় বায়ু সেনাৰ ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত, অৱসৰপ্ৰাপ্ত উচ্চ পদস্থ বিষয়া মহন্ত পাংগিঙে। উক্ত সভাত অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী, মন্ত্ৰী অজন্তা নেওগ, অতুল বৰা, বিধায়ক বিশ্বজিৎ ফুকন, মৃণাল শইকীয়া, ভবেন্দ্ৰ নাথ ভৰালী, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰ প্ৰসাদ বৰুৱা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমাই, সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক উদয়ন গগৈ, গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, আৰক্ষী অধীক্ষক সুমিত শৰ্মা, নুমলীগড় শোধনাগাৰৰ মানৱ সম্পদ বিভাগৰ মুখ্য মহাপ্ৰবন্ধক কাজল শইকীয়া, উপ-মহাপ্ৰবন্ধক মিণ্টু সন্দিকৈ, বড়ো, কাৰ্বি, মিচিং আদি সাহিত্য সভা, আটছা, আছা সংগঠনৰ নেতৃত্বই অংশগ্ৰহণ কৰিব। জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত বড়ো, কাৰ্বি, মিচিং, ৰাভা, বিহু, উড়িয়া জনগোষ্ঠীয় নৃত্য, মহিলাৰ ভোৰতাল, ঝুমুইৰ, কণ কণ ছাত্ৰ-ছাত্ৰীৰ প্ৰাৰ্থনা গীত, সত্ৰীয়া নৃত্য আদিৰে উক্ত দিনা মুখৰিত হ'ব গোলাঘাট সমন্বয় ক্ষেত্ৰৰ বাকৰি।

■ কৰবিহীনভাৱে কোটি টকাৰ ব্যৱসায় ■ মৃত গাহৰিৰ মাংস খুৱাই কৰিছে জনস্বাস্থ্যৰ ক্ষতি

# বহিঃৰাজ্যৰ পৰা অহা গাহৰি বেপাৰীৰ দৌৰাত্ম্য




*নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ধৰ্ণা, সোণাপুৰত শুকুৰবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৭ ডিচেম্বৰ ঃ** বহিঃৰাজ্যৰ পৰা অসম আৰু নগালেণ্ড, অৰুণাচল আদিলৈ অহা একাংশ তিনিখলপীয়া গাহৰি গাড়ীৰ ছিণ্ডিকেটৰ মালিকৰ দৌৰাত্ম্যই এতিয়া আমগুৰিত ত্ৰাসৰ সৃষ্টি কৰিছে। এই গাড়ীসমূহত কঢ়িয়াই অনা শ শ গাহৰিৰ ব্যৱসায় মূলতঃ শিৱসাগৰ জিলাৰ আমগুৰি আৰু নগালেণ্ডক কেন্দ্ৰ কৰি দীৰ্ঘদিন ধৰি চলি আহিছে। আমগুৰিৰ ভূঞা ভ্ৰাতৃদ্বয়ে উজনি অসমত এই ব্যৱসায়ত একচেটিয়াভাৱে দখল কৰি ক্ষুদ্ৰ গাহৰি পালকৰ ভাত মাৰিছে। ফলত এওঁলোকৰ গাড়ী চালকসকলেও ৰাস্তাত বেপেৰুৱা হৈ গাড়ী চলাবলৈ ধৰাত দুৰ্ঘটনা, প্ৰদূষণ আদি সৃষ্টি কৰি সাধাৰণ জনতাক হাৰাশাস্তি কৰি আহিছে। এনে ঘটনাৰ ফলস্বৰূপে কালি সন্ধিয়া ভূঞা ভ্ৰাতৃদ্বয়ৰ হালোৱাটিঙৰ দিশৰ পৰা অহা উত্তৰপ্ৰদেশৰ তিনিখলপীয়া ৫১ ফুট দীঘল খালী গাহৰি গাড়ী এখনে তীব্ৰ বেগেৰে আহি আমগুৰি নগৰৰ বামুণ গাঁও সমীপত থকা বিদ্যুৎ পৰিষদৰ খুঁটাত খুন্দিয়ায়। বিদ্যু পৰিবাহী খুঁটাত খুন্দিওৱাত খুঁটা উভাল খাই কাষত ৰৈ থকা এপেত খুন্দা মৰাত এখন গাড়ীৰ আগফাল বিধ্বস্ত হয় আৰু এপে চালকজনে জপিয়াই কথমপি মৃত্যুৰ পৰা হাত সাৰে। ইফালে, এই দুৰ্ঘটনাৰ বাবে প্ৰায় আধা ঘন্টা ধৰি আমগুৰি নগৰখনত বিদ্যুৎ সৰবৰাহ বন্ধ হৈ পৰে। আমগুৰি থানাৰ পৰা প্ৰায় ৫০ মিটাৰ দূৰত্বত ঘটা এই ঘটনাৰ পাছতে স্থানীয় পথাচাৰীৰ বাধা নেওচি গাড়ীখন তীব্ৰ বেগত জাঁজীৰ দিশে পলায়ন কৰে। পাছত একাংশ সচেতন লোকে জাঁজীত গৈ জেএইছ-০১ইএইছ- ২৪০০ নম্বৰৰ গাড়ীখন আগচি ধৰি আমগুৰি আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে গাড়ীখন কৰায়ত্ত কৰি চালকক থানালৈ নিয়ে। উল্লেখ্য যে গাহৰি কঢ়িয়াই অনা এই তিনিখলপীয়া গাড়ীকে ধৰি অন্যান্য দুখলপীয়া গাড়ীবোৰ ৬১ নম্বৰ ঘাইপথৰ হিলৈদাৰী গাঁৱত থকা পেট্ৰ'ল ডিপ' এটাৰ কাষত যোৱা দুবছৰৰ পৰা প্ৰায়ে ৰখাই থয়। এই গাড়ীসমূহৰ পৰা নিৰ্গত উৎকট গোন্ধ স্বাস্থ্যৰ পক্ষে হানিকাৰক তথা প্ৰদূষণযুক্ত আৰু নানা বেমাৰৰ বীজাণু বাহক। নাকত সোপা নিদিয়াকৈ ঠাই টুকুৰা পাৰ হৈ যাব নোৱাৰি। জনবসতিপূৰ্ণ গাঁওখনত এনেদৰে বেমাৰৰ বীজাণু বাহক গাড়ীবোৰ যে প্ৰশাসনৰ সাহসতে ৰাখি জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই আনিছে সি সহজে অনুমেয়। আনহাতে, ভূঞা ভ্ৰাতৃদ্বয়, গগৈ আৰু শইকীয়াই কৰা বহিঃৰাজ্যৰ গাহৰি ব্যৱসায়ে স্থানীয় গাহৰি পালকক ভাতে মৰাৰ ষড়যন্ত্ৰ কৰাৰ লগতে বহিঃৰাজ্যৰ পৰা কে'বাদিনো আহি থকা অৱস্থাত মৃত্যু হোৱা গাহৰিবোৰ হালোৱাটিঙৰ বজাৰত কাটি পলিথিন আৰু কাৰ্টুনত ভৰাই অসমৰ বিভিন্ন ঠাইৰ বজাৰত বিক্ৰী কৰি গাহৰি মাংস প্ৰিয় লোকক বৰবিহ খুৱাই আছে। উল্লেখ্য যে নগালেণ্ডত মৰা গাহৰি বেচিব নোৱাৰে। আনহাতে, বহিঃৰাজ্যৰ পৰা অনা গাহৰি মাৰিলে সেই গাহৰিৰ মূল্য ফাৰ্মৰ মালিকক দিব নালাগে যদিও এই বেপাৰীকেইজনে মৰা গাহৰিৰ মঙহতো লাভ খাই অসমৰ গাহৰি মাংস প্ৰিয় ৰাইজক গেলা গাহৰিৰ মাংস নিয়মীয়াকৈ খুৱাই আছে যদিও গাহৰি পালক, দল, সংগঠন আৰু শিৱসাগৰৰ পশুচিকিৎসা বিভাগ আৰু প্ৰশাসনৰ নিৰ্লিপ্ততা ৰহস্যজনক। বহিঃৰাজ্যৰ পৰা অহা এই কোটিটকীয়া গাহৰি ব্যৱসায়ৰ বাবদ অসম চৰকাৰে এপইচাও কৰ নাপায়। কেইজনমান যুৱকে চলাই অহা এই গাহৰি ছিণ্ডিকেটৰ স'তে মন্ত্ৰী আৰু প্ৰভাৱশালী লোক জড়িত আছে বুলি ইতিমধ্যে সংবাদমাধ্যমত একাধিকবাৰ প্ৰকাশ হৈ গৈছে। মৃত আৰু গেলা গাহৰিৰে অসমৰ বজাৰ ভৰাই জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই অনা এই বেপাৰী তথা ছিণ্ডিকেটৰ নায়কসকলৰ প্ৰতি মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা গ্ৰহণ কৰাটো সচেতন লোকে দীৰ্ঘদিন ধৰি কামনা কৰিছে।

## ডিমৌৰ ধেমেচীত বাঘৰ উপদ্ৰৱ ঃ আতংকিত গঞা

**অগ্ৰদূত বাৰ্তা,**

**ডিমৌ, ১৭ ডিচেম্বৰ ঃ** ডিমৌৰ কাষৰীয়া তথা খোৱাং বন উপ-সংমণ্ডল কাৰ্যালয়ৰ অন্তৰ্গত ধেমেচী টেপচালি বামত এটা নাহৰফুটুকী বাঘে অঞ্চলটোত পশুধন নিধন কৰি গাঁওবাসীক আতংকিত কৰিছে। শিঙৰাজান নদীৰ কাষৰ ঘন হাবিত আশ্ৰয় লৈ থকা নাহৰফুটুকী বাঘটোৱে সন্ধিয়া হোৱাৰ লগে লগে গ্ৰামাঞ্চলত প্ৰৱেশ কৰি পশুধন খাই সন্ত্ৰাস সৃষ্টি কৰি আহিছে। যোৱা নিশা বাঘটোৱে টেপচালি গাঁৱৰ ভৰত বৰা নামৰ লোকজনৰ দুটাকৈ ছাগলী নিধন কৰি পেলাই থৈ যায়। আজি পুৱা গৃহস্থই ছাগলী খুলিবলৈ গৈ গড়ালৰ ওচৰতে দুটাকৈ ছাগলী পৰি থকা প্ৰত্যক্ষ কৰে। বাঘটোৱে দুইটা ছাগলীৰ কিছু অংশ ভক্ষণ কৰি এৰি থৈ যায়। অঞ্চলটোত বাঘৰ মুক্ত বিচৰণৰ সন্দৰ্ভত খোৱা বন উপ-সংমণ্ডল কাৰ্যালয়ক অৱগত কৰিছে যদিও বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে বৰ্তমানলৈকে বাঘটো পিঞ্জৰাবদ্ধ কৰাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। যাৰ ফলত অঞ্চলটোৰ ৰাইজ আতংকিত হৈ পৰিছে।

## ক'ভিডত লোকচানৰ সন্মুখীন হোৱা শিল্পী চৰকাৰী সাহায্যৰ পৰা বঞ্চিত

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৭ ডিচেম্বৰ ঃ** অসমীয়া জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া সংস্কৃতিত বাদ্যযন্ত্ৰই এক বিৰল ভূমিকা পালন কৰি আহিছে। ঢোল, খোল, দবা, নাগাৰা, টোকাৰী আদি লোকবাদ্যসমূহৰ অবিহনে সংস্কৃতিক ধৰি ৰখাটো উজু নহয়। লখিমপুৰ জিলাৰ বিভিন্ন স্থানত লোকবাদ্য প্ৰস্তুত আৰু মেৰামতিৰ বৃত্তিত একো একোটা পৰিয়াল প্ৰজন্ম প্ৰজন্ম ধৰি কামত জড়িত হৈ আছে। ইয়াৰ ব্যতিক্ৰম নহয় উত্তৰ লখিমপুৰ নগৰৰ একাংশ থলুৱা বাদ্যযন্ত্ৰ প্ৰস্তুতকাৰী শিল্পী। দাস মিউজিকেল ষ্টোৰ, মা সৰস্বতী মিউজিকেল ষ্টোৰকে ধৰি চহৰখনত প্ৰায় আঠ-১০খন এই বৃত্তিত নিয়োজিত বিপণী আছে। লোকবাদ্য প্ৰস্তুত আৰু মেৰামতিৰ বৃত্তিৰ স'তে দীৰ্ঘদিন ধৰি ওতঃপ্ৰোতভাৱে জড়িত থলুৱা বাদ্যযন্ত্ৰ শিল্পী হৰেন দাসে সদৰী কৰা মতে, বিগত ২০২০-২১ৰ ক'ভিড সৃষ্ট পৰিস্থিতিত তেওঁলোকৰ ব্যৱসায়ত একেবাৰে লোকচান হোৱাত পেটত গামোচা বান্ধি থকাৰ অৱস্থাৰ উপক্ৰম



হৈছিল। এই লোকচানৰ পৰিমাণ কেতিয়াও পূৰণ নহ'ব। ক'ভিড সৃষ্ট পৰিৱেশত কোঙা হোৱা থলুৱা বাদ্যযন্ত্ৰ প্ৰস্তুত কৰা শিল্পীসকলে কিছু সকাহ পাবৰ বাবে সাহায্য প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান জনাইছে। তদুপৰি ২০২২ত পুনৰ ক'ভিডৰ বাবে তলাবন্ধ সম্ভাব্য আশংকাই তেওঁলোকৰ বুকু কঁপি উঠে বুলি কয় অন্য এজন শিল্পী গোলাপ সুতে। খোল, ঢোল, নাগাৰা আদি বাদ্যযন্ত্ৰত, চাউনী দিয়া, ঘূণ লগোৱা, বাদ্যযন্ত্ৰৰ বাবে সঠিক কাঠ, বাঁহ, বেত, জন্তুৰ ছাল আদিৰ সন্ধান কৰা যিমান কঠিন ব্যয়ো সিমান হয় বুলি উল্লেখ কৰা শিল্পীসকল দুবেলা দুমুঠি খাই থকা থলুৱা বাদ্যযন্ত্ৰ প্ৰস্তুতকাৰী শিল্পীসকলে।

## পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুতকৰণৰ গাঁওসভা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৭ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৩ নম্বৰ ঘগ্ৰাপাৰ গাঁও পঞ্চায়তত আজি গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুতকৰণ ২০২২-২৩ বৰ্ষৰ বাবে এখন গাঁওসভা অনুষ্ঠিত হয়। ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সভাগৃহত অনুষ্ঠিত সভাখনৰ সভাপতিত্ব কৰে গাঁও পঞ্চায়তৰ সভাপতি ৰাতুল শৰ্মাই। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সচিব ভগৱান লহকৰে। সভাখনত আঞ্চলিক পঞ্চায়তৰ সদস্য মনেশ্বৰ ভৰালী, নলবাৰী জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সমল ব্যক্তিয়ে ভাষণ আগবঢ়ায়। কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাত পঞ্চায়তৰ জৰিয়তে সু-শাসন আৰু উন্নত সেৱা প্ৰদানৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত আলোকপাত কৰে। সভাত বৰজাৰৰিহাটীৰ বৰম্বৈ বৰপুখুৰী পৰ্যটনৰ আকৰ্ষণস্থলী, বৰপুখুৰীলৈ অহা-যোৱা পথ উন্নীতকৰণ আৰু দামোদৰ ধাম পথ সংযোগী ৰেলপথৰ তলেৰে গৈ ৩১ নম্বৰ হাইৱে সংলগ্নৰ পৰিৱৰ্তে ঘগ্ৰাপাৰ প্ৰেছ ক্লাব হৈ ৰেল ষ্টেছন পথত সংযোগ কৰাৰ বাবে বিধায়ক বৰুৱাক আবেদন জনোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উক্ত সভাত পঞ্চায়তখনৰ উপ-সভানেত্ৰী বিনীতা মজুমদাৰ, গ্ৰাম্য সখী, আত্মসহায়ক গোটৰ সদস্য, গাঁও সভাৰ সদস্য-সদস্যা আদিয়ে অংশগ্ৰহণ কৰে।

## কেৱল নিজক লৈ ব্যস্ত থাকিলে জীৱন অসাৰ

### সত্ৰাধিকাৰৰ স্মৃতিচাৰণ সভাত সত্ৰাধিকাৰ ড° দেৱগোস্বামী

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১৭ ডিচেম্বৰ ঃ** সদ্য প্ৰয়াত পটিয়ৰী সত্ৰৰ সত্ৰাধিকাৰ জগন্নাথ দেৱগোস্বামীৰ সোঁৱৰণত আজি স্মৃতিচাৰণ সভা সত্ৰৰ প্ৰাংগণত অনুষ্ঠিত হয়। অনুষ্ঠানটো মুকলি কৰে চাৰিঙৰ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তুৰাৰাম খনিকৰে। শতায়ু গৰকা সত্ৰাধিকাৰজনৰ সোঁৱৰণত জয়ন্ত শইকীয়াৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা 'শতায়ু প্ৰদীপ' গ্ৰন্থখন মুকলি কৰে ঐতিহাসিক আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে প্ৰয়াত জগন্নাথ দেৱগোস্বামীৰ গুণৰাজি শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে তেওঁৰ জীৱন কালত এজন লোকে কৰা



কৰ্মৰাজিৰ বাবে লোকজনক তেওঁৰ মৃত্যুৰ পাছতো মানুহে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। মনুষ্যত্বৰ জীৱন ধাৰণ কৰি যদি এজন লোক যদি সামাজিক নহয় বা সমাজৰ বাবে কোনো কৰণীয় নাই বুলি কেৱল নিজক লৈ ব্যস্ত থাকে স্বাভাৱিকতে তেনে মানৱ জীৱন অসাৰ। মন ৰাজগুৰু আৰু গজেন ভূঞাই আঁত ধৰা উক্ত অনুষ্ঠানটোত আউনীআটি সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, উক্ত মহাবিদ্যালয়ৰ অধ্যাপক তুলসী ৰাজখোৱা, ভাৰতীয় ৰেল বিভাগৰ প্ৰাক্তন মহাপ্ৰবন্ধক জীৱন জ্যোতি বৰাৰ লগতে কে'বাগৰাকী ব্যক্তি বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে আউনীআটি সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীৰ পিতৃ পটিয়ৰী সত্ৰৰ সত্ৰাধিকাৰ গৰাকীৰ ১০২ বছৰ অতিক্ৰম কৰাৰ উপলক্ষত যোৱা আঠ ডিচেম্বৰত অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছিল যদিও ছয় ডিচেম্বৰত তেওঁৰ মৃত্যু হোৱাত এই কাৰ্যসূচী বাতিল কৰিছিল।

## লখিমপুৰত জ্বলিল মুখ্যমন্ত্ৰী, যোগানমন্ত্ৰীৰ পুত্তলিকা

### মূল্যবৃদ্ধিৰ বিৰুদ্ধে অসমীয়া যুৱ মঞ্চৰ প্ৰতিবাদ



**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১৭ ডিচেম্বৰ ঃ** লখিমপুৰ নগৰৰ মাজমজিয়াত মালপানী চাৰিআলিত আজি পুৱা জ্বলিল মুখ্যমন্ত্ৰী আৰু যোগান মন্ত্ৰীৰ প্ৰতিকৃতী। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ জনাই অসমীয়া যুৱ মঞ্চই এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কেন্দ্ৰ তথা ৰাজ্য চৰকাৰক গৰিহণা দি প্ৰতিবাদকাৰীসকলে মূল্যবৃদ্ধি ৰোধৰ দাবী জনায়। যোগান মন্ত্ৰীয়ে সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ কৰিব নোৱাৰাৰ বাবে তেওঁৰ পদত্যাগৰো দাবী জনাই প্ৰতিবাদকাৰীসকলে। আনহাতে, কেন্দ্ৰীয় চৰকাৰকো কঠোৰ সমালোচনা কৰে। কেন্দ্ৰীয় চৰকাৰে জনগণৰ স্বাৰ্থৰ বিপৰীতে কেৱল পুঁজিপতিৰ স্বাৰ্থত কাম কৰি ৰাইজক মাধমাৰ দিয়াৰ অভিযোগ তুলি মোদীৰ পৰিৱৰ্তে আদানিক প্ৰধানমন্ত্ৰীৰ পদবী দিব লাগে বুলিও তাচ্ছিল্য কৰে। অচিৰেই মূল্যবৃদ্ধি ৰোধ নকৰিলে অসমীয়া যুৱ মঞ্চই জোৰদাৰ আন্দোলন আৰম্ভ কৰিব বুলিও সকীয়াই দিয়ে। প্ৰতিবাদত চিৰঞ্জিৎ বৰদলৈ, দিপাংকৰ নাম আদি মঞ্চৰ ভালেখিনি সদস্যই অংশগ্ৰহণ কৰে।

## অসম-মেঘালয় সীমান্তত খেৰণি বন বিভাগৰ কুণ্ডাভৰ্তি ট্ৰাক জব্দ

**খেৰণি, ১৭ ডিচেম্বৰ ঃ** অসম-মেঘালয় সীমান্তত তথা পশ্চিম কাৰ্বি আংলঙৰ লামাৰাঙত খেৰণি বন বিভাগৰ অভিযান। গোপন সূত্ৰৰ পম খেদি খেৰণি বন বিভাগে চলোৱা অভিযানত অসম-মেঘালয় সীমান্তৰ লামাৰাঙত জব্দ কৰে এম এল-০৪-২০১২ নম্বৰৰ কুণ্ডাভৰ্তি শক্তিমান ট্ৰাক। লামাৰাং গাঁৱৰ পৰা মেঘালয়লৈ কুণ্ডাসমূহ অবৈধভাৱে সৰবৰাহ কৰি থকা অৱস্থাত বন বিভাগে কুণ্ডভৰ্তি গাড়ীখন জব্দ কৰিবলৈ সক্ষম হয়।

## ক'ভিডত মৃতকৰ নিকটাত্মীয়ক সাহায্য তিনিচুকীয়া জিলা প্ৰশাসনৰ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১৭ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিৰ্দেশনা মৰ্মে তিনিচুকীয়া জিলাতো ক'ভিড-১৯ত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকসকলৰ নিকটত্মীয়ক ৫০ হেজাৰ টকাৰ অনুগ্ৰহ সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছে। তিনিচুকীয়া জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া ডিপু কুমাৰ ডেকাই সদৰী কৰা মতে, তিনিচুকীয়া জিলাৰ অন্তৰ্গত চক্ৰ বিষয়াৰ কাৰ্যালয়সমূহৰ লগতে তিনিচুকীয়া জিলা উপায়ুক্তৰ কাৰ্যালয়ত এই অনুগ্ৰহ সাহায্যৰ বাবে প্ৰয়োজনীয় প্ৰ-পত্ৰ উপলব্ধ হ'ব।

## 'ধূলিৰ ধৰণীত সৰগী মুকুতা' উন্মোচন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৭ ডিচেম্বৰ ঃ** সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞিবৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তীৰ সামৰণি অনুষ্ঠানৰ স'তে সংগতি ৰাখি অনুষ্ঠিত গ্ৰন্থ উৎসৱৰ বাকৰিত জিলাখনৰ ভালেকেইগৰাকী কবি-সাহিত্যিক-লেখকৰ কে'বাখনো গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ সমান্তৰালকৈ কালি সন্ধিয়া শিৱসাগৰৰ জয়সাগৰ অঞ্চলৰ নতুন প্ৰজন্মৰ লেখিকা ৰাহিদা ৰহমানৰ পঞ্চমখন গ্ৰন্থ 'ধূলিৰ ধৰণীত সৰগী মুকুতা উন্মোচন কৰি কবি-সাহিত্যিক প্ৰেম গগৈয়ে লেখিকাগৰাকীৰ লেখাত মাটিৰ গোন্ধ বিচাৰি পোৱা বুলি উল্লেখ কৰে।

## শিৱসাগৰ জিলাত সৰ্বাত্মক বেংক ধৰ্মঘট

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৭ ডিচেম্বৰ ঃ** এটাৰ পিছত আন এটা দেশৰ সম্পদ পুঁজিপতি গোষ্ঠীক গতাই দিয়াৰ সমান্তৰালভাৱে এইবাৰ কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা খণ্ডৰ বেংক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ দিশো আগবঢ়াইছে। কেন্দ্ৰীয় চৰকাৰে ৰাজহুৱা খণ্ডৰ বেংক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ প্ৰতিবাদত সংযুক্ত বেংক কৰ্মচাৰী ইউনিয়নে আহ্বান দিয়া দুদিনীয়া বেংক ধৰ্মঘটৰ ফলত আজি শিৱসাগৰৰ সকলো ৰাষ্ট্ৰীয়কৃত বেংকৰ কাম-কাজ স্থবিৰ হৈ পৰে। কালিৰে পৰা আৰম্ভ হোৱা দুদিনীয়া ধৰ্মঘট কাৰ্যসূচীৰ অংশৰূপে আজি শিৱসাগৰ নগৰৰ খিজনুৰ আলি পথত থকা ভাৰতীয় ষ্টেট বেংকৰ সন্মুখত বেংক কৰ্মচাৰী একত্ৰিত হৈ এই ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। ভাৰতীয় মজদুৰ কংগ্ৰেছে সহযোগ কৰা কাৰ্যসূচীত বেংকিং আইন সংশোধন বিধেয়ক আৰু ৰাষ্ট্ৰীয়কৃত বেংক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা প্ৰস্তাৱক জনবিৰোধী বুলি অভিহিত কৰি দুই সংগঠনে তীব্ৰ প্ৰতিবাদ কৰে। সংগঠন দুটাই চৰকাৰৰ প্ৰস্তাৱক পুনৰ বিবেচনা কৰাৰ দাবী জনায়। উল্লেখ্য যে কালিৰে পৰা চলি থকা এই ধৰ্মঘট কাৰ্যসূচীৰ বাবে ৰাজহুৱা খণ্ডৰ সকলো বেংকৰ কাম-কাজ স্থবিৰ হৈ পৰিছে আৰু ইয়াৰ ফলত ৰাইজ যথেষ্ট সমস্যাৰো সন্মুখীন হ'ব লগীয়াত পৰিছে।

## নেহৰু যুৱ কেন্দ্ৰ নলবাৰীৰ উদ্যোগত বিষ্টুপুৰত বিজয় দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৭ ডিচেম্বৰ ঃ** নেহৰু যুৱ কেন্দ্ৰ নলবাৰীৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী অনুষ্ঠান সৃষ্টি মাল্টি ডেভেলপমেণ্ট অৰ্গেনাইজেছনৰ সহযোগত কালি ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে নলবাৰীতো দিনজোৱা কাৰ্যসূচীৰে বিজয় দিৱস উদ্‌যাপন কৰা হয়। নলবাৰীৰ বিষ্টুপুৰস্থিত সৃষ্টি জাতীয় বিদ্যালয়ত এই উপলক্ষে নলবাৰীৰ বিশিষ্ট সমাজকৰ্মী তিলক দাসৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। পুৱা ১১ বজাৰ পৰা অনুষ্ঠিত সভাখনত উপস্থিত থকা সৃষ্টি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ বিৰাজ মেধি, সৃষ্টি সংগীত বিদ্যালয়ৰ অধ্যক্ষ প্ৰতুল ৰাজবংশী, লুইত একাডেমী হাইস্কুলৰ বিষয় শিক্ষক হৰিশ শৰ্মা, বুঢ়াগোসাঁই থান প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰমোদ বৰ্মনে 'বিজয় দিৱস' উদ্‌যাপনৰ তাৎপৰ্য সম্পৰ্কে বিস্তৃতভাৱে বক্তব্য আগবঢ়ায়। বৃহত্তৰ পূব নলবাৰী অঞ্চলৰ অৰ্ধশতাধিক ৰাইজ তথা বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সৃষ্টি মাল্টি ডেভেলপমেণ্ট অৰ্গেনাইজেছনৰ সভাপতি হিৰণ্য বৰ্মনে।

## পৌৰসভা-পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত শিৱসাগৰত সৰৱ মহিলা মৰ্চা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৭ ডিচেম্বৰ ঃ** পৌৰসভাৰ নিৰ্বাচনলৈ মাজত আছে দুমাহমান। বিজেপিয়ে দলে শিৱসাগৰ পৌৰসভাৰ 14টা ৱাৰ্ড কেনেদৰে দখল কৰিব সেই টঙালি বান্ধিছে। আজি শিৱসাগৰ জিলা বিজেপিৰ কাৰ্যালয়ত মহিলা মৰ্চাৰ এখন সভা অনুষ্ঠিত হয়। শিৱসাগৰ মহিলা মৰ্চাৰ সভানেত্ৰী জুৰি চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাই আগন্তুক পৌৰসভা আৰু পঞ্চায়ত নিৰ্বাচনত বিজেপি মহিলা মৰ্চাৰ ভূমিকা সৰ্ন্দভত বিশেষভাৱে আলোচনা কৰে। শিৱসাগৰ জিলাৰ 13টা মণ্ডলৰ ন-পুৰণি মহিলা মৰ্চাৰ সভানেত্ৰী আৰু মহিলা মৰ্চাৰ শিৱসাগৰ বিষয়ববীয়াসকলৰ মাজত ভাৱ বিনিময়ৰ মাধ্যমেৰে বিজেপি মহিলা মৰ্চাই আগন্তুক নিৰ্বাচনৰ ৰণকৌশল প্ৰস্তুত কৰে। উক্ত অনুষ্ঠানত বিজেপিৰ অসম প্ৰদেশ মহিলা মৰ্চাৰ উপ-সভানেত্ৰীৰ লগতে জিলা মহিলা মৰ্চাৰ ৰাজ্যিক প্ৰভাৰী মধুমিতা দত্ত, জিলা বিজেপিৰ সভাপতি ময়ুৰ বৰগোঁহাই, ৰাজ্যিক কোষাধ্যক্ষ মাইনু বৰগোঁহাই, মহিলা মৰ্চাৰ জিলা প্ৰভাৰী পুতুল গগৈ, কাৰ্যনিৰ্বাহক সদস্য মৃণালিনী কোঁৱৰ আৰু দিপিকা দুৱৰী উপস্থিত থাকি আগন্তুক নিৰ্বাচনৰ ৰণকৌশল সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। ইফালে, বিজেপিৰ অন্যান্য পিছপৰা জাতি মৰ্চাই স্থানীয় ফুকন নগৰ অঞ্চলৰ দৰিদ্ৰ জনসাধাৰণৰ মাজত ডেৰশখন কম্বল বিতৰণ কৰে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত নাজিৰা, থাওৰা আৰু আমগুৰি সমষ্টিত এনে ধৰণৰ কাৰ্যসূচী লোৱা হ'ব বুলি অন্যান্য পিছপৰা শ্ৰেণীৰ সভাপতি হৰিপ্ৰসন্ন হাজৰিকাই কয়।

## কমাৰগাঁৱত ডাম্পাৰৰ খুন্দাত আহতৰ চিকিৎসালয়ত মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**খুমটাই, ১৭ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ সমীপৰ সোণোৱালত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত দুই ডিচেম্বৰৰ আবেলি এখন বালি ভৰ্তি এ এছ ০৯ চি ৩৫৫১ নম্বৰ তীব্ৰবেগী ডাম্পাৰৰ খুন্দাত থিতাতে এগৰাকী মহিলা নিহত হোৱাৰ লগতে আন তিনিগৰাকী লোক গুৰুত্বভাৱে আহত হৈছিল। দুৰ্ঘটনাটোত গুৰুত্বভাৱে আহত নিকিবুল হুছেইন (৪৫), সোণোৱাল গাঁৱৰ সুনীল শইকীয়া (৪৫), বিনু শইকীয়া (২৫) যোৰহাট মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন হৈ আছিল। আজি ইয়াৰে সুনীল শইকীয়া নামৰ লোকজন যোৰহাট মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। ইফালে, দিন হাজিৰা কৰি পৰিয়াল পোহপালন দিয়া অতি দৰিদ্ৰ পৰিয়ালৰ সুনীল শইকীয়া নামৰ লোকজনৰ মৃত্যুত এতিয়া সৰগ ভাঙি পৰিছে দুৰ্ভগীয়া পৰিয়ালটোৰ। মৃত্যুৰ সময়ত লোকজনে পত্নী এগৰাকী কণমানি কন্যা আৰু এটা কণমানি পুত্ৰ সন্তান ইহসংসাৰত এৰি গৈছে।

## শিৱসাগৰত সদৌ অসম ভিত্তিত ৰিজেণ্ট-২০২১ ফেশ্বন শ্ব' প্ৰতিযোগিতাৰ আয়োজন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৭ ডিচেম্বৰ ঃ** শিৱসাগৰ যুৱদলৰ প্ৰেক্ষাগৃহত অহা ২৪ ডিচেম্বৰত মিছটিক স্ত্ৰীয়েৰ আৰু কুঁহিপাত ক্ৰিয়েচনৰ উদ্যোগত অসম ভিত্তিত ৰিজেণ্ট-২০২১ ফেশ্বন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পুৰুষ আৰু মহিলাৰ উভয় শাখাৰ লগতে শিশু-কিশোৰ-কিশোৰীসকলৰ মাজতো অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাখনত বিজয়ীসকলক মিষ্টাৰ, মিচেছ, মিছ আৰু কিডছ ৰিজেণ্ট-২০২১ খিতাপ প্ৰদান কৰা হ'ব। উল্লেখ্য যে প্ৰতিযোগিতাৰ পূৰ্বে ২১ ডিচেম্বৰৰ পৰা তিনিদিনীয়াকৈ শিৱসাগৰ ছোৱালী কলেজৰ সন্মুখৰ কমপ্লেক্সত গ্ৰুমিং হ'ব লগা অনুষ্ঠানত উপস্থিত থাকিব আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ফেশ্বন ডিজাইনাৰ দীপাংকৰ কাশ্যপ। ইফালে, উদ্যোগক্তাই ২৩ ডিচেম্বৰত পুৱা ৬-৩০ বজাত ইউনিটি গৌ গ্ৰীণ ৰাণ নামৰ এটা অনুষ্ঠানৰ আয়োজন কৰি সকলোৰে সহযোগিতা কামনা কৰিছে। ইয়াৰোপৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব লগা প্ৰতিযোগীক ৮৪০২৯-১৭৬০৩ আৰু ৯৬৭৮৭-৮১৪৪৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোগক্তাই আহ্বান জনাইছে।

## আগিয়া ডালকৰ সুস্বাদু বেঙেনাৰ বাবে ভিৰ গ্ৰাহকৰ

### গুৰুত্ব নাই কৃষি বিভাগৰ

**অগ্ৰদূত বাৰ্তা**

**আগিয়া, ১৭ ডিচেম্বৰ ঃ** ডালকৰ বেঙেনাৰ সোৱাদেই সুকীয়া। অন্যান্য বেঙেনাৰ তুলনাত ডালকৰ বেঙেনা অতি কোমল আৰু মিঠা। সেইবাবে ডালকৰ বেঙেনা ক্ৰয় কৰিবলৈ খাদ্যৰসিক গ্ৰাহকৰ হেতাওপৰা লাগিছে। যি সময়ত অন্যান্য অঞ্চলৰ বেঙেনা আজি প্ৰতিকিলো ২০ টকা দৰত বিক্ৰী হৈ আহিছে সেই সময়তে ডালকৰ বেঙেনা ১০০ টকা দৰত প্ৰতিকিলো বিক্ৰী হৈ আছে। গোৱালপাৰা জিলাৰ আগিয়াৰ নিকটৱৰ্তী জিঞ্জীৰাম নদীৰ দুয়োপাৰে অৱস্থিত ডালক গাঁওখন। গাঁওখনৰ ৯০ শতাংশ



লোক কৃষিজীৱী। গাঁওখনৰ কৃষক গোপী মোহন ৰায়ে এবিঘা মাটিত এইবাৰ পাঁচশ জোপা বেঙেনা গছ ৰোপণ কৰিছে। ৰায়ে উল্লেখ কৰা মতে, নিতৌ ১৫-২০ কিলো বেঙেনা বিক্ৰী কৰিবলৈ সক্ষম হৈছে প্ৰতিকিলো ১০০ টকা দৰত। জিলাখনৰ ভিন্ন প্ৰান্তৰ লগতে গুৱাহাটীৰো বহু খাদ্যৰসিক গ্ৰাহকে প্ৰতিদিনে গাঁওখনৰ পৰা উক্ত বিশেষ সোৱাদযুক্ত বেঙেনা ক্ৰয় কৰি আহিছে। তেওঁ পুনৰ উল্লেখ কৰা মতে, চাহিদা অনুপাতে তেওঁ বেঙেনা যোগান দিবলৈ অপাৰগ। সেয়ে কৃষি বিভাগে গাঁওখনৰ বেঙেনা খেতিক লৈ গুৰুত্ব আৰোপ কৰিলে নিশ্চিতভাৱে বহু পৰিমাণে বেঙেনা উৎপাদন কৰা সম্ভৱ হ'ব। পৰিতাপৰ বিষয় এয়ে যে কৃষি বিভাগে আজিলৈকে কোনো গুৰুত্ব আৰোপ নকৰিলে। তৎসত্ত্বেও স্থানীয় যুৱ প্ৰজন্মক অকল চাকৰিৰ পাছত দৌৰি নাথাকি এনেদৰে কৃষিকৰ্মত মনোনিৱেশ কৰি আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনায়। উল্লেখ্য যে ডালক গাঁৱৰ পৰা বেঙেনা পুলি সংগ্ৰহ কৰি জিলাখনৰ বিভিন্ন অঞ্চলৰ খেতিয়কে বেঙেনাৰ খেতি কৰে যদিও ডালকৰ মাটিত উৎপাদিত বেঙেনাৰ দৰে সোৱাদযুক্ত নহয়। ফলত ডালকৰ বেঙেনা সুস্বাদু খাদ্যৰূপে পৰিচিত লভাৰ লগতে ব্যাপক জনপ্ৰীয়তাও লাভ কৰিছে।



## পুনৰ তাই জুৰ বিপক্ষে ৰুদ্ধ হ'ল সিন্ধু

# বিশ্ব বেডমিণ্টনৰ পদক অৰ্জন নিশ্চিত কৰিলে শ্ৰীকান্তে

**নিউজ ব্যুৰ'**

**মাদ্ৰিদ, ১৭ ডিচেম্বৰ ঃ** স্পেইনত চলি থকা ৱৰ্ল্ড বেডমিণ্টন চেম্পিয়নশ্বিপত পদক নিশ্চিত কৰিলে ভাৰতীয় তাৰকা কাদাম্বি শ্ৰীকান্তে। আজি তেওঁ পুৰুষ ছিংগলছৰ ছেমিফাইনেলত প্ৰৱেশ কৰে। অৱশ্যে ৱৰ্ল্ড চেম্পিয়নশ্বিপৰ খিতাপ অক্ষুণ্ণ ৰখাত ব্যৰ্থ হ'ল পি ভি সিন্ধু।



আজি পুৰুষ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ প্ৰাক্তন এক নম্বৰ খেলুৱৈ শ্ৰীকান্তে নেদাৰলেণ্ডৰ মাৰ্ক কেলজ'কক অতি সহজে পৰাজিত কৰে। খেলখনত শ্ৰীকান্ত ২১-৮, ২১-৭ পইণ্টৰ ব্যৱধানত বিজয়ী হয়। ছেমিফাইনেলত প্ৰৱেশৰ সুবাদত তেওঁ কমেও ব্ৰঞ্জৰ পদক নিশ্চিত কৰিলে।

ইপিনে, টকিঅ' অলিম্পিকৰ পাছত পুনৰ টাইৱানৰ তাই জুৰ বিপক্ষে পৰাজিত হ'ল সিন্ধু। আজি মহিলা ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত জুৱে যোৱাবাৰৰ চেম্পিয়ন সিন্ধুক ২১-১৭, ২১-১৩ পইণ্টত পৰাজিত কৰে। টকিঅ' অলিম্পিকৰ ছেমিফাইনেলতো সিন্ধু একেগৰাকী প্ৰতিদ্বন্দ্বীৰ বিপক্ষে পৰাজিত হৈছিল।



# পাকিস্তানক পৰাস্ত কৰিলে ভাৰতে

## এছিয়ান চেম্পিয়ন্‌ছ ট্ৰফী হকীৰ ছেমিফাইনেলত স্থান নিশ্চিত

**নিউজ ব্যুৰ'**

**ঢাকা, ১৭ ডিচেম্বৰ ঃ** পাকিস্তানক পৰাজিত কৰি ঢাকাত চলি থকা এছিয়ান চেম্পিয়ন্‌ছ ট্ৰফী হকীত ছেমিফাইনেলৰ স্থান প্ৰায় নিশ্চিত কৰিলে ভাৰতে। আজি অনুষ্ঠিত গ্ৰুপ লীগৰ খেলত ভাৰতে দুৰ্দান্ত প্ৰদৰ্শনেৰে পাকিস্তানক ৩-১ গ'লত পৰাজিত কৰে। দলৰ জয়লাভত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি হৰমনপ্ৰীত সিঙে দুটা গ'ল দিয়ে।

খেলখনৰ আৰম্ভণিৰে পৰাই ভাৰতীয় দলে আধিপত্য বিস্তাৰ কৰিছিল। প্ৰথম অৱস্থাত হৰমনে এটা গ'ল দিলেও ভাৰতে একাধিক সুযোগ হেৰুৱাইছিল। খেলৰ তৃতীয় কোৱাৰ্টাৰত আকাশদীপে ভাৰতক ২-০ত আগুৱাই নিলেও পাকিস্তানৰ হৈ এটা গ'ল পৰিশোধ কৰিছিল জুনেইড মনজুৰে। অৱশ্যে হৰমনপ্ৰীতে আন এটা গ'ল দি দলৰ জয় নিশ্চিত কৰে। গ্ৰুপ লীগৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে ভাৰত। এই পৰ্যন্ত তিনিখন মেচৰ পৰা ভাৰতৰ সংগ্ৰহ সাত পইণ্ট। ফলত ছেমিফাইনেলৰ স্থান প্ৰায় নিশ্চিত হৈছে। প্ৰথম মেচত কোৰিয়াৰ স'তে ড্ৰ খেলিলেও ভাৰতে দ্বিতীয় মেচত বাংলাদেশক ৯-০ গ'লত বিধ্বস্ত কৰিছিল। গ্ৰুপৰ অন্তিম মেচত ভাৰতে জাপানৰ বিপক্ষে খেলিব। উল্লেখ্য যে ২০১৮ত ওমানত অনুষ্ঠিত এছিয়ান চেম্পিয়ন্‌ছ ট্ৰফীৰ গ্ৰুপ পৰ্যায়ত ভাৰতে পাকিস্তানক একেই ব্যৱধানত পৰাজিত কৰিছিল। অৱশ্যে দুই দলেই ফাইনেলত উপনীত হৈছিল। যদিও বৰষুণৰ বাবে ফাইনেল বাতিল হোৱাত দুয়োটা দলকে যুগ্ম বিজয়ী ঘোষণা কৰা হৈছিল।



## ষ্টাৰ স্প'ৰ্টিঙৰ বিশাল জয়

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৭ ডিচেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা অসম ক্ৰিকেট সন্থাৰ চতুৰ্থ অসম প্ৰিমিয়াৰ আন্তঃক্লাব ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত ষ্টাৰ স্প'ৰ্টিং ক্লাবে উদয় সংঘক ২৭৮ ৰাণৰ বিশাল ব্যৱধানত হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। এএনকিড'ৱাই ট্ৰফী (ক্লাষ্টাৰ-১)ৰ অধীনত আয়োজিত এই প্ৰতিযোগিতাৰ আজিৰ খেলখনত ষ্টাৰ স্প'ৰ্টিঙে পোনতে বেট ধৰি মনীষ ভাৰতীৰ ৮৭, তুষাৰ শ্যামলৰ ৪৪,আয়ুষ্মান বৰলৰ ৩৩ , অধিনায়ক দেৱজিত দাসৰ ৩২, গোপাল কৃষ্ণৰ অপৰাজিত ২১, ৱাছিম উল্লাহ খানৰ ২১,পংকজ ভাগৱতীৰ ২০ আৰু চামিম আহমেদৰ অপৰাজিত ১২ৰাণৰ অৱদানেৰে ৪০ অভাৰত সাতটা উইকেটৰ বিনিময়ত ৩০৭ৰাণ সংগ্ৰহ কৰে। বলিঙত উদয় সংঘৰ হৈ শংকৰ দয়াল দাসে দুটা, নাজিৰ হুছেইন, ৰূপম বৈশ্য, সমিত কুমাৰ, মনোজ কুমাৰ দে আৰু সুমন্ত শৰণীয়াই এটাকৈ উইকেট পায়। ইফালে বিশাল লক্ষ্য লৈ উদয় সংঘই বেট ধৰি বিপক্ষৰ ইয়াচুনীল হক (৬/১৩), ছাজিদুৰ ৰহমান (২/৬) আৰু ৱাছিম উল্লাহ খান (২/৬)ৰ বিধ্বংসী বলিঙৰ প্ৰকোপত ১১.৪ অভাৰতে মাত্ৰ ২৯ ৰাণ কৰিয়ে সকলো উইকেট হেৰুৱাবলগীয়াত পৰে। খেলৰ অন্তত প্ৰাক্তন খেলুৱৈ হেমন্ত মেধিয়ে ষ্টাৰ স্প'ৰ্টিঙৰ ইয়াচুনিল হকক 'মেন অৱ দ্য মেচ'ৰ বঁটা বিতৰণ কৰে বুলি নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট শাখাৰ সম্পাদক মৃণাল কুমাৰ হাজৰিকাই জনাইছে।

# ক্ৰমাৎ পাহৰণিৰ গৰ্ভত ৭০ দশকৰ সফল খেলুৱৈ বিনোদ চেতিয়া

১৯৭১ৰ পৰা ১৯৮৩লৈকে অসমৰ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ লগতে ৰাজ্যৰ হৈ ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্বলি উঠা খেলুৱৈ বিনোদ চেতিয়া আজি পাহৰণিৰ গৰ্ভত। সুদীৰ্ঘ ১২ বছৰ চেতিয়াই জেভেলিন থ্ৰ', ডিছকাছ থ্ৰ', শ্বটপুট, হাইজাম্প, লং জাম্প, ত্ৰিপল জাম্প, হেমাৰ থ্ৰ', ফুটবল আদি খেলত অসমক প্ৰতিনিধিত্ব কৰাৰ লগতে কে'বাটাও পদক লাভ কৰি ৰাজ্যলৈ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা চেতিয়াই সুদীৰ্ঘ ৩১ বছৰ অ'এনজিচিত ভূ-বিজ্ঞানীৰূপে সেৱা আগবঢ়োৱাৰ পাছতো এতিয়া নৱ-প্ৰজন্মক ক্ৰীড়াৰ ক্ষেত্ৰত উৎসাহ যোগাবলৈ বিভিন্ন কাৰ্যত জড়িত হৈ আছে। এজন দুৰন্ত তৰুণ বুলি ক'লেও তেওঁৰ বিষয়ে খুব বেছি কোৱা নহ'ব। ১৯৭১ত বেতবাৰী হাইস্কুলত বাৰ্ষিক বিদ্যালয় সপ্তাহত এশ মিটাৰ, দুশ মিটাৰ দৌৰত প্ৰথম স্থান লাভ কৰা চেতিয়াই পৰৱৰ্তী পৰ্যায়ত পিছলৈ উভতি চাবলগীয়া হোৱা নাই। ১৯৭৩ত তেওঁ শিৱসাগৰ আন্তঃজিলা বিদ্যালয় প্ৰতিযোগিতাত বেতবাৰী হাইস্কুলৰ পৰা ডিছকাছ থ্ৰ'ত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। ৰাজ্যিক পৰ্যায়ত ইটোৰ পাছত সিটো সাফল্য অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ বাবে ১৯৭৪ত দ্বিতীয় সদৌ ভাৰত গ্ৰাম্য এথলেটিক্‌ছ প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুযোগ লাভ কৰে। উক্ত প্ৰতিযোগিতাত তেওঁ জেভেলিন থ্ৰ'ত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। চেতিয়াই কে'বাবাৰো ৰাষ্ট্ৰীয় গেমছত অংশগ্ৰহণ কৰিছিল। ১৯৭৯ত হায়দৰাবাদত অনুষ্ঠিত ২৫সংখ্যক ৰাষ্ট্ৰীয় গেমছত অংশগ্ৰহণ কৰি অসমৰ হৈ পদক লাভৰ আশা সঞ্চাৰ কৰিছিল যদিও প্ৰতিযোগিতাৰ মাজতে অসুস্থ হৈ পৰাত পদকৰ পৰা বঞ্চিত হয়। আনহাতে, ১৯৭৬ত ২২সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেমছত বাৰানসীত চেতিয়াই ডিছকাছ থ্ৰ' (জুনিয়ৰ ল'ৰা)ত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। উক্ত প্ৰতিযোগিতাত শ্বটপুটত তেওঁ (জুনিয়ৰ ল'ৰা) ৰাষ্ট্ৰীয় অভিলেখসহ প্ৰথম স্থান লাভ কৰে। ইয়াৰ পৰৱৰ্তী বৰ্ষত অৰ্থাৎ ১৯৭৭ত মাদ্ৰাজ (চেন্নাই)ত অনুষ্ঠিত ২৩সংখ্যক ৰাষ্ট্ৰীয় স্কুল প্ৰতিযোগিতাত ডিছকাছ থ্ৰ' (জুনিয়ৰ)ত প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়। উক্ত প্ৰতিযোগিতাতে শ্বটপুট (জুনিয়ৰ)ত স্বৰ্ণ পদক বুটলিবলৈ সক্ষম হৈছিল।



চেতিয়াই ৰাজ্যিক পৰ্যায়ত অসংখ্য পদক বুটলিবলৈ সক্ষম হোৱাৰ বাবেই সেইসময়ত ৰাজ্যৰ অন্যতম প্ৰতিভাশালী খেলুৱৈৰূপে চিহ্নিত হৈছিল। তেওঁ ১৯৮০-৮১ত অসম এথলেটিক্‌ছ মীটৰ লং জাম্পত দ্বিতীয়, শ্বটপুটত দ্বিতীয়, ত্ৰিপল জাম্প (১৯ অনূৰ্ধ্ব)ত দ্বিতীয় স্থান দখল কৰে। একেখন প্ৰতিযোগিতাত হেমাৰ থ্ৰ'ত স্বৰ্ণপদক লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৭৮-৭৯ত ২৩সংখ্যক গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিও তেওঁ সফল হৈছিল। উক্ত প্ৰতিযোগিতাত হাইজাম্পত প্ৰথম, লং জাম্পত দ্বিতীয়, ত্ৰিপল জাম্পত তৃতীয়, ডিছকাছ থ্ৰ'ত তৃতীয়, হেমাৰ থ্ৰ'ত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, ১৯৮০-৮১ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃহোষ্টেল ফুটবল প্ৰতিযোগিতাত তেওঁ পদক লাভ কৰিছিল। ১৯৮২-৮৩ত বিশ্ববিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাত চেতিয়াই শ্ৰেষ্ঠ এথলীট হ'বলৈ সক্ষম হৈছিল। তেওঁ ভাৰ্ছিটী সপ্তাহত শ্বটপুটত প্ৰথম, ডিছকাছ থ্ৰ'ত প্ৰথম, হেমাৰ থ্ৰ'ত প্ৰথম, ত্ৰিপল জাম্পত প্ৰথম, লং জাম্পত দ্বিতীয়, হাই জাম্পত প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে এখন সন্মানীয় বিশ্ববিদ্যালয়ৰ পৰা এনে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব পৰাটো চেতিয়াৰ আছিল এক কৃতিত্ব।

**গোপাল জালান**

সৰুৰে পৰা ক্ৰীড়াৰ প্ৰতি আগ্ৰহী চেতিয়াই শিৱসাগৰলৈ বহুতো গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। শিৱসাগৰত জন্মগ্ৰহণ কৰা এইজন খেলুৱৈয়ে অ'এনজিচিত ভূ-বিজ্ঞানীৰূপেও সেৱা আগবঢ়াইছে। তেওঁ ক্ৰীড়া জগতৰ পৰা চাকৰি কৰাৰ সময়ত আঁতৰি আছিল যদিও নৱপ্ৰজন্মৰ মাজত যাতে ক্ৰীড়াৰ এক সুন্দৰ পৰিৱেশ গঢ় লৈ উঠিব পাৰে, তাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইমান প্ৰতিভাৰ গৰাকী হৈও চেতিয়াই কেতিয়াও গৰ্ববোধ কৰা নাই। ৰাজ্যিক পৰ্যায়ত ইমানসংখ্যক পদক বুটলি নিজকে শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰাৰ পাছতো যেন নীৰৱে কাৰ্য সম্পাদন কৰি গৈছে। প্ৰচাৰ অবিহনেই তেওঁ ক্ৰীড়াজগতৰ হৈ কাম কৰি আহিছে। এনে এজন ক্ৰীড়াৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত লোকক ক্ৰীড়া পেঞ্চন যদি চৰকাৰে আগবঢ়ায়, তেনেহ'লে তেওঁ সুদীৰ্ঘ ১২ বছৰ অসমৰ ক্ৰীড়াজগতখনলৈ আগবঢ়োৱা সেৱাৰ স্বীকৃতি নিশ্চয় পাব।

## লাবুচেনৰ শতকেৰে বিশাল স্ক'ৰ অষ্ট্ৰেলিয়াৰ ঃ শতৰাণৰ পৰা বঞ্চিত স্মিথ

# এছেজৰ দ্বিতীয় টেষ্টতো বিপদত পৰিছে ইংলণ্ড

**নিউজ ব্যুৰ'**

**এডিলেইড, ১৭ ডিচেম্বৰ ঃ** অষ্ট্ৰেলিয়াৰ বিপক্ষে এছেজ শৃংখলাৰ দ্বিতীয় টেষ্টতো বিপদত পৰিছে ইংলণ্ড। দিবা-নৈশ টেষ্টখনত অষ্ট্ৰেলিয়াৰ বিশাল স্ক'ৰ অনুসৰণ কৰি ভ্ৰমণকাৰী দলটোৱে দ্বিতীয় দিনাৰ খেল সমাপ্তিলৈ মাত্ৰ ১৭ ৰাণতে দুটা উইকেট হেৰুৱাইছে। দুই অপেনাৰ হাছিব হামিদ (৬) আৰু ৰ'ৰী বাৰ্ণছ (৪) আউট হোৱাৰ পাছত ডাৱিদ মালানে এক আৰু অধিনায়ক জো ৰুটে পাঁচ ৰাণ কৰি খেলি আছে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই ন উইকেটত ৪৭৩ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। কালিৰ দুই উইকেটত ২২১ ৰাণৰ পৰা খেল আৰম্ভ কৰা ঘৰুৱা দলটোৱে আৰম্ভণিতে মাৰ্ণাছ লাবুচেন (১০৩)ৰ উইকেট হেৰুৱাইছিল। কালি ৯৫ ৰাণত অপৰাজিত হৈ থকা লাবুচেনে ৩০৫টা বলক সন্মুখীন হৈ আঠটা বাউণ্ডেৰী মাৰে। প্ৰথম টেষ্টৰ শতৰাণকাৰী ট্ৰেভিছ হেড (১৮) আৰু কেমেৰ'ন গ্ৰীণ (২) সোনকালে আউট হ'লেও ভাৰপ্ৰাপ্ত অধিনায়ক ষ্টিভ স্মিছে উইকেট কীপাৰ-বেটাৰ এলেক্স কাৰেই দলৰ ইনিংছ আগুৱাই নিয়ে। দুয়ো ষষ্ঠ উইকেটত ৯১ ৰাণ যোগ দিয়ে। মাত্ৰ পাঁচ ৰাণৰ ব্যৱধানত স্মিথে ৯৩ আৰু কাৰেই ৫১ ৰাণ কৰি আউট হয়। পৰৱৰ্তী সময়ত অভিষেককাৰী মাইকেল নেছেৰে ২৪টা বলত ৩৫ ৰাণ কৰাৰ বিপৰীতে মিচেল ষ্টাৰ্ক ৩৯ ৰাণত অপৰাজিত হৈ ৰয়। ইংলণ্ডৰ হৈ জেমছ এণ্ডাৰছনে দুটা উইকেট পায়।



## শতকেৰে বিশেষ কৃতিত্ব লাবুচেনৰ



**নিউজ ব্যুৰ'**

**এডিলেইড, ১৭ ডিচেম্বৰ ঃ** ইংলণ্ডৰ বিপক্ষে এছেজ শৃংখলাৰ চলিত দ্বিতীয় টেষ্টত শতৰাণ অৰ্জন কৰিলে অষ্ট্ৰেলিয়াৰ বেটাৰ মাৰ্ণাছ লাবুচেনে। আজি তেওঁ দিবা-নৈশ টেষ্টখনত ১০৩ ৰাণ কৰে। ইয়াৰ জৰিয়তে বিশ্বৰ প্ৰথমজন বেটাৰৰূপে দিবা-নৈশ টেষ্টত তিনিটা শতৰাণ কৰাৰ কৃতিত্ব অৰ্জন কৰিলে লাবুচেনে। আজি তেওঁ টেষ্টৰ ষষ্ঠটো শতক পূৰ্ণ কৰে। ইয়াৰে তিনিটা শতকেই আহিছে গোলাপী বলৰ টেষ্টত। আনহাতে, অষ্ট্ৰেলিয়াৰ তৃতীয় তথা বিশ্বৰ পঞ্চম দ্ৰুততম বেটাৰৰূপে লাবুচেনে টেষ্টত দুহেজাৰ ৰাণ সম্পূৰ্ণ কৰিলে। তেওঁ এই কৃতিত্ব অৰ্জন কৰে ৩৪সংখ্যক টেষ্ট ইনিংছত। টেষ্ট ক্ৰিকেটৰ ১৪৪ বছৰীয়া ইতিহাসত লাবুচেনতকৈ কম ইনিংছ খেলি দুহেজাৰ ৰাণ সম্পূৰ্ণ কৰা বেটাৰসকল হৈছে অষ্ট্ৰেলিয়াৰ কিংবদন্তি ছাৰ ডন ব্ৰেডমেন (২২টা ইনিংছ), ৱেষ্টইণ্ডিজৰ জৰ্জ হেডলী (৩২), ইংলণ্ডৰ হাৰ্বাৰ্ট ছাটক্লিফ (৩৩) আৰু অষ্ট্ৰেলিয়াৰ মাইকেল হাছী (৩৩টা ইনিংছ)।

## বিজনীত টি-২০ ক্ৰিকেট আৰম্ভ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৭ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ অন্তৰ্গত বিজনী যুৱক সংঘৰ উদ্যোগত ২৮সংখ্যক যোগেন্দ্ৰ নাথ চক্ৰৱৰ্তী, ননীগোপাল চাকলাদাৰ, শ্বেতা ৰয় সোঁৱৰণী টি-২০ ক্ৰিকেট প্ৰতিযোগিতা আজিৰে পৰা আৰম্ভ হৈছে। বিজনী বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনষ্ঠিত নক্‌আউট প্ৰতিযোগিতাখন উদ্বোধন কৰে বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে। উদ্বোধনী অনুষ্ঠানত বিজনী মহকুমা আৰক্ষী বিষয়া শেখৰজ্যোতি ৰয়, বিটিচিৰ এমচিএলএ প্ৰভাত বসুমতাৰী, বিজনী টাউন কমিটীৰ অধ্যক্ষ গুণেশ্বৰ গয়াৰী উপস্থিত থাকে। আজিৰ উদ্বোধনী খেলত অভয়াপুৰীৰ ছুপাৰ ইলেভেনে নলবাৰীৰ গৰ্ডন ক্ৰিকেট একাডেমী দলক ৬৭ ৰাণত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। প্ৰথমে বেটিং কৰি অভয়াপুৰীয়ে নিৰ্ধাৰিত ২০ অভাৰত আঠ উইকেটৰ বিনিময়ত ১৮৩ ৰাণ কৰে। প্ৰত্যুত্তৰত গৰ্ডন ক্ৰিকেট একাডেমীয়ে ১৮ অভাৰত ১১৬ ৰাণত সকলো উইকেট হেৰুৱায়। বিজয়ী দলৰ হৈ ৪১ ৰাণ সংগ্ৰহ কৰাৰ উপৰি দুটা উইকেট দখল কৰা নাছিউৰ ৰহমানে 'মেন অৱ দ্য মেচ'ৰ সন্মান অৰ্জন কৰে।

## ৰেংকিং টেনিছত মহাৰ্ণৱৰ অঘটন

**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** গুৱাহাটীত চলি থকা সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাৰ ১২ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ শাখাত অঘটন ঘটালে গোলাঘাটৰ মহাৰ্ণৱ বিলুং বৰুৱাই। দিছপুৰৰ নৰ্থইষ্ট টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত প্ৰতিযোগিতাৰ আজিৰ কোৱাৰ্টাৰ ফাইনেলত মহাৰ্ণৱে শীৰ্ষ বাছনিপ্ৰাপ্ত শিৱসাগৰৰ খেলুৱৈ চাণ্ডোগ্য টি পাঠকক ৬-৩, ১-৬, ৬-১ ছেটত পৰাজিত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। আনহাতে, ছোৱালীৰ ১৪ বছৰ অনূৰ্ধ্বৰ কোৱাৰ্টাৰ ফাইনেলত শিৱসাগৰৰ নিষ্ঠা পি বেজবৰুৱাই চতুৰ্থ বাছনিপ্ৰাপ্ত অৰ্ণৱী দেৱনাথক ৬-৭, ৬-৩, ৬-২ ছেটত হৰুৱাই আন এক অঘটন ঘটায়।




*জাতীয় ক্ৰিকেট একাডেমীত অনূৰ্ধ্ব-১৯ বছৰ ভাৰতীয় দলৰ অধিনায়ক যশ ধুলিৰ স'তে ৰোহিত শৰ্মা, শুকুৰবাৰে বাংগালুৰুত।*

## আছামিজ ৰেৰিয়ৰ্ছৰ জয়

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৭ ডিচেম্বৰ ঃ** ভিআইপিৰ শ্যামভূমি খেলপথাৰত চলি থকা অমৃত চৌধুৰী আৰু কুসুম চৌধুৰী সোঁৱৰণী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ভিআইপি আছামিজ ৰেৰিয়ৰ্ছ এফ চিয়ে ৰূপালীম ক্লাবক ৪-০ গ'লত পৰাস্ত কৰি জয়লাভ কৰে। কাইলৈৰ খেল এপিআৰঅ' বনাম ৰাণী কোচিং চেণ্টাৰ।

## ৰামপুৰৰ জয়

**ছয়গাঁও, ১৭ ডিচেম্বৰ ঃ** ৰামপুৰ ইউনাইটেড ফুটবল ক্লাবে দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত অনন্ত দাস সোঁৱৰণী আন্তঃক্লাব লীগ ফুটবলৰ আজিৰ খেলত জয়লাভ কৰিছে। বনগাঁও খেলপথাৰত অনুষ্ঠিত খেলত ৰামপুৰে ভলকেন' ক্লাবক ২-১ গ'লত পৰাজিত কৰে। কাইলৈ জনতা সংঘই বনগাঁও ফুটবল ক্লাবৰ বিপক্ষে খেলিব।

# ভাৰতীয় ক্ৰিকেটত ডাঙৰ দায়িত্বত শচীন!

## মাষ্টাৰ ব্লাষ্টাৰ্ছক বিচিচিআইলৈ অনাৰ ইংগিত সভাপতি সৌৰভৰ

**নিউজ ব্যুৰ'**

**কলকাতা, ১৭ ডিচেম্বৰ ঃ** আগন্তুক দিনত ভাৰতীয় ক্ৰিকেটৰ কোনো ডাঙৰ দায়িত্ব কান্ধ পাতি ল'ব পাৰে শচীন তেণ্ডুলকাৰে। সম্প্ৰতি এই ইংগিত দিলে বিচিচিআইৰ সভাপতি সৌৰভ গাংগুলীয়ে। শীঘ্ৰেই এই সন্দৰ্ভত চিন্তা-চৰ্চা কৰা হ'ব বুলিও সৌৰভে সংবাদ মাধ্যমক জনাইছে।

উল্লেখ্য যে অৱসৰ গ্ৰহণৰ পাছত বিগত আঠ বছৰত শচীন মাত্ৰ এবাৰেই ভাৰতীয় ক্ৰিকেটৰ স'তে পোনপটীয়াকৈ যুক্ত হৈছে। প্ৰায় ছবছৰৰ পূৰ্বে ব'ৰ্ডৰ উপদেষ্টা মণ্ডলীৰ সদস্যৰূপে মাষ্টাৰ ব্লাষ্টাৰে ভাৰতীয় দলৰ প্ৰশিক্ষক নিৰ্বাচনৰ দায়িত্ব পালন কৰিছিল। সেই উপদেষ্টা মণ্ডলীৰ আন দুজন সদস্য আছিল বৰ্তমানৰ ব'ৰ্ড সভাপতি সৌৰভ আৰু জাতীয় ক্ৰিকেট একাডেমীৰ সঞ্চালক ভিভিএছ লক্ষ্মণ। অৱশ্যে পৰৱৰ্তী সময়ত স্বাৰ্থৰ সংঘাতৰ পাকচক্ৰত পৰি তিনিওজনেই দায়িত্ব এৰিবলৈ বাধ্য হৈছিল। ইয়াৰ পাছত মুম্বাই ইণ্ডিয়ান্‌ছৰ স'তে যুক্ত হ'লেও শচীনে বিচিচিআইৰ কোনো দায়িত্ব পালন কৰা নাই। শেহতীয়াকৈ লক্ষ্মণক জাতীয় ক্ৰিকেট একাডেমীৰ দায়িত্ব অৰ্পণ কৰিছে ব'ৰ্ড সভাপতি সৌৰভে। আন এজন প্ৰাক্তন সতীৰ্থ ৰাহুল দ্ৰাৱিড়ক অৰ্পণ কৰিছে ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষকৰ দায়িত্ব। এইবাৰ তেওঁ দীৰ্ঘদিনীয়া বন্ধু তথা দেশৰ সৰ্বকালৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ শচীনক ব'ৰ্ডৰ স'তে যুক্ত কৰিব বিচাৰিছে।

এই ইংগিত দি সৌৰভে কয়, 'শচীনৰ বিষয়টো ভিন্ন। তেওঁ এইবোৰত জড়িত হ'ব নোখোজে। অৱশ্যে মই জানো যে শচীনক যদি ভাৰতীয় ক্ৰিকেটৰ স'তে কোনো প্ৰকাৰে যুক্ত কৰিব পাৰি, তেন্তে তাতকৈ আৰু আন একো ভাল হ'ব নোৱাৰে। কোনো নহয় কোনো সময়ত তেওঁ নিশ্চয় ভাৰতীয় ক্ৰিকেটৰ স'তে যুক্ত হ'ব। অৱশ্যে কিদৰে সেয়া ভাবি চাব লাগিব।' যদিও স্বাৰ্থৰ সংঘাতৰ বাবেই শচীনক যুক্ত কৰাটো সহজ নহ'ব বুলিও সৌৰভে কয়।



# বৰপেটা-ডিব্ৰুগড়-গোলাঘাট-ৰঙিয়াৰ জয়

**গুৱাহাটী, ১৭ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন প্ৰান্তত চলি থকা ১৬ বছৰ অনূৰ্ধ্বৰ আৰ জি বৰুৱা আন্তঃজিলা ক্ৰিকেটৰ এলিট গ্ৰুপৰ আজি চাৰিখন খেল অনুষ্ঠিত হয়। এই খেলসমূহত বৰপেটা জিলা দলে যোৰহাটক ৬৩ ৰাণত, ডিব্ৰুগড়ে বঙাইগাঁৱক ৪৯ ৰাণত, গোলাঘাটে লখিমপুৰক ৯৬ ৰাণত আৰু ৰঙিয়াই মৰিগাঁৱক ২৬ ৰাণত পৰাজিত কৰে।

আমিনগাঁও ক্ৰিকেট গ্ৰাউণ্ডত অনুষ্ঠিত খেলত বৰপেটাই প্ৰথমে বেটিং কৰি সকলো উইকেট হেৰুৱাই ১৫৬ ৰাণ কৰে। দলৰ হৈ ৪২ ৰাণ কৰে ৰঞ্জন বিকাশ দাসে। প্ৰত্যুত্তৰত যোৰহাটৰ ইনিংছ ৯৩ ৰাণতে শেষ হয়। বৰপেটাৰ বিষ্ণু দাসে চাৰিটা আৰু সিদ্ধ্যান মাহাতোৱে তিনিটা উইকেট দখল কৰে। বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত খেলত প্ৰথমে বেটিং কৰি ডিব্ৰুগড়ে অধিনায়ক ৰাহুল তৰফদাৰৰ ৪০ ৰাণৰ সহযোগত সাত উইকেটত ১৬৪ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত বঙাইগাঁৱৰ ইনিংছ ১১৫ ৰাণত সমাপ্ত হয়। একেখন ষ্টেডিয়ামতে অনুষ্ঠিত আন এখন খেলত গোলাঘাটে প্ৰথমে বেটিং কৰি দুই উইকেটত ১৮৩ ৰাণ কৰে। অধিনায়ক কৃষাণু পাটৰে ৬৬ আৰু নন্দন পাটৰে ৫৪ ৰাণৰ অৱদান আগবঢ়ায়। বিশাল লক্ষ্য আগত লৈ লখিমপুৰে মাত্ৰ ৮৭ ৰাণতে সকলো উইকেট হেৰুৱায়। গোলাঘাটৰ আড্ৰিয়ান কাশ্যপে চাৰিটা উইকেট দখল কৰে। আনহাতে, নেহৰু ষ্টেয়িামত অনুষ্ঠিত খেলত ৰঙিয়াই প্ৰথমে বেটিং কৰি ন উইকেটত ১৮১ ৰাণ কৰে। প্ৰত্যুত্তৰত মৰিগাঁৱে নিৰ্ধাৰিত ৩৫ অভাৰত ছয় উইকেট হেৰুৱাই ১৫৫ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। মৰিগাঁৱৰ হিমাংশু ভাগৱতীয়ে ৫৭ ৰাণ কৰে। ৰঙিয়াৰ হৈ সৰ্বাধিক ৩৫ ৰাণ কৰে আৰিয়ান মণ্ডলে।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

গুৱাহাটী, ১৮ ডিচেম্বৰ, ২০২১ শনিবাৰ পৃষ্ঠা ১৬

## বিলাসনন্দন চ'ৰা




# পেৰ'ডী-কমেডী-হালধি

**কিমাননো** আৰু নেছনেলিষ্ট হৈ থাকিব! আজি অলপ ইণ্টাৰনেছনেলিষ্টেই হোৱা যাওক! নে কি কয়?

ইণ্টাৰনেছনেল বুলি ক'লে আমাৰ ধাৰাল মগজৱান লোকসকলে জেনেৰেলী এমেৰিকা আৰু ইংলেণ্ডকে বুজে। বুজিবইতো! ইংলেণ্ডে দুশ বছৰ মালিকগিৰি ছুটাইছিল। আকৌ এমেৰিকাই আজিও ছুটাই আছে। আৰু কিমানদিন ছুটাব কোনে জানে? ডাঙৰ দেশ, গতিকে কাণ্ডবোৰো ডাঙৰ ডাঙৰ! নদী বা সাগৰৰ ডাঙৰ ডাঙৰ মাছবোৰে যেনেকৈ সৰু সৰু মাছবোৰৰ চাল-চলনৰ ওপৰত প্ৰতি মুহূৰ্ততে নজৰ ৰাখে যেতিয়াই তেতিয়াই গিলিব পৰাকৈ, একেদৰে এই ডাঙৰ ডাঙৰ দেশবোৰেও অনবৰতে এই সৰু সৰু দেশবোৰৰ ওপৰত নজৰ ৰাখে যেতিয়াই-তেতিয়াই গোলাম কৰি পেলাব পৰাকৈ। অৱশ্যে দেশৰ সৰু-ডাঙৰবোৰ তাৰ ছাইজৰ ওপৰত নিৰ্ভৰ নকৰে। যিবোৰ দেশত খুচুৰা পইচা চলে, সেইবোৰ হ'ল সৰু দেশ। যিবোৰ দেশে ডলাৰ-পাউণ্ডত কথা কয়, সেইবোৰ হ'ল ডাঙৰ দেশ। এমেৰিকাৰ বাইডেন আৰু ইংলেণ্ডৰ জনছন দুয়ো একেলগে এই নজৰদাৰীৰ কামটো কৰে। সদায়তো আৰু নজৰ ৰাখিব নোৱাৰে। সেই কাৰণে বাকী দেশবোৰৰ কাম-কাজবোৰৰ ভিডিঅ' কৰি এটা লাইব্ৰেৰীত থৈ দিয়া যায়। প্ৰতিখন দেশৰ ভিডিঅ'বোৰৰ টাইটেল ক'ড বেলেগ বেলেগ। ৰাছিয়াই দুনিয়াখনক জনালেও এমেৰিকা আৰু ইংলেণ্ডৰ পৰা সৱ কথা গোপন ৰাখে। সেই কাৰণে ৰাছিয়াৰ কাম-কাজবোৰৰ ভিডিঅ'টো 'টপ ছিক্ৰেট' বুলি নাম দি লাইব্ৰেৰীত থৈ দিয়া যায়। ইজৰাইলে আকৌ বাকী সৱ দেশৰ পৰা সৱ কথা গোপনে ৰাখিলেও এমেৰিকাক কিন্তু জনাবই। সেই কাৰণে এই দেশখনৰ কাম-কাজৰ ভিডিঅ'ৰ টাইটেল ক'ড হ'ল 'অ'পেন ছিক্ৰেট'। একেদৰে ইণ্ডিয়াৰ টাইটেল ক'ড হ'ল 'ইট হেপেনড্ অনলী ইন্ ইণ্ডিয়া'! কাৰণ ইণ্ডিয়াত যিবোৰ ঘটে বা ঘটোৱা হয়, সেইবোৰ বেলেগত নঘটে।



বাইডেন আৰু জনছনে যেতিয়াই টাইম পায়, লাইব্ৰেৰীত সোমাই যায় আৰু টাইটেল ক'ডটো চাই চাই ভিডিঅ' কেছেটবোৰ উলিয়াই আনি বাকী দেশৰ কাম-কাজবোৰৰ ওপৰত নজৰ ৰাখে। কিন্তু যোৱা ছয়-সাত বছৰে দিল্লীৰ বাদশ্বাহে ইমান বেছি কাম কৰিছে যে তেওঁৰ কামবোৰৰ এক্সট্ৰা ভিডিঅ' কৰি লাইব্ৰেৰীত ৰখা হৈছে। বাইডেন আৰু জনছনে প্ৰায়ে বাদশ্বাহে কৰা কাম-কাজবোৰৰ ভিডিঅ' কেছেটটো উলিয়াই আনি চায় আৰু বাঃ বাঃ দিয়ে 'হোৱাট এ মেজিক! হোৱাট এ গিমিক!' প্ৰথম প্ৰথম বিদেশ ঘূৰি ঘূৰি বাদশ্বাহে মুখেদি ফুলজাৰি ছটিয়াই ফুৰাৰ দৃশ্যবোৰৰ ভিডিঅ' কৰিও লাইব্ৰেৰীত ৰখা হৈছে। বাইডেন-জনছনে য'ত এই ভিডিঅ'বোৰ ৰখা হৈছে, তাৰ টাইটেল ক'ড দিছে— 'হাউডী মোদী।' তেতিয়াৰে পৰা সময়ে সময়ে এই টাইটেল ক'ডবোৰ চেঞ্জ কৰি অহা হৈছে। হঠাতে গৈ পাকিস্তানত ছাৰ্জিকেল ষ্ট্ৰাইক কৰি অহাৰ দৃশ্যবোৰৰ ভিডিঅ' চাই বাইডেন-জনজনে নাম দিছিল— 'ৰাউডী মোদী'! সেইবোৰ ভিডিঅ' সেই নামেৰেই লাইব্ৰেৰীত সংৰক্ষিত হৈ আছে।

হঠাতে পাঁচশ আৰু হেজাৰ টকাৰ নোট বেকাৰ হ'ল। চাৰিওফালে হাহাকাৰ লাগিল। দোকান-পোহাৰবোৰ নিৰাকাৰ হৈ গ'ল। এ টি এমৰ আগত মানুহবোৰে সৰ্পকাৰ হৈ থিয় দি থাকিল। সেই দৃশ্যবোৰৰ ভিডিঅ'ও বাইডেন-জনছনে চাইছে। নাম দিছে— 'নোটবন্দী মোদী'। ৰেডিঅ'ত অনবৰতে বাজি থকা 'মন কী বাত'ৰ অডিঅ'বোৰো সংৰক্ষণ কৰি থোৱা হৈছে। বাদশ্বাহৰ কণ্ঠত যথেষ্ট মেল'ডীৰ সন্ধান পাই বাইডেন-জনছনে সেইবোৰ 'মেল'ডী মোদী' বুলি সংৰক্ষণ কৰি থ'বলৈ হুকুম দিলে। এমেৰিকা-ইংলেণ্ডে লকডাউন দিয়া দেখি ইণ্ডিয়াতো হঠাতে লকডাউন দিয়া হ'ল। হেজাৰ হেজাৰ মাইল লেবাৰবোৰে পেডেল মাৰিব লগা হ'ল। খাদ্য বিচাৰি মানুহবোৰে ভিক্ষাৰী হ'ব লগা হ'ল। সেই সময়ত মানুহক তালি বজাবলৈ কোৱা হ'ল। বাইডেনহঁতে ভাবিলে—এইবোৰ আচলতে তেওঁলোকে দিয়া লকডাউনৰ পেৰ'ডী কৰা হৈছে। খুব হাঁহিলে। তথাপি সংৰক্ষণ কৰি থ'লে। নাম দিলে— 'পেৰ'ডী মোদী'! বৰ্তমান বাদশ্বাহকে ধৰি আটাইকে হালধীয়া পোছাক পিন্ধি মন্দিৰে মন্দিৰে ঘূৰি ফুৰাৰ ভিডিঅ' চাই চাই বাইডেনে মনত পেলালে যে অ'বামাই তেওঁক কৈছিল ইণ্ডিয়াৰ সৱ আঞ্জাতে এটা হালধীয়া বস্তু বৰকৈ দিয়ে বুলি। কালাৰটো ভাল হয় বোলে। বস্তুটোৰ নাম হিন্দীত 'হালডী' মানে হালধি। বৰ্তমান বাদশ্বাহহঁতে নিজৰ নিজৰ ইমেজতো 'হালডী' সানিবলৈ লৈছে বুলি ভাবি বাইডেনহঁতে এই দৃশ্যবোৰৰ ভিডিঅ'টো সংৰক্ষণ কৰি থ'লে। নাম দিলে 'হালডী মোদী।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# নোটবন্দীৰ পৰাই আৰম্ভ হৈছিল সমস্যা

### অসমে বহুত দিলে, বেয়া ক'ব নোৱাৰো

**নিজৰ** পঢ়া-শুনা নাথাকিলেও সন্তানক শিক্ষিত কৰাত অকণো কাৰ্পণ্য কৰা নাই। নিশা প্ৰায় ১০ বজালৈকে মাছৰ ব্যৱসায় কৰি পৰিয়াল পোহপাল দি অহা আলম আলীয়ে ঘৰুৱা সমস্যাৰ বাবে শিক্ষা অৰ্জন কৰিব নোৱাৰিলে। শৈশৱৰ পৰাই তেওঁ ধন উপাৰ্জনৰ বিভিন্ন পথৰ সন্ধান কৰিবলৈ বাধ্য হৈছিল। অৱশ্যে নিজৰ পুত্ৰক তেওঁ শিক্ষাৰ পৰা বঞ্চিত কৰা নাই। পুত্ৰ ইতিমধ্যে স্নাতক হৈছে যদিও এই পৰ্যন্ত কোনো চাকৰি পোৱা নাই। সেয়ে পিতৃৰ ব্যৱসায়তে কেতিয়াবা সহযোগ কৰিলেও আলমৰ পুত্ৰই এতিয়া কৰ্মৰ সন্ধানত ব্যস্ত হৈ আছে। ইতিমধ্যে আলমে পুত্ৰৰ বিয়া পাতি দিছে। অথচ পুত্ৰ-বোৱাৰীক এতিয়া নিজৰ উপাৰ্জনেৰেই পুহি থাকিবলগীয়া হৈছে যদিও ইয়াৰ বাবে তেওঁৰ মনত কোনো ক্ষোভ নাই। বৰঞ্চ পুত্ৰই এদিন কিবা এটা কৰি পৰিয়ালটোক সকাহ দিব বুলিয়ে তেওঁৰ আশা। আলমৰ একমাত্ৰ কন্যা সন্তানকো ইতিমধ্যে বিয়া দিছে।


প্ৰকৃততে পশ্চিমবংগৰ বাসিন্দা আলম। অৱশ্যে পশ্চিমবংগৰ স'তে এতিয়া কোনো ধৰণৰ সম্পৰ্কই নাই। বৰঞ্চ নিজতে হাড়ে-হিমজুৱে অসমীয়া বুলি ক'বলৈহে তেওঁ পছন্দ কৰে। আলম একেবাৰে সৰু হৈ থকা অৱস্থাতে তেওঁৰ পিতৃ-মাতৃয়ে জীৱিকাৰ তাড়নাত পশ্চিমবংগৰ পৰা গুৱাহাটী মহানগৰীলৈ আহিছিল। তেতিয়াৰ পৰা তেওঁ গুৱাহাটীতে আছে। আনকি পশ্চিমবংগৰ কোন ঠাইত তেওঁলোকৰ ঘৰ আছিল, সেয়াও প্ৰায় পাহৰিছে। আলমে কয়, 'মই সৰু হৈ থাকোতেই মা আৰু দেউতাৰ মৃত্যু হৈছিল। তেতিয়া মাত্ৰ কথাবোৰ বুজিবলৈ আৰম্ভ কৰিছিলোহে। বাইদেউ এজনী আছিল। মই বাইদেউৰ স'তে ইটো-সিটো কাম কৰিছিলো। প্ৰথমে পাচলিৰ ব্যৱসায় কৰিছিলো। বেপাৰ ডাঙৰ নাছিল। কোনোমতে চলিব পাৰিছিলো। এদিন বাইদেউৰ বিয়া হ'ল। সেয়া আছিল মোৰ বাবে ডাঙৰ সকাহ। মনটো তেতিয়াহে পাতল হৈছিল। ইফালে পাচলিৰ ব্যৱসায়ৰ পৰা হোৱা সামান্য পুঁজিৰে এদিন মণিহাৰি বস্তুৰ ব্যৱসায় আৰম্ভ কৰিলো। ইখন-সিখন বজাৰৰ উপৰি মানুহৰ ঘৰে ঘৰেও গৈছিলো। এইদৰেই বহু বছৰ পাৰ হ'ল।' আলমে কয় যে ১৯৯৭ৰ পৰা তেওঁ পাঞ্জাবাৰী বতাহঘূলি অঞ্চলত মাছৰ ব্যৱসায় আৰম্ভ কৰে। কিছু মাহলৈ স্থায়ী ঠাই নাছিল যদিও অৱশেষত বতাহঘূলি তিনিআলিত তেওঁ নিগাজিকৈ মাছৰ ব্যৱসায় কৰিবলৈ সক্ষম হয়। ক্ৰমাৎ এই ব্যৱসায়ত তেওঁৰ লাভ হ'বলৈ আৰম্ভ কৰে। প্ৰথমে মাছৰ কমাই আনিছিল। পাছলৈ ডাঙৰ মাছ আনিবলৈ ল'লে। আলমৰ ব্যৱসায়ৰ ভাল দিশটো আছিল তেওঁ বাকপটুটা। যাৰ বাবে মাছ কিনিবলৈ ইচ্ছা নথকা মানুহেও



কেতিয়াবা তেওঁৰ দোকানৰ পৰা মাছ ক্ৰয় কৰিবলৈ বাধ্য হয়। সততে গ্ৰাহকে তেওঁৰ দোকানৰ পৰা মাছ ক্ৰয় নকৰাকৈ ঘূৰি যাব নোৱাৰে। প্ৰয়োজন হ'লে দুটকা কমাই লৈ হ'লেও আলমে মাছ বিক্ৰী কৰে। এই সন্দৰ্ভত তেওঁ কয়, 'গ্ৰাহকেই আমাৰ বাবে সকলো। গ্ৰাহকক যদি আমি সন্তুষ্ট কৰিব নোৱাৰো, তেতিয়া হ'লে আমাৰ ব্যৱসায় ভাল নহয়। বহু গ্ৰাহকে দাম-দৰ কৰি অতিষ্ঠ কৰি তোলে। নিজৰ লোকচান কৰি কোনেও একো বস্তু বিক্ৰী কৰিব নোৱাৰে। তথাপি মই গ্ৰাহকক অসন্তুষ্ট কৰিব নোখোজো। তেওঁলোকক বুজাই কওঁ যে তেওঁলোকে বিচৰা দামত মাছ কৰিবলৈ অসুবিধা। এনেবোৰ কথাত বহু বেপাৰীয়ে স্পষ্টভাৱে অসন্তুষ্টি ব্যক্ত কৰে, কিন্তু মই নকৰো। আজি যদি মই অসন্তুষ্টি প্ৰকাশ কৰো, তেন্তে কাইলৈ গ্ৰাহকজন মোৰ দোকানলৈ নাহিব।' উল্লেখ্য যে সেই মাছৰ ব্যৱসায় কৰিয়ে আলমে নিজৰ সংসাৰ পাতিলে। লগতে বতাহঘূলিৰ ৰহমান নগৰত নিজাকৈ এটা সৰু ঘৰো সাজিবলৈ সক্ষম হৈছে। কিছু বছৰৰ আগলৈকে আলমৰ মাছৰ ব্যৱসায় ৰমৰমীয়া আছিল যদিও চৰকাৰৰ নোটবন্দীৰ পাছৰ পৰা ব্যৱসায় বৰ ভাল নহয় বুলিও তেওঁ জানিবলৈ দিয়ে। আলমে কয় যে ক'ভিডৰ বাবে তলাবন্ধই সাধাৰণ মানুহৰ কঁকাল ভাঙিলে। অথচ তাৰ আগতে নোটবন্দীৰ পৰাই ব্যৱসায় পৰি আহিবলৈ ধৰিছিল। কিয়নো নোটবন্দীৰ ফলত সাধাৰণ মানুহৰ অভাৱ-অনাটনো বেছি হ'বলৈ লয়। যাৰ বাবে মানুহে মাছ-মাংস আদি খোৱাতো বহুত হাত ধৰিবলৈ বাধ্য হোৱা বুলি কয় আলমে।

ব্যৱসায় যদি আগৰ দৰে সুচল নহয়, তেনেহ'লে পশ্চিমবংগৰ পিতৃগৃহলৈ ঘূৰি যাব নেকি বুলি সোধা এক প্ৰশ্নত একপ্ৰকাৰ জাঁপ মৰাদি উঠে।আলমে কয়, 'কি কয়, দাদা? পশ্চিমবংগত মোৰ একো নাই। তাত দেউতাহঁত আছিল, কিন্তু মই নাছিলো। মনত থকাৰে পৰা অসমখনকে দেখি আহিছো। এইখনেই মোৰ ঠাই। জন্মস্থান নহ'লেও অসমখন জন্মস্থানৰ দৰেই। অসমে মোক বহুত দিছে। মোক পৰিয়াল দিছে, ঘৰ দিছে, বহুত ভাল বন্ধু দিছে; আৰু কি লাগে?' অসমত জন্ম নহ'লেও অসমতে মৰিব বিচাৰে বুলিও আলমে কয়।

■ প্ৰশান্ত বৰা



# অৱশেষত সূৰ্যক স্পৰ্শ কৰিলে নাছাই

মহাকাশ বিজ্ঞানৰ ইতিহাসত প্ৰথমবাৰলৈ এনে ঘটনাৰ সাক্ষী হৈ ৰ'ল সমগ্ৰ বিশ্ব। প্ৰথমবাৰলৈ পৃথিৱীত নিৰ্মিত কোনো মহাকাশ যানতো বাদেই, কোনো বস্তুৱে চুই চাবলৈ পালে সূৰ্যক। চলিত সপ্তাহতে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাই এই ঘোষণা কৰে।

### একেবাৰে কাষৰ নক্ষত্ৰৰ ৰহস্য ভেদৰ দুৱাৰ মুকলি

■ নিউজ ব্যুৰ'

**নিউ য়ৰ্ক, ১৭ ডিচেম্বৰ ঃ** অৱশেষত সূৰ্যক স্পৰ্শ কৰিলে নাছাই। পৃথিৱীৰ একেবাৰে কাষৰ নক্ষত্ৰ, যাৰ পোহৰতে দিনে-নিশাই শ্বাস লৈ পৃথিৱীখন জীয়াই আছে; সেই নক্ষত্ৰৰ পদূলিৰ নঙলা খুলি চোতালত ভৰি দিবলৈ সক্ষম হ'ল নাছা। চোতালত ভৰি দিয়েই ক্ষান্ত নাথাকি তাৰ পৰা নমুনাও সংগ্ৰহ কৰি আনিবলৈ সক্ষম হৈছে। মহাকাশ বিজ্ঞানৰ ইতিহাসত প্ৰথমবাৰলৈ এনে ঘটনাৰ সাক্ষী হৈ ৰ'ল সমগ্ৰ বিশ্ব। প্ৰথমবাৰলৈ পৃথিৱীত নিৰ্মিত কোনো মহাকাশ যানতো বাদেই, কোনো বস্তুৱে চুই চাবলৈ পালে সূৰ্যক। চলিত সপ্তাহতে আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাই এই ঘোষণা কৰে।

পৃথিৱীৰ উপগ্ৰহ চন্দ্ৰক মানুহে ইতিমধ্যে প্ৰায় ভালদৰেই চিনি পাইছে। পৃথিৱীৰ কাষৰ গ্ৰহ মঙললৈকো এতিয়া যাতায়াত সম্ভৱ হৈছে। এইবাৰ পৃথিৱীৰ কাষৰ নক্ষত্ৰক আৰু কাষৰ পৰা জনাৰ দুৱাৰো মুকলি হ'ল। এই কৃতিত্বত উৎসাহিত বিজ্ঞানীসকলে আশা কৰিছে যে চন্দ্ৰ-মঙলৰ দৰে এইবাৰ সূৰ্যৰ ৰহস্যও জানিব পৰা যাব।

সম্প্ৰতি সূৰ্যৰ বাহ্যিক আৱৰণ বা 'কোৰোণা'ক ভেদ কৰি সূৰ্যৰ ভিতৰত প্ৰৱেশ কৰিছে 'পাৰ্কাৰ' নামৰ নাছাৰ সৌৰতদন্ত যানখনে। এই 'কোৰোণা'ক কথিতভাৱে সূৰ্যৰ চোতাল বুলি কোৱা হয়, ঠিক মূল ঘৰ আৰু মূল প্ৰৱেশদ্বাৰৰ মাজৰ মুকলি ঠাইখিনিৰ দৰে। অৱশ্যে এই অঞ্চলত মাধ্যাকৰ্ষণ শক্তি প্ৰৱল। চৌম্বক ক্ষমতাও তীব্ৰ। এই দুই শক্তিৰ ইমানেই ক্ষমতা যে কোনোপধ্যে সৌৰপদাৰ্থকে বাহিৰৰ আৱৰণ ভেদ কৰি বাহিৰ হ'বলৈ নিদিয়ে। যাৰ বাবে নিৰাপদে থাকে সৌৰজগতৰ অন্যান্য গ্ৰহ-উপগ্ৰহ। অথচ পাৰ্কাৰে সেই দুৰ্ভেদ্য বেহু ভেদ কৰি 'কোৰোণা'ৰ মাজৰ সূৰ্যৰ চাৰি বেৰৰ ভিতৰত প্ৰৱেশ কৰাৰ লগতে পাৰ্কাৰে তাৰ পৰা সৌৰপদাৰ্থৰ নমুনা প্লাজমাও সংগ্ৰহ কৰিবলৈ সক্ষম হয়।

উল্লেখ্য যে ২০১৮ত পাৰ্কাৰে সূৰ্যক লক্ষ্য কৰি যাত্ৰা আৰম্ভ কৰিছিল। ইয়াৰ পূৰ্বে একাধিকবাৰ সূৰ্যৰ কাষতো উপস্থিত হৈছিল। অৱশ্যে এইবাৰহে সূৰ্যক স্পৰ্শ কৰিবলৈ সক্ষম হ'ল। লগতে সংগ্ৰহ কৰিলে সৌৰপদাৰ্থ আৰু চৌম্বক ক্ষেত্ৰৰ নমুনা। ইয়াৰ পৰীক্ষা-নিৰীক্ষা কৰি আগন্তুক দিনত কেৱল সূৰ্যই নহয়, বৰঞ্চ হাতীপটিৰ অন্যান্য নক্ষত্ৰকো চিনিব পৰা যাব বুলিয়ে বিজ্ঞানীসকলে ধাৰণা কৰিছে। অৱশ্যে নাছাৰ এই সৌৰতদন্তৰ পোনপটীয়া উপকাৰ লাভ কৰিব ভাৰতৰ দৰে উপগ্ৰহ-নিৰ্ভৰ দেশসমূহে। সূৰ্যৰ চৌম্বক ক্ষেত্ৰক কেন্দ্ৰ কৰি আগতে কাম কৰিছিল বিজ্ঞানী দিব্যেন্দু নন্দীয়ে। হাৰ্ভাৰ্ডৰ 'স্মিথছ'নিয়ান চেণ্টাৰ ফৰ এষ্ট্ৰ'ফিজিক্স'ৰ স'তে যুক্ত নন্দীয়ে কয় যে পাৰ্কাৰৰ সৌৰতদন্তৰ এই সাফল্যত সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে সৌৰ বতাহৰ উৎপত্তিক জনাটো। ইয়াৰ পূৰ্বে সৌৰ বতাহ কেনেদৰে সূৰ্যৰ পৰা আহি পৃথিৱীত উপস্থিত হয়, সেই কথা জনাইছিল পাৰ্কাৰে। অৱশ্যে সূৰ্যৰ কোৰোণাত প্ৰৱেশ কৰি চৌম্বকক্ষেত্ৰ আৰু প্লাজমাৰ নমুনা সংগ্ৰহ কৰিছে। এই ক্ষেত্ৰত সৌৰ বতাহৰ উৎপত্তি কিদৰে কয় সেয়া জনা যাব বুলি নন্দীয়ে কয়। ইয়াৰ পৰা লাভ কি হ'ব? এই প্ৰশ্নৰ উত্তৰত নন্দীয়ে কয়, 'সৌৰ বতাহে পৃথিৱীৰ বায়ুমণ্ডলত খুন্দা মাৰে। ফলত নানা ধৰণৰ ক্ষতি হয়। ক্ষতিগ্ৰস্ত হয় পাৱাৰগ্ৰীড। ইয়াৰ পূৰ্বে মেৰু অঞ্চলৰ সমীপৰ বহু দেশ এই ধৰণৰ ক্ষতিৰ সন্মুখীন হৈছে।' অৱশ্যে ভাৰতত সৌৰ বতাহৰ ক্ষতি অন্য ধৰণে হ'ব বুলি নন্দীয়ে কয়, 'সৌৰ বতাহে বায়ুমণ্ডলত আঘাত কৰাৰ সময়ত উপগ্ৰহৰ ক্ষতি কৰিব পাৰে। ভাৰতে যিহেতু উপগ্ৰহ নিৰ্ভৰ বহু পৰিসেৱা ব্যৱহাৰ কৰে, ম'বাইলৰ পৰা আৰম্ভ কৰি টিভি আনকি প্ৰতিৰক্ষাও উপগ্ৰহৰ পৰা পোৱা তথ্যৰ ওপৰত নিৰ্ভৰ কৰে, সেয়ে উপগ্ৰহৰ ক্ষতি হ'লে সাধাৰণ মানুহৰ সমস্যা হ'ব। সেই ক্ষেত্ৰত পাৰ্কাৰে যদি সৌৰ বতাহৰ উৎপত্তিৰ ৰহস্য ভেদি কৰিব পাৰে, তেতিয়া এইবোৰ সমস্যাৰ ক্ষেত্ৰত আগতীয়াকৈ সতৰ্ক হ'ব পৰা যাব। ৰোধ কৰিব পৰা যাব সম্ভাব্য ক্ষতি।'

একে সময়তে সূৰ্যই কিদৰে পৃথিৱী বা আন গ্ৰহৰ বিবৰ্তনত সাহায্য কৰি আছে আৰু কিদৰে সূৰ্যই নিজে তৈয়াৰ হৈছে, পাৰ্কাৰৰ এই সফল অভিযানত সেইবোৰো জনাৰ সম্ভাৱনা আছে বুলি নাছাই আশা কৰিছে।



# মৌ পালনেৰে স্বাৱলম্বী মুছলপুৰৰ দুই যুৱক

### পাঁচ মাহত মৌ বিক্ৰী কৰি ছয় লক্ষাধিক টকা উপাৰ্জন

■ কাৰ্তিক দাস

মুছলপুৰ, ১৭ ডিচেম্বৰ ঃ মৌ পালনেৰে বাগ্সাৰ দুজন যুৱকে দেখুৱাইছে স্বাৱলম্বিতাৰ নিদৰ্শন। যুৱকদ্বয়ে মৌ ৰস আৰু মৌজাতীয় সামগ্ৰী বিক্ৰী কৰি পাঁচ মাহত উপাৰ্জন কৰিবলৈ সক্ষম হৈছে ছয় লক্ষাধিক টকা। বাগ্সা জিলাৰ মুছলপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত খামৰিগাঁও বিষ্ণুপুৰৰ এই দুজন যুৱকৰ নাম দীপ মদাহী আৰু খনিন মদাহী। ২০১৪ৰ পৰা তেওঁলোকে মৌ পালন কৰি আহিছে। গ্ৰীণ এনভাইৰণমেন্ট ট্ৰাস্ক ফ'ৰ্চ নামৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ অধীনত মৌ পালন সম্পৰ্কে প্ৰশিক্ষণ গ্ৰহণ কৰি যুৱকদ্বয়ে ২০১৪ৰ পৰা মৌ পালনৰ প্ৰয়াস অব্যাহত ৰাখিছে। পৰৱৰ্তী সময়ত নিজ গাঁৱত এমহীয়া , নিকাছিত এসপ্তাহ আৰু গুৱাহাটীত চাৰিদিনীয়া কে'বাটাও পৰ্যায়ৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। কৃষি বিভাগৰ পৰা দুয়ো ১০টাকৈ মৌ বাকচ লাভ কৰাৰ বাহিৰে আজিলৈ আন একো পোৱা নাই। নিজৰ ঘৰত তেওঁলোকে নিজাববীয়াকৈ মৌ বাকচ প্ৰস্তুত কৰি আহিছে। সম্প্ৰতি ঘৰৰ চৌহদৰ চাৰিওফালে মৌ বাহবোৰ ৰাখি মৌ উৎপাদন কৰিছে। এতিয়া দুয়োৰে মাজত এশ মৌ বাকচ আছে। নিৰ্দিষ্ট সময়ৰ ব্যৱধানত দুয়োজনে মৌ ৰস সংগ্ৰহ কৰে।




প্ৰতি কিলো মৌ ৰস বজাৰত লিটাৰত তিনিশ টকা দৰত বিক্ৰী কৰি দীপ আৰু খনিনে বছৰত লক্ষাধিক টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। দীপে এই প্ৰসংগত কয়, 'তেওঁলোকে উৎপাদিত মৌ ৰসৰ লগতে মম, মৌ বাকচ আৰু মৌ কল'নী বিক্ৰীৰ বাবে এখন নিজা বজাৰ আছে। এনে বজাৰ দুই ধৰণৰ। তেওঁলোকৰ উৎপাদিত সামগ্ৰীবোৰ বি কিপাৰ এগ্ৰো প্ৰডিউচাৰ নামৰ গ্ৰুপটোক দিয়ে। খামৰিগাঁও, বিষ্ণুপুৰ বৰবৰী আদিৰ কৃষকসকলে একত্ৰিত হৈ প্ৰতিষ্ঠা কৰা এই গ্ৰুপটোৱে মৌ ৰস সংগ্ৰহ কৰে আৰু তেওঁলোকে খামৰি হ'নী নাম দি বজাৰত বিক্ৰী কৰে। এই গ্ৰুপটোৰ পৰাও তেওঁলোকে কিবা লভ্যাংশ পায়। সম্প্ৰতি এই অঞ্চলটোত পাঁচশ মৌ পালক আছে যদিও তাৰে আঢ়ৈশ মৌ পালকহে সক্ৰিয়। বাকীসকলে বছৰৰ মাজে মাজেহে মৌ পালন কৰে। আনজন যুৱক খনিনে কয়, 'কৃষি বিভাগ আৰু অসম কৃষি বিজ্ঞান সমিতিৰ নিৰ্দেশনাত আমি দুয়ো উমৈহতীয়াভাৱে এপিচ মেলিফেৰা আৰু চেৰেণা নামৰ দুবিধ প্ৰজাতিৰ মৌ পালন কৰি আহিছো । অকলে কৰিলে কিছু অসুবিধা হয় বাবে দুয়ো লগ হৈছো। ঘৰত এনেয়ে বহি সময় কটাই থকাতকৈ অতি সহজ পদ্ধতিত মৌ পালন কৰিলে লাভৱান্বিত হ'ব পাৰি। ব্যৱসায়িক ভিত্তিত কৰিব পাৰিলে আৰু ভাল। আমাৰ খামৰি হ'নীয়ে এতিয়া গুৱাহাটীৰ বজাৰ দখল কৰিছে। আমাৰ সমাজত এটা ভ্ৰান্ত ধাৰণা আছে যে মৌৰ কাষলৈ আহিলে মৌয়ে কামোৰে। কিন্তু কথাটো তেনে নহয়। মৌবোৰে গম নোপোৱাকৈ লাহে লাহে কাম কৰিলে কামুৰি নিদিয়ে। কামৰ সময়ত মৌবোৰে কষ্ট পালে কামোৰে। যুৱকদ্বয়ে উল্লেখ কৰা মতে, এতিয়া সৰিয়হ ফুলাৰ বতৰত মৌ বাকচৰ পৰা অধিক মৌ ৰস উৎপাদন হয়। অইন সময়ত ইয়াৰ উৎপাদন কম হয়। বিভাগীয়ভাৱে কিছু আৰ্থিক সহায় লাভ কৰিলে হয়তো এই যুৱকদ্বয়ৰ লগতে আন সকলো মৌপালক দুগুণ উৎসাহিত হ'ব আৰু সমগ্ৰ অসমৰ বজাৰ দখল কৰিবলৈ সক্ষম হ'ব ।

# কমাৰগাঁৱৰ পানীদিহিঙীয়াত শিল্পী আইদেউ সন্দিকৈৰ মৃত্যু দিৱস উদ্‌যাপন

### সমাধিক্ষেত্ৰত শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে স্মৰণ

খুমটাই, ১৭ ডিচেম্বৰ ঃ আজি অসমীয়া বোলছবিৰ প্ৰথমগৰাকী অভিনেত্ৰী আইদেউ সন্দিকৈৰ মৃত্যু দিৱস দিনজোৰা কাৰ্যসূচীৰে কমাৰগাঁৱৰ পানীদিহিঙীয়াৰ শিল্পী আইদেউ সন্দিকৈ সাংস্কৃতিক সংগ্ৰহালয় আৰু সমাধি ক্ষেত্ৰত পালন কৰা হয়। পুৱা ন বজাত কমাৰগাঁও আঞ্চলিক সাহিত্য সভাৰ সভাপতি ভদ্ৰেশ্বৰ চেতিয়াই পতাকা উত্তোলনেৰে আৰম্ভণি কৰা কাৰ্যসূচীত স্মৃতি তৰ্পণ কৰে সমাজকৰ্মী তিলেশ্বৰ বুঢ়াগোহাঁই, আইদেউ সন্দিকৈ সমাধিত বস্ত্ৰ অৰ্পণ কৰে জিলা সাহিত্য সভাৰ উপ-সভাপতি তফজ্জুল হক বৰবৰাই, শিল্পীগৰাকীৰ আবক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন আৰু বস্ত্ৰ অৰ্পণ কৰে গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদিকা বন্তি বৰাই। ইয়াৰ পাছতে নাম-প্ৰসংগ কাৰ্যসূচীত গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেশ্বৰ শইকীয়া নামৰ প্ৰসংগ কৰা কাৰ্যসূচীত স্থানীয় ৰাইজে সহযোগিতা আগবঢ়ায়। উল্লেখ যে ২০০২ৰ ১৭ ডিচেম্বৰত এইগৰাকী শিল্পী আইদেউ সন্দিকৈৰ মৃত্যু হৈছিল। শিল্পীগৰাকীৰ মৃত্যুৰ পাছৰ পৰা প্ৰতি বছৰে কমাৰগাঁও আঞ্চলিক সাাহিত্য সভাই ১৭ ডিচেম্বৰ দিনটো আইদেউ সন্দিকৈ স্মৃতি দিৱস হিচাপে পালন কৰি আহিছে। প্ৰথম অসমীয়া বোলছবি 'জয়মতী'ত অভিনয় কৰা গোলাঘাটৰ পানী দিহিঙীয়া গাঁৱত জন্মলাভ কৰা অভিনেত্ৰী আইদেউ সন্দিকৈৰ সেই সময়ত বয়স আছিল মাত্ৰ ১৭ বছৰ। যি সময়ত সমাজত নাৰীসকলৰ ক্ষেত্ৰত যথেষ্ঠ বাধা-নিষেধাজ্ঞা আছিল, সেই সময়ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ সান্নিধ্য লাভ কৰি অভিনয় কৰিবলৈ আগবাঢ়ি আহিছিল আইদেউ সন্দিকৈ। পিছে এই সাহসৰ প্ৰতিদানত তেওঁ সন্মুখীন হ'বলগীয়া হৈছিল তিৰস্কাৰৰ। বোলছবিখন নিৰ্মাণ হোৱাৰ পাছত যেতিয়া আইদেউ সন্দিকৈ নিজৰ জন্মস্থান পানীদিহিঙীয়া গাঁৱলৈ উভতি যায় তেতিয়া কিন্তু তেওঁৰ লগতে পৰিয়ালক সমাজে এঘৰীয়া কৰে। কিয়নো এগৰাকী ছোৱালীয়ে বোলছবিত অভিনয় কৰাটোক সেই সময়ত সমাজত এটা লাজ লগা কথা বুলি গণ্য কৰা হৈছিল। এমাহে ঘৰৰ পৰা বাহিৰত বিভিন্ন মানুহৰ লগত একেটা 'কেম্প'তে থকাটোকো পাপ কাম বুলি গণ্য কৰা হৈছিল। তেওঁৰ জীৱনৰ বিড়ম্বনা এয়ে যে ছবিখনত জয়মতীৰ স্বামী গদাপাণিৰ চৰিত্ৰত অভিনয় কৰা অভিনেতা ফুনু বৰুৱাক 'বঙহৰদেউ', অৰ্থাৎ 'মৰমৰ স্বামী' বুলি সম্বোধন কৰাৰ বাবেই গোটেই জীৱন অবিবাহিত হৈ ৰৈছিল। আইদেউ সন্দিকৈক পৰৱৰ্তী সময়ত অসম চৰকাৰে পেঞ্চন প্ৰদান কৰিছিল। আজি প্ৰথমগৰাকী অসমীয়া চিনেমাৰ অভিনেত্ৰী তথা 'জয়মতী' সদৃশ ত্যাগৰ প্ৰতীক আইদেউ সন্দিকৈক মৃত্যু দিৱসত কমাৰগাঁও আঞ্চলিক সাাহিত্য সভাৰ উদ্যোগত আইদেউ সন্দিকৈ সাংস্কৃতিক সংগ্ৰহালয় নিৰ্মাণ সমিতি আৰু ৰাইজৰ সহযোগত ১৯ সংখ্যক মৃত্যু তিথি আইদেউ সন্দিকৈ স্মৃতি দিৱস হিচাপে পালন কৰে।

### ডিব্ৰুং চাপৰিত স্বৰ্গদেউ ছ্যুকাফা চুমনী পথাৰ পৰিচালনা সমিতিৰ প্ৰয়াস

# গাঁঠিৰ ধন ভাঙি এদল যুৱকে ৩০০ বিঘা ভূমিত কৰিছে মাটিমাহ, সৰিয়হ, ৰঙালাউ

অগ্ৰদূত বাৰ্তা

**লালুক, ১৭ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ লালুক মৌজাৰ অন্তৰ্গত ডিব্ৰুং চাপৰিত স্থানীয় কে'বাখনো গাঁৱৰ শতাধিক শিক্ষিতকে সেউজ বিপ্লৱ গঢ়ি তুলিছে। কেইবছৰমান পূৰ্বে অঞ্চলটোৰ শিক্ষিত যুৱকসকল একগোট হৈ স্বৰ্গদেউ ছ্যুকাফা চোমনি পথাৰ পৰিচালনা সমিতি নামেৰে এখন সমিতি গঠন কৰে। পৰৱৰ্তী সময়ত এই গোটৰ সদস্যসকলে উক্ত পুৰণা ডিব্ৰুং ঘাটৰ সমীপৰ ডিব্ৰুং নদীৰ চাপৰীত অলপ অলপকৈ সমবায় ভিত্তিত কৃষিকৰ্ম কৰি ক্ৰমান্বয়ে সম্প্ৰতি ৩০০ বিঘা ভূমিত এক বৃহৎ কৃষি পাম গঢ়ি তুলিছে। আজি দুবছৰ ধৰি স্থানীয় মেনেহা, জয়পুৰ, মেৰাগুৰীয়া, বালিগাঁও, খৈৰাগুৰি আদি গাঁৱৰ শতাধিক শিক্ষিতৰ লগতে কৃষকসকল একগোট হৈ ডিব্ৰুং নদীৰ চাপৰিত এই সেউজ বিপ্লৱ গঢ়ি তোলাৰ প্ৰয়াস কৰে। অঞ্চলটোৰ নিবনুৱা যুৱক, কৃষকসকলে গাঁঠিৰ ধন ভাঙি এই বৃহৎ কৃষি ফাৰ্ম গঢ়ি তুলিছে। বৰ্তমান এই কৃষি ফাৰ্মখনত সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে বিভিন্ন খেতি কৰিছে। কৃষকসকলে শতাধিক বিঘা মাটিত মাহ, ৩০ বিঘাতকৈ অধিক সৰিয়হ, চোম গছৰ বাগান, কল বাগান, ৰঙালাউ, মটৰ মাহ আদিৰ খেতিৰে ডিব্ৰুং চাপৰি সেউজ কৰিছে। অঞ্চলটোৰ কৃষকসকলে উল্লেখ কৰা মতে, চলিত বৰ্ষত লখিমপুৰ জিলা কৃষি বিজ্ঞান গৱেষণা কেন্দ্ৰই কিছু ক্ষেত্ৰত সহযোগিতা আগবঢ়াই কিছুমান বীজ যোগান ধৰিছে যদিও সেই বীজ সিঁচিবলৈ বৃহৎ ভুমি চহাবলৈ বহু ধনৰ প্ৰয়োজন হয়। লখিমপুৰ জিলাৰ মীন বিভাগ, ৰেছম বিভাগ আগুৱাই আহিছে যদিও বৰ্তমানলৈকে কোনো সাহায্য প্ৰদান কৰা নাই বুলি কৃষকসকলে কয়। ফলত যুৱকসকলে কঠোৰ পৰিশ্ৰম কৰিব লগা হৈছে। যুৱক কৃষকসকলে গাঁঠিৰ ধন ভাঙি বৃহৎ কৃষি ফাৰ্মখনৰ কাঁটা তাঁৰৰ চাৰিবেৰা মাৰিব লগা হৈছে। সম্পূৰ্ণ জৈৱিক প্ৰক্ৰিয়াৰে কৃষি ফাৰ্মখন গঢ়ি তোলাৰ লগতে বহুমুখী ফাৰ্মৰূপে গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে যুৱকসকলে। বিভাগীয় সাহায্যৰ প্ৰয়োজন হোৱাৰ কথা ব্যক্ত কৰিছে যুৱকসকলে। উল্লেখ্য যে এই নদীৰ চৰ অঞ্চলতো এসময়ত একাংশ অসাধু লোকে নিজৰ ব্যক্তিগত দখললৈ আনিবলৈ বহু চেষ্টা চলাইছিল। আন একাংশ অচিনাকি লোকে অঞ্চলটোত অবৈধভাৱে ঘৰ-বাৰী স্থাপন কৰাৰো যো-জা চলোৱা বুলি ৰাইজে কয়।



# যমুনা নৈৰ বালি মহলৰ পৰা ৰাজহ ফাকিৰে চোৰাং ৰেহা

অগ্ৰদূত বাৰ্তা

যমুনামুখ, ১৭ ডিচেম্বৰ ঃ দক্ষিণ নগাঁও বন সংমণ্ডল হোজাইৰ অধীনস্থ মোৱাঝাৰ দেৱস্থানৰ যমুনা নৈৰ বালি মহলৰ পৰা অবৈধভাৱে বালি উত্তোলনেৰে এটা চক্ৰই বালিৰ ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ অভিযোগ উঠিছে। বিয়াগোম বন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে এই ক্ষেত্ৰত নীৰৱ ভূমিকা পালন কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি, দক্ষিণ নগাঁও বন সংমণ্ডল তথা হোজাই জিলা বন বিভাগৰ অন্তৰ্গত দেৱস্থানৰ যমুনা নৈৰ বালি মহলৰ ম্যাদ যোৱা ছেপ্টেম্বৰতে অন্ত পৰে। দেৱস্থান এক নম্বৰ বালি মহল আৰু দেৱস্থান দুই নম্বৰ বালি মহলৰ ম্যাদ অগা-পিছাকৈ অন্ত পৰে। বন বিভাগৰ নিয়ম অনুসৰি, ম্যাদ উকলি যোৱা বালি মহল পুনৰ নিবিদা আহ্বান কৰি লীজত দিব লাগে। ৰহস্যজনকভাৱে বন বিভাগে পুনৰ নিবিদা আহ্বান নকৰা অৱস্থাত এটা চক্ৰই দিনে-নিশাই মহলৰ যমুনা মৌডংগা, দেৱস্থান, বৰবালি, উত্তৰ চামৰালি, চামৰালি, টোপগাঁও আদিৰ পৰা শ শ যান-বাহনে অবৈধভাৱে বালি কঢ়িয়াই নিয়াত ৰাইজৰ চকু কপালত তুলিছে। ইপিনে, বালি মহলৰ ম্যাদ উকলি যোৱাৰ পাছতো মহলত স্থাপন কৰা বালি উত্তোলনৰ মেচিন আৰু আনুষংগিক সামগ্ৰী যথাস্থানত ৰাখি বালি উত্তোলন কিদৰে অব্যাহত ৰাখিছে তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**

ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।

E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com